● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

বৈ যোৱা, বৈ যোৱা, তুমি জাৰৰ বতাহ জাক, তুমি মানুহৰ অকৃতজ্ঞতাৰ দৰে নিৰ্দয় নহয়।



উইলিয়াম শ্বেইক্সপীয়েৰ
*ইংৰাজ কবি-নাট্যকাৰ*

www.dainikagradoot.in

৭ ইউৰোপত অধিক ভয়াৱহ হ'ল ক'ভিড
১৫ প্ৰথম ইনিংছত ভাৰতৰ অগ্ৰগতি
৪ বিভাজন আৰু অঘটনেই শাসক দলৰ মূলধন

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮৩তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৩ পুহ ১৪২৮ ভাস্কৰাব্দ ২৯ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 29 December 2021 মূল্য ঃ ৯.০০ টকা

■ জিএছটি বৃদ্ধি ঃ দাম বাঢ়িব জোতা-পোছাকৰ ■ আলোচনা নকৰাকৈ জিএছটি বৃদ্ধিত ক্ষোভ
■ বস্ত্ৰ উদ্যোগত ১৫ লাখ জীৱিকা ক্ষতিৰ মুখত ■ উচ্চহাৰৰ কৰেৰে সৃষ্টি কৰিছে অনিশ্চয়তাৰ

# দেশবাসীৰ মূৰত পুনৰ মাধমাৰ কেন্দ্ৰৰ

**এটিএমৰ পৰা ধন উলিওৱাৰ পৰা এলপিজি চিলিণ্ডাৰলৈ অধিক ধন ভৰিব লাগিব গ্ৰাহকে**



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** আগন্তুক নৱবৰ্ষৰ আৰম্ভণিৰে পৰা নানা সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত বৃদ্ধি হ'ব জিএছ টি (সামগ্ৰী আৰু সেৱা কৰ)ৰ হাৰ। অহা এক জানুৱাৰীৰ পৰাই এই কৰ বৃদ্ধি প্ৰৱৰ্তন হ'ব। কোনো কোনো ক্ষেত্ৰত নতুনকৈ পৰোক্ষ কৰ আৰোপ কৰা হ'ব। জোতা আৰু পোছাকৰ ক্ষেত্ৰত কৰৰ গাঁথনি সলনি হোৱাৰ ফলত সকলো ধৰণৰ জোতাত জিএছটিৰ হাৰ হ'ব ১২ শতাংশ। পূৰ্বতে এহেজাৰ টকাৰ কম মূল্যৰ জোতাৰ ক্ষেত্ৰত এই হাৰ আছিল পাঁচ শতাংশ। প্ৰস্তুত কৰা (ৰেডিমেড) পোছাকৰ ওপৰত ১২ শতাংশ কৰ আৰোপ কৰা হ'ব। বৰ্তমানৰ *১০ পৃষ্ঠাত চাওক*



*গজ গমন ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন্যহস্তীৰ শাৰী, মঙলবাৰে।*

অভিযোগত সৰৱ কোচ ৰাজবংশী সন্মিলনী

## জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ নামত দুৰ্নীতি অ'বিচি সন্মিলনীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** অ'বিচি সন্মিলনীয়ে প্ৰমাণপত্ৰ প্ৰদানৰ নামত ৰাজ্যত ছিণ্ডিকেটৰাজ চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। আজি ইয়াত এক সংবাদমেলত অ'বিচি সন্মিলনীৰ সভাপতি অমৰ গগৈ এই ছিণ্ডিকেটৰ 'মাষ্টাৰ মাইণ্ড' বুলি অভিযোগ *১০ পৃষ্ঠাত চাওক*

## জিনজিৰিৰ মৃত্যুৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া অব্যাহত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** যোৱা ২৪ ডিচেম্বৰত মহানগৰীৰ ওদালবাক্ৰাস্থিত মডাৰ্ণ ইংলিছ স্কুলৰ পঞ্চম মহলাৰ পৰা জঁপিয়াই আহত হোৱা আৰু পৰৱৰ্তী সময়ত এখন ব্যক্তিগত নাৰ্ছিংহোমত চিকিৎসাধীন অৱস্থাত মৃত্যুক আঁকোৱালি লোৱা *১০ পৃষ্ঠাত চাওক*

চাৰিদুৱাৰত কণ্টেইনাৰ জব্দ, দুজনক আটক

## ৰাজ্যত সক্ৰিয় চোৰাং গৰু সৰবৰাহৰ বৃহৎ অপৰাধী চক্ৰ


**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৮ ডিচেম্বৰ ঃ** অবৈধভাৱে গৰুৰ সৰবৰাহ আৰু এই কাৰ্যত নতুন নতুন লোকক জড়িত কৰি এটা বৃহৎ চক্ৰই ৰাজ্যখনত অব্যাহত ৰাখিছে এই পশুধনৰ চোৰাং ব্যৱসায়। নগাঁৱত এনে এটা বৃহৎ *১০ পৃষ্ঠাত চাওক*

## কণমানি সন্তানক লৈ চিপ ল'লে হতাশাত ভোগা মহিলাই

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২৮ ডিচেম্বৰ ঃ** চৰম হতাশা আৰু মানসিকভাৱে ভাগি পৰি এগৰাকী দুৰ্ভগীয়া মাতৃয়ে নিজৰ দুবছৰীয়া কণমানি পুত্ৰৰ স'তে নিজগৃহতে চিপ লৈ আত্মহত্যা কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে *১০ পৃষ্ঠাত চাওক*

■ অভয়াপুৰীৰ দুমদুমীয়া মেৰেৰচৰ সমবায় সমিতিত বিআইইঅ'ৰ অভিযান ঃ খবৰ পাই পলাতক সভাপতি-সম্পাদক ■ এজেণ্টসহ ১০ জনক তিনিদিনৰ ভিতৰত হাজিৰ হ'বলৈ জাননী


## সুলভ মূল্যৰ দুহেজাৰ কুইণ্টল চাউল জব্দ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাত অব্যাহত থকা সুলভ মূল্যৰ চাউলৰ ক'লা বেহাৰ বিৰুদ্ধে অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ অনুসন্ধান বিভাগ (বিআইইঅ')-এ এক গোপন খবৰৰ ভিত্তিত কালি চলোৱা এক অভিযানত জিলাখনৰ এটা সমবায় সমিতিৰ পৰা দুহেজাৰ কুইণ্টল চৰকাৰী চাউল জব্দ কৰিবলৈ সক্ষম হয়। অৰ্থনৈতিক অপৰাধ তদন্ত বিভাগৰ খাদ্য, অসামৰিক যোগান *১০ পৃষ্ঠাত চাওক*

■ বয়স্ক লোকক তৃতীয় প্ৰতিষেধকৰ বাবে নালাগে স্বাস্থ্য প্ৰমাণপত্ৰ
এক জানুৱাৰীৰ পৰা অনলাইনত পঞ্জীয়ন ■ তিনি জানুৱাৰীৰ পৰা প্ৰদান

## ১৫-১৮ বছৰৰ বাবে পৃথক প্ৰতিষেধক কেন্দ্ৰ স্থাপনৰ পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰৰ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** দেশত বৃদ্ধি পাইছে অ'মিক্ৰনৰ সংক্ৰমণ। দিল্লী আৰু মুম্বাইৰ দৰে আগশাৰীৰ মহানগৰীত ইয়াৰ সংক্ৰমণৰ হাৰ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে সংক্ৰমণ প্ৰতিৰোধৰ বাবে সতৰ্কতামূলক প্ৰতিষেধক প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই মৰ্মে আজি কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰে যে ৬০ বছৰ বা ততোধিক বৰ্ষৰ দুটা প্ৰতিষেধকযুক্তসকলে *১০ পৃষ্ঠাত চাওক*

**নিৰাপত্তা কৰ্তনৰ সন্দৰ্ভত শীঘ্ৰে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণৰ সম্ভাৱনা**


## মন্ত্ৰীয়ে পাব চাৰিজন নিৰাপত্তাৰক্ষী, সৰু হ'ব বিশাল কনভয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** বিজেপিৰ নেতা-পালিনেতাৰ দেহৰক্ষী বিচৰাৰ জোৱাৰে অস্বস্তিত পেলাইছে গৃহ বিভাগ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। ইয়াৰ পৰিপ্ৰেক্ষিতত দলৰ নেতাসকলক নিৰাপত্তাৰক্ষী প্ৰত্যাহাৰৰ আহ্বান জনোৱাৰ উপৰি এই সন্দৰ্ভত নীতি *১০ পৃষ্ঠাত চাওক*

**জীৱিকা নহৈও লিখি থকাটো আশাবাদৰেই উদাহৰণ ঃ ৰত্নোত্তমা**

■ প্ৰত্যাহ্বান সকলোতে আহে; কিন্তু আশা এৰি দিব নালাগে ঃ চন্দনা


## পঢ়ুৱৈৰ সংখ্যা কমিছে? প্ৰতি বছৰে পাঁচ শতাধিক অসমীয়া গ্ৰন্থ প্ৰকাশ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** গ্ৰন্থৰ বাবে কোনো নিৰ্দিষ্ট সময় নাই যদিও অসমত শীতৰ আগমনৰ লগে লগে বিভিন্ন প্ৰান্তত গ্ৰন্থমেলা অনুষ্ঠিত হয়। ফলত অসমত গ্ৰন্থৰ এক অলিখিত পৰিৱেশ গঢ় লৈ উঠে। গ্ৰন্থমেলাবোৰৰ কোনোবাখনত সন্তোষজনক বিক্ৰী হয়, ক'ৰবাত নহয়। বিক্ৰী সন্তোষজনক নহ'লেই অসমীয়া গ্ৰন্থৰ আদৰ হ্ৰাস পোৱা বুলি চৰ্চা আৰম্ভ হয়। চৰ্চা চলে অসমীয়া ভাষাৰ সংকটক লৈও। তাৰপাছতো অসমত অসমীয়া ভাষাৰ গ্ৰন্থ প্ৰকাশৰ গতি হ্ৰাস হোৱা নাই। সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সাধাৰণ সম্পাদক ধীৰাজ গোস্বামীয়ে এক পৰিসংখ্যা দাঙি ধৰি কয় যে অসমত প্ৰতি *১০ পৃষ্ঠাত চাওক*

■ ক'ভিডে ম্লান কৰা পৰিৱেশ উভতি অহাৰ আশা ■ ১২ দিনীয়া গ্ৰন্থমেলাৰ আজি উদ্বোধনী অনুষ্ঠানত অংশ ল'ব লীলাধৰ মাণ্ডলই

## ১০ বিদেশী গোষ্ঠীসহ ডেৰ শতাধিক প্ৰকাশকৰ যোগদানেৰে অসম গ্ৰন্থমেলা



**চান্দমাৰি খেলপথাৰত তৎপৰতা**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ প্ৰভাৱত ক্ষতিগ্ৰস্ত ৰাজ্যৰ গ্ৰন্থ উদ্যোগটোলৈ কিছু আশাৰ ৰেঙণি আৰু গ্ৰন্থপ্ৰেমীলৈ উছাহৰ বতৰা কঢ়িয়াই কাইলৈৰ পৰা চান্দমাৰি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব 'অসম গ্ৰন্থমেলা'। ১২ দিনীয়াকৈ *১০ পৃষ্ঠাত চাওক*

**ছইবৰ বাহিনীৰ গাঁওবুঢ়া নিযুক্তি কেলেংকাৰি**

## উপায়ুক্ত কাৰ্যালয়ৰ ১১ কৰ্মচাৰীক জেৰা তদাৰকীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** আগন্তুক নৱবৰ্ষই দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ কে'বাজনো বিধায়ক, প্ৰাক্তন বিধায়ক কিম্বা ৰাজনৈতিক নেতালৈ কঢ়িয়াই আনিব পাৰে বেয়া দিন। নিলম্বিত এচিএছ ছইবৰ ৰহমান বাহিনীৰ স'তে বিভিন্ন কেলেংকাৰিত নাম সাঙোৰ খাই পৰা বিধায়ক, প্ৰাক্তন বিধায়ক আৰু ৰাজনৈতিক নেতাক জেৰা কৰিবলৈ *১০ পৃষ্ঠাত চাওক*



*ভাৰতক জানক ঃ ত্ৰিপুৰাত অনুষ্ঠিত লোকনৃত্যানুষ্ঠানৰ এটি দৃশ্য।*

■ মন্ত্ৰী পাটোৱাৰীৰ ব্যাপক অনিয়ম ঃ অভিযুক্তক ৰক্ষণা-বেক্ষণ

## দক্ষতা বিকাশ অভিযানৰ নামত ছবছৰত ৪৮৭ কোটিৰ কেলেংকাৰি


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** অসমত দক্ষতা বিকাশৰ অভিযানৰ নামত শ শ কোটি টকাৰ অপব্যয় তথা কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আজি এক সংবাদমেলত আসাম পাব্লিক ৱৰ্কছ (এ পি ডব্লিউ) নামৰ সংগঠনটোৱে এই কেলেংকাৰিৰ বাবে বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক জগৰীয়া কৰে। সংগঠনটোৰ সভাপতি অভিজিত শৰ্মাই কয়, 'মন্ত্ৰী পাটোৱাৰীৰ হাততেই যোৱা ছবছৰে এই বিভাগটো আছে। ২০১৭-১৮ৰ পৰা *১০ পৃষ্ঠাত চাওক*

## তামুলপুৰত একেদিনাই দুটা মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৮ ডিচেম্বৰ ঃ** তামুলপুৰত আজি পৃথক স্থানত দুটাকৈ মৃতদেহ উদ্ধাৰ হয়। প্ৰথমটো মৃতদেহ উদ্ধাৰ হয় তামুলপুৰ আৰক্ষী *দুই পৃষ্ঠাত চাওক*


■ ২৪ কোটি ব্যয় কৰি ক্ৰয় কৰিলে দুখন অত্যাধুনিক প্ৰযুক্তিৰ 'মে-বেক এছ ৬৫০'

## মোদীৰ নিৰাপত্তাৰ দায়িত্বত বিশ্বস্ত 'গাৰ্ড', একে-৪৭ৰ গুলি, বিস্ফোৰণো প্ৰতিৰোধী



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** 'গাৰ্ড' ক্ৰয় কৰা হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবে। অৱশ্যে দেহৰক্ষী নহয়, বৰঞ্চ এই 'গাৰ্ড'ক ক'ব পাৰি 'ৰক্ষাকাৰী বৰ্ম' বুলি। এই বৰ্ম বা কবচ শৰীৰত পিন্ধিব নোৱাৰি, তাত উঠি বহিলেই যিকোনো ভয়াৱহ আক্ৰমণৰ পৰা ৰক্ষা পৰিব প্ৰধানমন্ত্ৰী। কিচকিচিয়া ক'লা অতি সুদৃশ্য তথা *১০ পৃষ্ঠাত চাওক*





| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২৫° | ১৩° |
| ডিব্ৰুগড় | ২৪° | ১০° |
| দিল্লী | ১৮° | ০৯° |
| কলকাতা | ২৭° | ১৭° |
| মুম্বাই | ২৮° | ২১° |
| চেন্নাই | ২৯° | ২৪° |
| বাংগালুৰু | ২৭° | ১৬° |
| শ্বিলং | ১৭° | ০৭° |

*২৮ ডিচেম্বৰ, ২০২১*

**চেঙা তেল**




*সেই ফালে পুঠি-খলিহনা ধৰ-পাকৰ চলি আছে, ইফালে আমাৰ বৌ-বৰালীও ঠিকেই চলি আছে!*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৯ ডিচেম্বৰ, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

## লাহৰীঘাট আৰক্ষীৰ জালত চাৰি চাইবাৰ অপৰাধী

**■ ১১৫ খন ছিমকাৰ্ড, ১০টা ম'বাইলকে ধৰি আধাৰ-পান কাৰ্ড জব্দ**



অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট/ভূৰাগাঁও, ২৮ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষীয়ে অভিযান চলাই চাইবাৰ ক্ৰাইমৰ লগত জড়িত চাৰিজনকৈ অপৰাধীক আজি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। চক্ৰটোৱে দীৰ্ঘদিন ধৰি কছাৰীবড়ী অঞ্চলত চাইবাৰ ক্ৰাইমৰ দৰে অনৈতিক কাৰ্য চলাই আহিছিল। লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিম উদ্দিন আহমেদৰ তৎপৰতাত চাইবাৰ ক্ৰাইমৰ চক্ৰটোৰ ছয় পৃষ্ঠাত চাওক

## বালিয়ে পুতি পেলোৱা শ শ বিঘা কৃষিভূমি প্ৰত্যক্ষ কৰি হা-হুমুনিয়াহ

# মথাউৰিতে শেষ আশ্ৰয় আই নৈৰ বান-খহনীয়াগ্ৰস্তৰ



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৮ ডিচেম্বৰ ঃ** বাৰিষাৰ সময়তে আই নৈৰ বান-খহনীয়াই বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম আৰু মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বহু গাঁৱৰ পৰিয়ালৰ ভেটি-মাটি উছন কৰাৰ পাছত মাহৰ পাছত মাহ ধৰি মথাউৰিতে আশ্ৰয় লৈ এক দুৰ্বিষহ জীৱন যাপন কৰিবলগীয়া হৈছে। নৈখনৰ বান আৰু খহনীয়াই উত্তৰ উভয়াপুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত হুৱামাৰা, বৃদ্ধবাসী, লালমাটি, বালাজানী, চেঁচাপানী, চক্ৰশিলা আদি অঞ্চলৰ ঘৰবাৰী খহনীয়াত জাহ যায়। তদুপৰি ৯০ শতাংশ লোকে কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়েই পৰিয়াল পোহপাল দিছিল যদিও অঞ্চলটোৰ শ শ বিঘা কৃষিভূমি বালিয়ে পুতি পেলায়। এসময়ত কৃষি কাৰ্যৰে টনকিয়াল জীৱন যাপন কৰা পৰিয়ালবোৰে কৃষি ভূমি বালিয়ে পুতি পেলোৱাত কৃষি কাৰ্য কৰাৰ পৰাও বঞ্চিত হয়। সৰ্বোচ্চ হেৰুৱাই পেলোৱা খিলঞ্জীয়া এই পৰিয়ালসমূহে মাহৰ পাছত মাহ ধৰি মথাউৰিত এখন সাধাৰণ তথা অস্থায়ী চালিৰ তলতেই কোনোৰকমে থিতাপি লৈ আহিছে। আনপিনে, ভেটিমাটি, ঘৰবাৰী, কৃষিভূমি নৈৰ বুকুত জাহ যোৱাত নৈৰ বুকুলৈ চাই হা-হুমুনিয়াহ কাঢ়িব লগা হৈছে। কৃষি কাৰ্যৰে সুন্দৰভাৱে পৰিয়াল পোহপাল দি অহা এইসকলৰ একাংশই আজি লোকৰ ঘৰত দিন হাজিৰাও কৰিব লগা হৈছে যদিও এই ক্ষেত্ৰত সঁহাৰি পোৱা নাই চৰকাৰৰ।

## গ্ৰামীণ জীৱিকা মিছনৰ অধীনত ডবকা মদাৰতলিত অসমী ভোগালী মেলা

**■ ৫০ টা আত্মসহায়ক গোটৰ ৩৩ খন বিপণীৰ যোগদান**



অগ্ৰদূত বাৰ্তা


**যমুনামুখ, ২৮ ডিচেম্বৰ ঃ** গ্ৰামাঞ্চলৰ মহিলাসকলক স্বাৱলম্বী কৰাৰ মানসেৰে চৰকাৰে আৰম্ভ কৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা মিছনৰ অধীনত হোজাইৰ ডবকাত আৰম্ভ হৈছে তিনিদিনীয়া অসমী ভোগালী মেলা। বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত চাংমাজী পঞ্চায়তৰ মদাৰতলিত আজি এই অসমী ভোগালী মেলাৰ আৰম্ভ কৰা হয়। বিন্নাকান্দি গ্ৰামীণ জীৱিকা মিছনৰ অধীনত আয়োজন কৰা অসমী ভোগালী মেলাত ৫০ টা আত্মসহায়ক গোটে অংশ লয়। এই মেলাত আত্মসহায়ক গোটৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে ৩৩ খন বিপণী মুকলি কৰা হয়। সেই উপলক্ষে আয়োজিত প্ৰথম দিনৰ কাৰ্যসূচী মতে ভোগালী মেলাৰ প্ৰৱেশদ্বাৰ মুকলি আৰু পতাকা উত্তোলন কৰে হোজাই জিলাৰ অতিৰিক্ত উপায়ুক্ত গকুল কুমাৰ ব্ৰহ্মই। তাৰ পাছত আত্মসহায়ক গোটৰ উৎপাদিত সামগ্ৰী বিক্ৰী আৰু মজুত কৰি ৰখাৰ বাবে এখন স্থায়ী বিপণী মুকলি কৰে বিন্নাকান্দি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া শেৱালি ছয় পৃষ্ঠাত চাওক

## ৩০ বছৰে বন্যহস্তীৰ উপদ্ৰৱত জুৰুলা শ শ পৰিয়াল ঃ আজিও নাপালে ক্ষতিপূৰণ



**আলোপতি, ২৮ ডিচেম্বৰ ঃ** হাতী-মানুহৰ সংঘাতে একপ্ৰকাৰ জুৰুলা কৰিছে গোৱালপাৰা জিলাৰ ভিন্ন প্ৰান্তৰ শ শ পৰিয়ালক। জিলাখনৰ অন্যান্য প্ৰান্তৰ লগতে পূব গোৱালপাৰা সমষ্টিৰ মাটিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত মাটিয়া, বাকাইটাৰীৰ উপৰি দুধনৈ সমষ্টিৰ কাণকাটা, ফৰেষ্ট কাণকাটা, জিয়াগুৰী, কাহিবাৰী, আল্লীবৰী, শিমলীতোলা, বৰবৰী আদি কৰি প্ৰায় অধিকাংশ গাঁৱতেই ধাৰাবাহিকভাৱে বছৰ বছৰ ধৰি বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে। মূলতঃ খাদ্যৰ সন্ধানত চুবুৰীয়া মেঘালয়ৰ লগতে নামনি অসমৰ বিভিন্ন জংঘলৰ পৰা শ শ বনৰীয়া হাতী ওলাই আহি উল্লেখিত অঞ্চলত বাহৰ পাতি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। স্থানীয় একাংশ লোকে জনোৱা মতে অক্টোবৰৰ পৰা ফেব্ৰুৱাৰীৰ শেষলৈকে অঞ্চলটোত অতিমাত্ৰা বৃদ্ধি পায় বনৰীয়া হাতীৰ উপদ্ৰৱ। এই সময়ছোৱাত পথাৰৰ ধান খেতি খাই বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে মানুহৰ ঘৰ-বাৰী ভাঙি তচনচ কৰি আতংকৰ সৃষ্টি কৰি আহিছে। স্থানীয় লোকে জনোৱা মতে প্ৰায় ৩০ বছৰ ধৰি শ শ বনৰীয়া হাতীয়ে জাক পাতি আহি উল্লেখিত অঞ্চলসমূহত উপদ্ৰৱ চলোৱাৰ উপৰি ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে




## প্ৰথম মহিলা মহাপৰিদৰ্শকৰূপে গৌৰৱান্বিত ভায়োলেট বৰুৱা

**হতাশাত ভুগি এসময়ত চাকৰি বাদ দিয়াৰো চিন্তা কৰিছিল বৰুৱাই**



বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৮ ডিচেম্বৰ ঃ** 'এগৰাকী মহিলা হিচাপে আজি মই বহু গৌৰৱান্বিত। জীৱনত বহু ঘাত-প্ৰতিঘাতক নেওচি আজি জীৱনত এই ফলাফল লাভ কৰিবলৈ সক্ষম হৈছো। এই কৃতিত্বৰ অধিকাৰী হৈছে ভগৱান, মোৰ সমাজ আৰু মোৰ পৰিয়াল।' এই মন্তব্য সদ্য পদোন্নতি প্ৰাপক অসমৰ প্ৰথমগৰাকী মহিলা আৰক্ষী মহাপৰিদৰ্শক ভায়োলেট বৰুৱাৰ। বিটিআৰৰ উপ-মহাপৰিদৰ্শকৰূপে ২০২০ৰ ফেব্ৰুৱাৰীত যোগদান কৰা বৰুৱাক কালি ৰাজ্যৰ গৃহ বিভাগে মহাপৰিদৰ্শক পদলৈ পদোন্নতি দিয়ে। অসমৰ প্ৰথমগৰাকী মহিলা মহাপৰিদৰ্শকৰূপে পদোন্নতি লাভ কৰি যথেষ্ট ছয় পৃষ্ঠাত চাওক

## প্ৰতিষ্ঠা দিৱসত কেএলঅ'ৰ অধ্যক্ষৰ ভিডিঅ' বাৰ্তা

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ২৮ ডিচেম্বৰ ঃ** আজি ২৮ ডিচেম্বৰ। আজিৰ দিনতেই গঠন হৈছিল কমতাপুৰ লিবাৰেছন অৰ্গেনাইজেছন চমুকৈ কেএলঅ' নামৰ উগ্ৰপন্থী সংগঠনটোৰ। সেইবাবে আজিৰ দিনটোত কেএলঅ'ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এক ভিডিঅ' বাৰ্তা সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰি কোচকমতাপুৰবাসীক শ্ৰদ্ধা আৰু বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰে কেএলঅ'ৰ অধ্যক্ষ জীৱন সিংহই। উক্ত বাৰ্তাতেই পৃথক কমতাপুৰ ৰাজ্য পুনৰ উদ্ধাৰৰ দাবীত গঠন হোৱা উগ্ৰপন্থী সংগঠন কেএলঅ'ৰ অধ্যক্ষ জীৱন সিংহই অজ্ঞাত স্থানৰ পৰা ভিডিঅ' বাৰ্তা প্ৰেৰণ কৰি কয় যে কোচকমতাপুৰী জনগণ চৰম অস্তিত্বৰ সংকটত ভুগি আছে। এতিয়া কোচকামতাপুৰী জনগণ সংখ্যালঘুত পৰিণত হৈছে। ১৯৭১ত বাংলাদেশী মূলীয় লোকক কমতাপুৰত সংস্থাপন দিয়াত এতিয়া কোচকমতাপুৰীৰ লোকসকল ভাষিক, অৰ্থনৈতিক, ৰাজনৈতিক সংকটত পৰিছে বুলি উল্লেখ কৰে সিংহই।

## নগাঁৱত ৰেলৰ চেপাত শিক্ষকৰ মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ২৮ ডিচেম্বৰ ঃ** যোৱা নিশা নগাঁও চহৰৰ নাতিদূৰৰ চকৰিগাঁৱৰ সমীপত ৰেলৰ চেপাত এজন শিক্ষকৰ মৃত্যু হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। গুৱাহাটীৰ পৰা শিলঘাটলৈ অহা শিলঘাট-গুৱাহাটী যাত্ৰীবাহী ৰেল গাড়ীখনে যোৱা নিশা প্ৰায় ৮-৩০ বজাত চকৰিগাঁৱৰ সমীপত শিক্ষকজনক চেপাৰ ফলত শিক্ষকজন থিতাতে নিহত হয়। শিক্ষকজনৰ ঘৰ বঢ়মপুৰৰ ভকতগাঁৱত। নিহত শিক্ষকজনৰ নাম ৰিদিপ শৰ্মা (৪৬)। শৰ্মা এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আছিল। কি পৰিস্থিতিত ছয় পৃষ্ঠাত চাওক

## লামডিঙত উচ্ছেদিতৰ শিশুৰ প্ৰতি উপায়ুক্তৰ বিশেষ নিৰ্দেশ

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৮ ডিচেম্বৰ ঃ** ভাৰত চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত সমগ্ৰ দেশব্যাপী অহা আঠ জানুৱাৰীৰ পৰা ১৪ জানুৱাৰীলৈ সপ্তাহজোৰা এক অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ জৰিয়তে শূন্যৰ পৰা ছবছৰীয়া শিশুসকলৰ স্বাস্থ্য নিৰীক্ষণৰ জৰিয়তে সুস্থ শিশু নিৰ্ধাৰণ কৰাৰ লগতে এখন প্ৰমাণপত্ৰ পোষণ অনলাইন এপৰ মাধ্যমত প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত উপায়ুক্ত অনুপম চৌধুৰীৰ অধ্যক্ষতাত সমাজ কল্যাণ বিভাগৰ মুখ্য সেৱিকাসকলৰ উপস্থিতিত শিশুসকলৰ স্বাস্থ্যজনিত যাৱতীয় তথ্য নিৰ্ধাৰিত অনলাইন এপত সন্নিৱিষ্টকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ আলোচনা সভা অনুষ্ঠিত হৈ যায়। সভাৰ আৰম্ভণিতে পাৱাৰ পইন্ট প্ৰেজেনটেছনৰ জৰিয়তে উপস্থিত মুখ্য সেৱিকাসকলক তথ্য সন্নিৱিষ্টকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত সম্যক জ্ঞান প্ৰদান কৰা হয়। সভাত উপায়ুক্তই লামডিং সংৰক্ষিত বনাঞ্চলৰ পৰা সদ্য উচ্ছেদিত লোকসকলে বৰ্তমান জানজু আৰু চাংমাজি অঞ্চলত অস্থায়ীভাৱে বাহৰ পাতি থকা লোকসকলৰ শিশুও যাতে এই প্ৰক্ৰিয়াৰ পৰা বাদ ছয় পৃষ্ঠাত চাওক

## দালাই লামাক ভাৰতত প্ৰৱেশত সহায় কৰা প্ৰাক্তন জোৱানৰ বিয়োগ

**■ সামৰিক মৰ্যাদাৰে অন্তিম বিদায়**

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৮ ডিচেম্বৰ ঃ** দেশৰ সুৰক্ষাৰ বাবে অঞ্চলত ভাৰত-চীন সীমান্তৰ দুৰ্গম টাৱাং ছেক্টৰত এগৰাকী অতন্দ্ৰ প্ৰহৰীৰূপে সেৱা আগবঢ়োৱা আৰু তিব্বতীয় ধৰ্মগুৰু চতুৰ্দশ দালাই লামাই চীনৰ চকুত ধূলি দি সুৰক্ষিতে অৰুণাচল প্ৰদেশেৰে ভাৰতত প্ৰৱেশ কৰাৰ সময়ত ধৰ্মগুৰুজনক সহায় কৰা অসম ৰাইফলছৰ অৱসৰপ্ৰাপ্ত জোৱান নৰেন চন্দ্ৰ দাস (৮৪)ৰ বিয়োগ ঘটিছে। এটা ঐতিহাসিক সময়ৰ সাক্ষী এইজন ব্যক্তিৰ আজি পুৱা ৫-৩০ বজাত বালিপৰা তথা চাৰিদুৱাৰ ৰাজহ চক্ৰৰ উদমাৰী গাঁওস্থিত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। দীৰ্ঘদিনৰে পৰা বাৰ্ধক্যজনিত আৰু জটিল ৰোগত আক্ৰান্ত হৈ আছিল দাস। কিছুদিন পূৰ্বে নিজা বাসগৃহতে উচ্চ ৰক্তচাপজনিত ষ্ট্ৰ'কত আক্ৰান্ত হোৱাত প্ৰাক্তন সৈনিকগৰাকীক ততাতৈয়াকৈ পৰিয়ালৰ লোকে তেজপুৰৰ টাইমছ নামৰ ব্যক্তিগত হাস্পতালখনত ভৰ্তি কৰাইছিল; কিন্তু দুদিন চিকিৎসালয়খনত থকা দাসৰ স্বাস্থ্যৰ ছয় পৃষ্ঠাত চাওক

## তেজপুৰত ২৪ ঘন্টাৰ ভিতৰত ভূমি খালী কৰাৰ নিৰ্দেশ ঃ চলিব উচ্ছেদ

**'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ পাছতে তৎপৰ প্ৰশাসন**



অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৮ ডিচেম্বৰ ঃ** তেজপুৰস্থিত বায়ুসেনাৰ ঘাটিৰ সমীপৰে ভূমিত প্ৰতিৰক্ষা আইন ভংগ কৰি শেহতীয়া এসপ্তাহৰ ভিতৰত নিৰ্মাণ হোৱা বাসগৃহসমূহ উচ্ছেদ কৰা হ'ব। আজি এই সন্দৰ্ভত মুঠ ২৯ জন পট্টাদাৰলৈ জাননী জাৰি কৰিছে শোণিতপুৰৰ চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়াই। আজিৰ পৰা ২৪ ঘন্টাৰ ভিতৰত অবৈধভাৱে নিৰ্মাণ কৰা বাসগৃহসমূহ তথা ইয়াত মজুত কৰা সা-সামগ্ৰীসমূহ আঁতৰোৱাৰ নিৰ্দেশ দিয়া হৈছে ২৯ জন পট্টাদাৰক। উল্লেখ্য যে তেজপুৰৰ বায়ুসেনা ঘাটিৰ চৌহদৰ পকী দেৱালৰ লগতে থকা বিশাল ভূমিত শেহতীয়াকৈ নিশাটোৰ ভিতৰতে একাংশ লোকে গৃহ নিৰ্মাণ আৰম্ভ কৰাৰ বিষয়ে ২৫ ডিচেম্বৰত 'দৈনিক ছয় পৃষ্ঠাত চাওক


## ■ টংলাত চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ অধিবেশনত উখল-মাখল পৰিৱেশ

# অসমক ভাল পালে অসমৰ প্ৰত্যেকটো জাতি-জনগোষ্ঠীক ভাল পাব লাগিব




অগ্ৰদূত বাৰ্তা

**টংলা, ২৮ ডিচেম্বৰ ঃ** অসমৰ চাহ জনগোষ্ঠীটো ৭৪ বছৰ পাছতো বহু প্ৰত্যাহ্বান নেওচি অসমত নিজকে চিনাকি দিবলৈ সক্ষম হৈছে। অসমত অসমীয়া একাংশ লোকে চাহ জনগোষ্ঠীটোক স্বীকৃতি দিছে যদিও ক'ৰবাত কিবা ৰৈ গৈছে। এই জনগোষ্ঠীটো অসমত প্ৰান্তীয় হৈ থকাৰ অনুধাৱন হয়। আমি অসমক ভাল পালে আমি সকলোৱে অসমৰ প্ৰত্যেকটো জাতি-জনগোষ্ঠীক ভাল পাব লাগিব। এই কথা আজি অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছা কেন্দ্ৰীয় সমিতিৰ ৭৪ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত সুশীল কৰ্মী ৰচিত গ্ৰন্থ 'অসম চাহ জনজাতি ছাত্ৰ সন্থা ইতিবৃত্তি' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰি ব্যক্ত কৰি কয়। ওদালগুৰি জিলাৰ অন্তৰ্গত শৈক্ষিক নগৰী টংলাৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত উক্ত অনুষ্ঠানতে উদ্‌যাপন সমিতিয়ে প্ৰকাশ কৰা স্মৃতি গ্ৰন্থ 'সমন্বয়'ৰ শুভ উন্মোচন কৰে অসম সাহিত্য সভাৰ সম্পাদক যাদব শৰ্মাই। লেখক সুশীল কুৰ্মীৰ অন্য এখন গ্ৰন্থ বিপ্লৱী মাংৰী ওৰাঙৰ ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত



# অগ্ৰাধিকাৰ দিব লগা বিষয় ঃ নিবনুৱাৰ সংস্থাপন তথা উপাৰ্জন

## আমাৰ প্ৰস্তাৱ ঃ মুখ্যমন্ত্ৰীয়ে ২০ দফীয়া যুৱক-যুৱতীৰ উপাৰ্জনৰ কৰ্মসূচী গ্ৰহণ কৰক



অদীপ কুমাৰ ফুকন

**অসমৰ** যুৱক-যুৱতীৰ সংস্থাপন তথা উপাৰ্জনৰ দিশটোত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিয়াৰ সময় হৈছে। ঔদ্যোগিক তথা কৃষি অৰ্থনীতিৰ বিকাশেৰে অসমৰ জাতীয় পুঁজি শক্তিশালী কৰিবলৈ হ'লে অসমত আভ্যন্তৰীণ বজাৰ ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়োজন হ'ব। বজাৰ ব্যৱস্থাটোক শক্তিশালী কৰিবলৈ হ'লে অসমৰ জনগণৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব লাগিব। ক্ৰয় ক্ষমতা বৃদ্ধি কৰিবলৈ হ'লে সংস্থাপন তথা উপাৰ্জন অপৰিহাৰ্য। কৰ্প'ৰেট গোষ্ঠী আৰু একচেটীয়া পুঁজিক কেন্দ্ৰীয় চৰকাৰে আজি বিধি প্ৰণয়ন কৰি হ'লেও পৃষ্ঠপোষকতা কৰাৰ ফলত আধুনিক প্ৰযুক্তিবিদ্যাৰ নামত আৰু মুক্ত বজাৰ অৰ্থনীতিৰ নামত নিবনুৱা সংস্থাপনৰ বিষয়টো এক গুৰুত্ব দিব নলগা বিষয় হিচাপে ৰাষ্ট্ৰই ধাৰণা দিবলৈ লৈছে। এনে ধাৰণাক প্ৰত্যাহ্বান জনোৱাৰ লগতে অনুৎপাদনশীল ক্ষেত্ৰৰ বিপৰীতে উৎপাদনশীল ক্ষেত্ৰত অসমৰ মানৱ সম্পদক ব্যৱহাৰ কৰাত চৰকাৰে গুৰুত্ব দিয়া উচিত। এক দীৰ্ঘসময় স্থবিৰ হৈ থকা অসমৰ নিয়োগৰ ক্ষেত্ৰখনক গতিশীল কৰাৰ স্বাৰ্থত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী দুয়োটা দৃষ্টিভংগী সন্মুখত লৈ আগবাঢ়িব লাগিব। ৰেল বিভাগ, তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, ভাৰতীয় তেল নিগম, ক'ল ইণ্ডিয়াৰ দৰে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ লগতে অন্যান্য বিত্তীয়-বাণিজ্যিক প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ৯০ শতাংশ পদত অসমৰ যুৱক-যুৱতীক সংস্থাপন দিয়াৰ বাবে বাধ্য কৰাৰ বাবে নীতি-নিৰ্দেশনা দিয়াৰ প্ৰয়োজন আছে।

জাতীয় পুঁজি গঠনৰ স্বাৰ্থ আগত লৈ জনমূৰি আয় বৃদ্ধিৰ বাবে সংস্থাপন তথা উপাৰ্জনক মুখ্য হিচাপে লৈ অসম চৰকাৰে কাৰ্যকৰী পৰিকল্পনা প্ৰস্তুত কৰাৰ সময় হৈছে। আমাৰ প্ৰস্তাৱ হ'ল, অসমৰ যুৱক-যুৱতীৰ উপাৰ্জনৰ পথটো মুকলি কৰাৰ বাবে 'মুখ্যমন্ত্ৰীৰ ২০ দফীয়া যুৱক-যুৱতীৰ উপাৰ্জনৰ কাৰ্যসূচী' গ্ৰহণ কৰক। ২০ লাখ যুৱক-যুৱতীৰ উপাৰ্জনৰ পথ মুকলি কৰাৰ বাবে এক পঞ্চবাৰ্ষিক কৰ্মসূচী গ্ৰহণ কৰিব লাগে।

**শ্বেত বিপ্লৱ ঃ** গাখীৰ আৰু গাখীৰৰ পৰা উৎপাদিত সামগ্ৰীসমূহৰ বাবে উদ্যোগ গঢ়ি তোলালৈকে গোটেই প্ৰক্ৰিয়াটোক সাঙুৰি এক 'শ্বেত বিপ্লৱ'ৰ সূচনা কৰা হওক। 'শ্বেত বিপ্লৱ'ৰ কাৰ্যসূচীৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন আৰু শিক্ষিত, অৰ্ধশিক্ষিত আৰু অশিক্ষিত নিবনুৱাৰ এক বৃহৎ সংখ্যকক উপাৰ্জনৰ পথ দিব পৰা যাব। গো-পালন, সংগ্ৰহ, বিক্ৰী, প্ৰজনন, খাদ্য, চিকিৎসা, শীতলীকৰণ কেন্দ্ৰ, দুগ্ধ সামগ্ৰী উৎপাদন, গৰুৰ দানা উৎপাদন, ঘাঁহ খেতি আৰু গাখীৰ ৰপ্তানিকে লৈ 'শ্বেত বিপ্লৱ'ৰ কাৰ্যসূচীৰ জৰিয়তে কমেও পাঁচ লাখ লোকৰ সংস্থাপন তথা উপাৰ্জনৰ লক্ষ্য স্থিৰ কৰিব পৰা যায়।

**ঘৰে ঘৰে কণী ঃ** অসমকে লৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে দৈনিক কমেও এক কোটি কণীৰ প্ৰয়োজন। অসমত কণীৰ চাহিদাৰ মাত্ৰ ৩০ শতাংশহে স্থানীয়ভাৱে উৎপাদন কৰা হয়। পাঁচ হেজাৰ গাঁৱক জড়িত কৰি ৬০ লাখ দৈনিক কণী উৎপাদনৰ আঁচনি হ'ল 'ঘৰে ঘৰে কণী'। কেৱল কণী উৎপাদনৰ ক্ষেত্ৰখনতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নতুনকৈ চাৰি লাখ লোকৰ উপাৰ্জনৰ পথ মুকলি কৰিব পৰা যায়।

**ঘৰৰ পৰা বজাৰলৈ হাঁহ-কুকুৰা ঃ** হাঁহ-কুকুৰাৰ মাংসৰ অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত এখন বহল বজাৰ আছে। ৰাজ্যৰ বাহিৰৰ ব্যৱসায়ীৰ দখলত থকা এই বজাৰখন অসমৰ ব্যৱসায়ীৰ হাতলৈ অনাৰ লক্ষ্য স্থিৰ কৰিব লাগে। হাঁহ-কুকুৰা উৎপাদন আৰু আধুনিক বিজ্ঞানসন্মত বজাৰ সৃষ্টিকে লৈ তিনি লাখ লোকৰ উপাৰ্জনৰ পথ মুকলি কৰাৰ কাৰ্যসূচী স্থিৰ কৰিব লাগে।

**দক্ষিণ-পূব এছিয়ালৈ অসমৰ গাহৰি ঃ** অসমৰ ভৌগোলিক অৱস্থান আৰু জলবায়ু গাহৰি পালনৰ বাবে অতি উৎকৃষ্ট। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চল আৰু দক্ষিণ-পূব এছিয়াবাসীৰ মাজত গাহৰিৰ মাংস অতি প্ৰিয় খাদ্য। শিক্ষিত নিবনুৱাক গাহৰি পালনৰ প্ৰতি আকৃষ্ট কৰিব পাৰিলে সংস্থাপনৰ এখন বহল ক্ষেত্ৰ পোৱা যাব, লগতে ৰাজ্যত অৰ্থনীতিলৈও শক্তিশালী বৰঙণি আহিব। গাহৰি পালন, খাদ্য প্ৰস্তুতি, গাহৰি মাংসৰ বাবে স্থানীয় বজাৰৰ লগতে ৰপ্তানি কৰালৈকে এখন বাণিজ্যিক আঁচনি কৰি কমেও দুই লাখ লোকৰ উপাৰ্জনৰ পথ পোৱা যাব।

**বাৰীয়ে বাৰীয়ে ছাগলী ঃ** বিজ্ঞানসন্মত ছালী পালন এক লাভজনক ব্যৱসায়। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰ আৰু সামৰিক বাহিনীক যোগান ধৰিব পৰাকৈ আঁচনি কাৰ্যকৰি কৰিলে দুই লাখ লোকৰ উপাৰ্জনৰ লক্ষ্য স্থিৰ কৰিব পৰা যাব।

**ঘৰে ঘৰে পুখুৰী ঃ** অসমৰ ৯০ শতাংশ লোক মৎস্যভোজী। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰয়োজনীয় মাছ উৎপাদনৰ লক্ষ্য ৰাখি অসমৰ ঘৰে ঘৰে পুখুৰী আঁচনি গ্ৰহণ কৰিব পৰা যায়। পুঁজি বহিঃগমন বন্ধ কৰাৰ লক্ষ্য স্থিৰ কৰি ইতিমধ্যে এই মীন উদ্যোগৰ লগত জড়িত থকাসকলৰ আৰ্থিক উন্নতিৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হওক। ঘৰে ঘৰে পুখুৰী আঁচনিৰ দ্বাৰা কমেও তিনি লাখ লোকক নতুনকৈ উপাৰ্জনৰ সুযোগ দিব পৰা যায়।

**বিশ্বৰ বজাৰলৈ গ্ৰীণ টী ঃ** বিশ্ববাসীৰ মাজত স্বাস্থ্যজনিত কাৰণত বৰ্তমান 'গ্ৰীণ টী'য়ে গুৰুত্ব লাভ কৰিবলৈ আৰম্ভ কৰিছে। সৌন্দৰ্যৰ ক্ষেত্ৰখনতো 'গ্ৰীণ টী'ৰ অৱিহণা বহুত। বিশ্ব বজাৰ দখলৰ লক্ষ্য স্থিৰ কৰি অসমত উৎকৃষ্ট আৰু মানসন্মত গ্ৰীণ টী উৎপাদনৰ কাৰ্যসূচী গ্ৰহণ কৰি লক্ষাধিক যুৱক-যুৱতীক সহায় আগবঢ়াব পৰা যাব।

**বিশ্ববাসীলৈ অসমৰ বনৌষধ ঃ** বনৌষধি আৰু সুগন্ধি উদ্ভিদক কেন্দ্ৰ কৰি সুকীয়া অৰ্থনৈতিক পথ মুকলি কৰিব পৰা যায়। ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰাৰ লগতে যুৱক-যুৱতীৰ উপাৰ্জনৰ বাবে এক আন্তৰ্জাতিক বজাৰৰ দুৱাৰ মুকলি কৰাৰ লক্ষ্য স্থিৰ কৰিব লাগে।

**বিশ্বৰ বজাৰলৈ অসমৰ কৃষি ঃ** দেশৰ লগতে বিশ্বৰ বজাৰত খোজ দিয়াৰ লক্ষ্যৰে নেমুটেঙা, আদা, হালধি, জালুক, ভোট জলকীয়া, অমিতা, কল, আনাৰস, ক'লা চাউল, জহা চাউল, কোমল চাউল, মাকৈ, মাটি কঁঠাল উৎপাদনৰ আঁচনি গ্ৰহণ কৰা হওক। মাটিৰ চৰিত্ৰৰ ওপৰত ভিত্তি কৰি প্ৰতিটো বিষয়ত ১০ খনকৈ গাঁৱক নিৰ্দিষ্ট কৰি প্ৰথম পৰ্যায়ত কমেও ১৫০ খন গাঁৱৰ গঞাক উপাৰ্জনৰ পথ দিব পৰা যাব।

**যুৱক-যুৱতীৰ বাবে তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰ ঃ** কল চেন্টাৰ, বিপিঅ' (Business Process Outsoursing), কেপিঅ', (Knowledge Process Outsoursing), এলপিঅ' (Legal Process Outsoursing) প্ৰতিখন মুকলি কৰি তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত শিক্ষিত যুৱক-যুৱতীক সংস্থাপনৰ পথ দিব পৰা যাব। ইলেক্ট্ৰ'নিক সামগ্ৰী উৎপাদনৰ বজাৰখনত অসমে ভৰি দিলে যথেষ্ট সংখ্যকৰ সংস্থাপন আৰু উপাৰ্জনৰ পথ মুকলি হ'ব।

**সমগ্ৰ বিশ্বত অসমৰ নাৰ্ছ ঃ** সমগ্ৰ বিশ্বত বৰ্তমান নাৰ্ছৰ সংখ্যা অতি কম। দেশৰ বাহিৰে-ভিতৰে কাম কৰিব পৰাকৈ অসমৰ যুৱতীক পূৰ্ণ পৰ্যায়ৰ শিক্ষা আৰু প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিলে ৰাজ্যৰ যুৱতীসকলৰ বাবে সংস্থাপনৰ এক বৃহৎ ক্ষেত্ৰ মুকলি হ'ব।

**ড্ৰাইভাৰ প্ৰশিক্ষণ ঃ** দেশৰ ভিতৰে-বাহিৰে যিকোনো স্থানত যিকোনো গাড়ী চলাব পৰাকৈ প্ৰশিক্ষণ দিয়াৰ বাবে প্ৰতিখন জিলাত একোটাকৈ পূৰ্ণ পৰ্যায়ৰ প্ৰশিক্ষণ চেন্টাৰ মুকলি কৰা হওক। চৰকাৰী স্বীকৃত প্ৰতিষ্ঠানৰ পৰা প্ৰমাণপত্ৰ পালে যুৱক-যুৱতীসকলৰ সংস্থাপনৰ পথ সহজ হ'ব।

**গৃহৰক্ষী প্ৰশিক্ষণ ঃ** আধুনিক প্ৰযুক্তিগত দিশসমূহৰ লগতে সেনা-আৰক্ষীৰ ভাষাবিদৰ সহযোগত প্ৰতিখন জিলাত গৃহৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হওক। প্ৰশিক্ষণ কেন্দ্ৰসমূহত চৰকাৰৰ দ্বাৰা স্বীকৃত প্ৰমাণপত্ৰ লাভ কৰাৰ ব্যৱস্থা থাকিলে লক্ষাধিক যুৱকৰ কৰ্মসংস্থাপনৰ পথ মুকলি হ'ব।

**যুৱকৰ বনাঞ্চল ঃ** অসমৰ পৰিৱেশৰ প্ৰতি গুৰুত্ব দি ব্যক্তিগতভাৱে বা সমবায় ভিত্তিত ক্ষুদ্ৰ বনাঞ্চল গঢ়ি তোলাৰ বাবে কৰ্ম আঁচনি প্ৰস্তুত কৰা হওক। বীজ ৰোপণ আৰু প্ৰতিপালক হিচাপে 'বনাঞ্চল বন্ধু' বাহিনী গঠন কৰি বৃহৎ সংখ্যকৰ সংস্থাপনৰ পথ মুকলি হ'ব আৰু পৰিৱেশ ৰক্ষাৰ সংগ্ৰাম আগবাঢ়িব।

**বীজ উৎপাদনত যুৱশক্তি ঃ** ৰাজ্যৰ কৃষি বিভাগৰ অধীনত থকা বীজ নিগমৰ ফাৰ্মসমূহৰ লগতে অন্যান্য ভূমিত স্থানীয় যুৱক-যুৱতীৰ দ্বাৰা বীজ প্ৰস্তুত কৰাৰ দায়িত্ব দিয়া হওক। ফলত বীজ ক্ৰয়ৰ বাবে পুঁজিৰ বহিঃগমন হ্ৰাস পাব আৰু বৃহৎ সংখ্যকৰ উপাৰ্জনৰ পথ মুকলি হ'ব।

**স্থানীয় বজাৰ ব্যৱহাৰ ঃ** চাহ বাগিচা আৰু চাহ কোম্পানীসমূহৰ লগতে উত্তৰ-পূব সীমান্ত ৰেলৱে, সেনাবাহিনী, বায়ু সেনাবাহিনী, সীমান্ত সুৰক্ষা বাহিনী, সীমান্ত পথ সংস্থা, সেনাবাহিনীৰ কেন্টিন আদিৰ প্ৰয়োজনীয় সামগ্ৰী ৰাজ্যৰ ভিতৰতে ক্ৰয় কৰাৰ ব্যৱস্থা কৰা হওক। এনে ব্যৱস্থা কৰিলে পুঁজিৰ বহিঃগমন বন্ধ হ'ব আৰু বৃহৎ সংখ্যক উপাৰ্জনৰ পথ মুকলি হ'ব।

**আমাৰ পৰিচয় হস্ততাঁত-বস্ত্ৰ উদ্যোগ ঃ** অসমৰ কৃষিৰ পাছতেই অধিক সংস্থাপন আৰু উপাৰ্জন কৰিব পৰা গ্ৰাম্য উদ্যোগটো হ'ল হস্ততাঁত আৰু বস্ত্ৰ উদ্যোগ। অসমত বস্ত্ৰ উদ্যোগ আগুৱাই নিয়াৰ বাবে এক বস্ত্ৰ নীতি গ্ৰহণ কৰা হওক। গামোচাৰ লগতে অসমৰ জনগোষ্ঠীসমূহৰ নিজস্ব পৰিচয় স্বৰূপ বস্ত্ৰসমূহ অসমৰ হস্ততাঁত উদ্যোগৰ দ্বাৰাহে প্ৰস্তুত কৰিব আৰু বিক্ৰী কৰিব পৰা নিয়ম নিৰ্ধাৰণ কৰা হওক। দেশৰ সৰ্বাধিক অসমত উৎপাদন হোৱা মুগা আৰু এৰীক বিশ্বৰ বজাৰলৈ নিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰা হওক। বৰ্তমানে থকা শিপিনীসকলক অধিক প্ৰশিক্ষণ দি শিপিনীৰ সংখ্যা ৫০ লাখ কৰাৰ আঁচনি কৰা হওক।

**অসমৰ কাৰ্যালয় অসমত হওক ঃ** এক বৃহৎ সংখ্যক শিক্ষত নিবনুৱাৰ সংস্থাপনৰ পথ মুকলি কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনত তথা ৰাজহুৱা খণ্ডৰ লগতে ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুখ্য কাৰ্যালয় অসমত স্থাপন কৰা হওক। চাহ ব'ৰ্ডৰ মুখ্য কাৰ্যালয়, চাহ কোম্পানীসমূহৰ পঞ্জীয়ন তথা প্ৰশাসনিক কাৰ্যালয়, হিন্দুস্তান সাৰ নিগমৰ মুখ্য কাৰ্যালয়, জীৱন বীমা নিগমৰ মাণ্ডলিক কাৰ্যালয়, বেংকসমূহৰ আঞ্চলিক তথা মাণ্ডলিক কাৰ্যালয়, সাধাৰণ বীমা নিগমৰ মাণ্ডলিক কাৰ্যালয় আদি অসমত ব্যৱসায় চলা প্ৰতিটো প্ৰতিষ্ঠানৰ মুখ্য কাৰ্যালয়সমূহ অসমত স্থাপন কৰা হওক। সংস্থাপনৰ এখন বহল ক্ষেত্ৰ মুকলি হ'ব।

**সীমান্ত বাণিজ্যত যুৱশক্তি ঃ** অসমৰ ওচৰত থকা বাংলাদেশ, ম্যানমাৰ, চীনৰ লগত বাণিজ্যিক লেনদেনৰ পথ মুকলি কৰিব লাগে। ম্যানমাৰ, চীন, মালয়েছিয়া, থাইলেণ্ড, ফিলিপাইনছ, কম্বোডিয়া, ইণ্ডোনেছিয়াৰ লগতে পূব আৰু দক্ষিণ-পূব এছিয়াৰ অন্যান্য দেশবোৰৰ লগত বিশেষ বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলা যাওক। দক্ষিণ-পূব এছিয়াৰ ভিতৰত অসমক অন্যতম বাণিজ্যিক কেন্দ্ৰ কৰিব পাৰিলে সংস্থাপন আৰু উপাৰ্জনৰ নতুন নতুন পথ মুকলি হ'ব।

**উপাৰ্জনৰ পথ পৰ্যটন ক্ষেত্ৰ ঃ** ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰাৰ লগতে সংস্থাপন আৰু উপাৰ্জনৰ স্বাৰ্থত পৰ্যটন ক্ষেত্ৰক অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিয়া হওক। অসমৰ পৰ্যটন ক্ষেত্ৰক লৈ এক সম্পূৰ্ণ আঁচনি প্ৰস্তুত কৰা হওক। এই ক্ষেত্ৰৰ জৰিয়তে সকলো স্তৰৰ লোকৰ বাবে উপাৰ্জনৰ পথ মুকলি কৰিব পৰা যাব।

আলোচ্য ২০টা ক্ষেত্ৰক লৈ মুখ্যমন্ত্ৰীয়ে বিশেষভাৱে গুৰুত্ব দি কৰ্ম আঁচনি প্ৰস্তুত কৰিব পাৰিলে নিবনুৱা সমস্যা সমাধানৰ পথ মুকলি হ'ব। সমান্তৰালভাৱে জনমূৰি আয় বৃদ্ধি হ'ব আৰু ৰাজকোষ শক্তিশালী হ'ব।

*ফোন ঃ ৯৭০০২৪৬১২*



গ্ৰন্থমেলাৰ বাকৰিত কিতাপৰ কানন দেখি শিক্ষিত কিয় অশিক্ষিতজনৰো হৃদয় হয় আলোড়িত। গ্ৰন্থপ্ৰেমীৰ আৱেগ-উচ্ছ্বাস জাগি উঠে অৱধাৰিতভাৱে। সুন্দৰভাৱে ফুলি থকা ফুল এপাহ দেখি ছিঙি আনি শুঙি চোৱাৰ হেঁপাহ মানুহে স্মৰণ কৰিব নোৱাৰাৰ দৰে কিতাপৰ সমাহাৰ দেখি তাৰ মাজৰ পৰা দুই-চাৰিখন মন পছন্দৰ কিতাপ বুটলি লোৱা আৰু ভাল পোৱা লেখকৰ কিতাপবোৰ খুলি-মেলি চোৱাৰ হেঁপাহ কোনেও মনতে সামৰি থ'ব নোৱাৰে। নোৱাৰে বাবেই গ্ৰন্থমেলালৈ মানুহ যায়, গ্ৰন্থ বাচি-বিচাৰি লয় আৰু ঘৰমূৱা হয়।

# গ্ৰন্থমেলাৰ বাকৰিত কিতাপৰ কুসুম কানন

জয়কান্ত শৰ্মা (কনিষ্ঠ)

**বৃক্ষ**-গুল্ম, তৰু-তৃণ আদিত ফুল-ফলৰ সমাহৰ অতি সন্মোহন, শৃংখলা বিতোপন। হয় যদি পৰিষ্কাৰ, মনোমোহা আৰু জাতিষ্কাৰ। সেয়াইতো বাগিচা। তাকেই কোৱা হয় কানন। সেই কাননৰ চাৰিওদিশত কোমল কুঁহিপাতৰ সেউজীয়া ৰঙীণ সপোন। তেনেহেন পুষ্প কানন এখনত সোমাই ফুলৰ মিঠা সুবাস নোলোৱাকৈ কোন অনুভৱী পুৰুষে উদাস মনে ওলাই আঁতৰি যাব পাৰে বাৰু? নোৱাৰে। নোৱাৰাৰ কথাই। নানাৰঙী পুষ্পৰ লাহি-মিহি-কোমল পাপৰিয়ে মানুহ মাত্ৰকে হাত বাউলি মাতে। সুৱাসিত কুসুম কাননে হালি-জালি হেন্দোলি মৌমাখি, ভোমোৰা আৰু পখিলাজাকক কৰে আকৰ্ষিত।

গ্ৰন্থমেলাৰ বাকৰিত কিতাপৰ কানন দেখি শিক্ষিত কিয় অশিক্ষিতজনৰো হৃদয় হয় আলোড়িত। গ্ৰন্থপ্ৰেমীৰ আৱেগ-উচ্ছ্বাস জাগি উঠে অৱধাৰিতভাৱে। সুন্দৰভাৱে ফুলি থকা ফুল এপাহ দেখি ছিঙি আনি শুঙি চোৱাৰ হেঁপাহ মানুহে স্মৰণ কৰিব নোৱাৰাৰ দৰে কিতাপৰ সমাহাৰ দেখি তাৰ মাজৰ পৰা দুই-চাৰিখন মন পছন্দৰ কিতাপ বুটলি লোৱা আৰু ভাল পোৱা লেখকৰ কিতাপবোৰ খুলি-মেলি চোৱাৰ হেঁপাহ কোনেও মনতে সামৰি থ'ব নোৱাৰে। নোৱাৰে বাবেই গন্থমেলালৈ মানুহ যায়, গ্ৰন্থ বাচি-বিচাৰি লয় আৰু ঘৰমূৱা হয়।

প্ৰকৃত পাঠকৰ বাবে কিতাপ পঢ়াৰ আনন্দই বেলেগ। কিতাপ পঢ়াৰ আনন্দ আন বিষয়ত পোৱা আনন্দৰ মাজত আছে আকাশ-পাতাল তফাৎ। বকুল ফুলৰ দৰে মৃদু সুৱাস বিয়পোৱা নতুন কিতাপৰ পাতত মনোৰম শব্দই সৃষ্টি কৰা ৰহঘৰা আন কতো বিচাৰি পোৱা নাযায়। আন কোনো মিঠা সোৱাদৰ লগত তুলনা নহয়। সজাই পৰাই বাক্যত ব্যৱহাৰ কৰা শব্দৰ শক্তি অপৰিসীম। প্ৰাণৱন্ত শব্দৰ মোহত পৰি প্ৰাণ চঞ্চল কবিয়ে কবিতা ৰচে পাহাৰ-পৰ্বত, নদী-নিজৰা হাবি-বন একাকাৰ কৰি। তাৰ পৰাই বিষয় বাছনি কৰি কাব্য ৰচনা কৰে নানা ৰঙী শব্দেৰে। গল্পকাৰ, প্ৰৱন্ধকাৰ, উপন্যাসিক কিম্বা দাৰ্শনিক সকলোৱে কলা আখৰেৰে গঢ়া শব্দৰ মোহত পৰি কলম চলাই বছৰ বছৰ ধৰি। বহুতে কাপ চলায়ে জীৱন ব্যতিত কৰে শব্দৰ লগত খেলা কৰে।

যিয়ে যিমান নকওক, যুক্তি দাঙি নধৰক শিক্ষা জ্ঞানাৰ্জনৰ সৰ্বোত্তম আহিলাৰূপে গ্ৰন্থৰ স্থান সদায় আগত। সভ্যতা-সংস্কৃতি, আৰ্থ-সামাজিক স্থিতি ধৰি ৰখৰ আহিলা স্বৰূপেও কিতাপৰ স্থান সদায় ওপৰত। মানুহৰ শিক্ষা জ্ঞান, ৰুচিবোধ আৰু বয়স অনুপাতে পঢ়া পুথিৰ নিৰ্বাচন হয় ভিন ভিন, বিষয়বস্তু হয় ভিন্ন প্ৰকাৰৰ আৰু লেখক বা প্ৰণেতাও হ'ব পাৰে বিভিন্ন ব্যক্তিত্বসম্পন্ন। বিশ্ব-প্ৰকৃতিৰ ৰহস্য উদ্‌ঘাটন, জনা আৰু বুজাৰ বাবে মনত ওপজা কৌতূহল আৰু জীৱন-জিজ্ঞাসাই মানুহক চিৰকাল তাগিদা দি আহিছে। মানুহৰ মুখৰ ভাষা আৰু শিল্পীয়ে নিজ নিজ ৰূপ লোৱাৰ দিন ধৰি তাৰ প্ৰকাশ, বিকাশ-বিৱৰ্তন আৰু লিপিবদ্ধ ৰূপ দিয়া হাবিয়াসৰ অন্ত নাই। অন্ত নাই গ্ৰন্থ ৰচনা কৰাৰ। প্ৰাচীন মানৱৰ সভ্যতা-সংস্কৃতিৰ কিতাপেই ভেটি। মানৱ মনৰ ওপৰত গ্ৰন্থৰ ৰাজত্ব আৰম্ভ হৈছিল বেদ-উপনিষদ বা আন তেনে পুথি ৰচনাৰ পূৰ্বৰ পৰাই শ্ৰুতিৰূপে।

গ্ৰন্থই আজিও ৰাজত্ব কৰি আছে বিশ্বখন। সাধাৰণতে আমি ভাবি লওঁ যে নানা দেশত নানাজন ৰাজনৈতিক নেতা, ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, ৰজা, ৰাজগুৰু আদিয়ে ৰাজকাৰ্য চলাই আছে। চাব গ'লে কথাবোৰ আপেক্ষিকভাৱে সম্পূৰ্ণ সঁচা নহয়। দেশ চলে লিখিত বা অলিখিত সংবিধানৰ দ্বাৰাহে। আৰু বহুত দেশ চলে ধৰ্মীয় গ্ৰন্থ বা নীতি শাস্ত্ৰেৰে। চলে ৰাষ্ট্ৰ নেতাৰ নীতি-আদৰ্শ, জীৱন-দৰ্শন আৰু ধৰ্মীয় পৰম্পৰাগত তেওঁৰ থকা আস্থা-বিশ্বাসৰ ওপৰত ভিত্তি কৰিহে। দেশৰ আইন-কানুনৰ ওপৰত ধৰ্মগ্ৰন্থৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। জ্যোতিষ শাস্ত্ৰইও তাত কিছু পৰিমাণে প্ৰভাৱ নেপেলোৱা নহয়— পেলায়। ভাৰতীয় শাসন ব্যৱস্থাত গীতা, ৰামায়ণ-মহাভাৰত আদিৰ প্ৰভাৱো বৰ কম নহয় কিন্তু। মুছলমান ৰাষ্ট্ৰ কিছুমানত শ্বৰিয়তৰ শাসন চলাৰ কথা ক'বই নালাগে।

এখন ভাল কিতাপ পঢ়া মানে জানিব লাগিব এজন মহান ব্যক্তিৰ লগত ভাল সম্পৰ্ক স্থাপন কৰা। আমি সেই লেখকজনৰ জীৱন, দৰ্শন, নীতি-আদৰ্শ আৰু জ্ঞান ভাণ্ডাৰত প্ৰৱেশ কৰাই অকল নহয় তেওঁৰ সময় আৰু সমাজখনতো প্ৰৱেশ কৰাৰ দৰেই কথা হয়। সমসাময়িক সমাজখনৰ আৰ্থ-সামাজিক অৱস্থা, কলা-সংস্কৃতি সাহিত্য-শিল্পকলা আদিৰ বিষয়ে বিস্তৃতভাৱে জানি জীৱনৰ প্ৰতি আমাৰ আকৰ্ষণ বাঢ়ি যায়। জীৱনক আৱিষ্কাৰ কৰাত সহজ হয়।

কোনো এখন ভাল গ্ৰন্থই সমাজৰ লগতে মানুহৰ সঁচা ছবি এখন আমাৰ দৃষ্টিৰ সন্মুখত দাঙি ধৰাত কৃতকাৰ্য হ'ব পাৰে। লেখক এজনৰ প্ৰকাশভংগী, সমাজক চিত্ৰিত কৰা দক্ষতা আৰু ভাষাটোৰ ওপৰত থকা তেওঁৰ দখল আদি কথাও আহি পৰে গ্ৰন্থখনৰ গুণাগুণ বিচাৰ কৰাৰ ক্ষেত্ৰত।

নিশ্চিতভাৱে ক'ব পাৰি যে প্ৰতিজন মানুহৰ কিবা নহয় কিবা ক'বলগীয়া থাকে। সাম্প্ৰতিক সমাজখনক বা তাৰ এটা চামক বহুত কথা জনাবলগীয়া থাকে। মনৰ মাজত বন্ধ কাৰাগাৰত আবদ্ধ হৈ থকাৰ দৰে ভাব-আদৰ্শ, চিন্তা-কল্পনা, দীক্ষা-দৰ্শন আদিয়ে প্ৰকাশৰ দুৱাৰ বিচাৰি ফুৰে। চিন্তাৰ পৰিধি ভেদ কৰি কল্পনা ৰাজ্যত বিচৰণ কৰা কথা কিছুমানো কাৰোবাক জনোৱাৰ হেঁপাহ অৱশ্যে থাকে কবি-সাহিত্যিক ধৰণৰ লোকবোৰৰ।

আনহাতে মনৰ মাজত থূপ খাই থকা আশা-আকাংক্ষা, স্তূপীকৃত হৈ থকা খং-ক্ষোভ, হৰ্ষ-বিষাদ, ঈৰ্ষা-হিংসা ইত্যাদি প্ৰকাশ কৰি মনৰ বোজা পাতল কৰা কিতাপো বৰ কম নহয়। জীৱনৰ সৰহভাগ সময় ক'লা আখৰৰ চিনাকি-অচিনাকি শব্দৰ লগত যুঁজ-বাগৰ কৰা নতুবা তেনে শব্দৰ লগত খেলা কৰি জীৱন নিপাত কৰা লেখকো কম নহয়।

অৱধাৰিতভাৱে নিজৰ মনৰ লগত যুদ্ধ কৰা লোকৰ গুৰুত্ব আছে। নিজৰ লগত যুঁজ কৰি ৰখা কাম-কৰ্তব্যৰ মূল্য আছে। মনক লেকাম লগাব পৰা বিবেকৱান মানুহৰ সৃষ্টিশীল কৰ্মৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ থাকে যদি সেই কাম মৌলিক হয়। শিল্প-সাহিত্য, বিজ্ঞান-দৰ্শন আদি কৰ্মৰে মানুহ মৰিও অমৰ হয়। সময় বালিত সবল ভৰিৰ দৃঢ় খোজ পেলাই থৈ যাব পাৰে তেওঁৰ গভীৰ চিন্তা-চৰ্চা আৰু কল্যাণকাৰী কৰ্মেৰে। লেখক এজন কীৰ্তিমান হ'ব পাৰে সৎ সাহস, মহৎ ত্যাগ আৰু বুদ্ধিদীপ্ততাৰে।

নিঃসন্দেহে আন দহজনৰ হিতৰ কাৰণে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰা লোক এইখন পৃথিৱীত অনেক আছে। চকুৰ পানী আৰু বুকুৰ তেজেৰে লিখা কৰুণ জীৱন গাথাও বহুত আছে।

আন এটা দিশলৈ আহি ক'ব পাৰি যে 'পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা।' সত্যনাথ বৰাই এই কথাশাৰীৰ তাৎপৰ্য বুজা লোকে কিতাপৰ পাতত লিপিবদ্ধ হৈ থকা মহান লেখকৰ শিক্ষা-দৰ্শন, জ্ঞান-প্ৰজ্ঞা, উপদেশ আদিক কোনোমতে অৱজ্ঞা কৰিব নোৱাৰে। পিতৃ-মাতৃয়ে সন্তানক ভৰণ-পোষণ দিয়াৰ উপৰি পঢ়া-শুনা, সংস্থাপন, স্বাস্থ্য-চিকিৎসা আদিৰ বাবদ একাংশ ধন আছুতীয়াকৈ সাঁচি ৰাখে যাতে পিতৃ-মাতৃৰ অনুপস্থিতি আনকি উপস্থিতিতো সন্তানে কোনো ক্ষেত্ৰতে অভাৱ-অসুবিধাত নপৰে। প্ৰয়োজনবোধে সাঁচতীয়া ধন উলিয়াই আনি তাৰ সদ্ব্যৱহাৰ কৰি উপকৃত হ'ব পাৰে।

একেধৰণে দেশ, কাল আৰু সমাজৰ অভিভাৱকস্বৰূপ শিল্পী-সাহিত্যিক, দাৰ্শনিক, বৈজ্ঞানিক আদিয়ে জীৱন কালত অৰ্জন কৰা শিক্ষা-অভিজ্ঞতা, জ্ঞান-প্ৰজ্ঞা এনেয়ে অপচয় হ'বলৈ নিদি সেইবোৰ শৃংখলাবদ্ধভাৱে সংকলন কৰি গ্ৰন্থ আকাৰে প্ৰকাশ কৰি ভৱিষ্যৎ প্ৰজন্মৰ দিগদৰ্শন হোৱাকৈ সমাজক অৰ্পণ কৰি থৈ যায় প্ৰাপ্তিৰ প্ৰত্যাশা নকৰাকৈয়ে। সেই শিক্ষা-জ্ঞান, অভিজ্ঞতা অৰ্থাৎ লেখকৰ অমূল্য ধন তেওঁৰ উত্তৰ পুৰুষে কম আয়াসতে লাভ কৰিব পাৰে গ্ৰন্থ পঠনৰ জৰিয়তে।

কিন্তু নতুন সময়ৰ নতুন ধাৰণা হৈছে 'ই বুক'। এই সময় 'ই বুকৰ' সময় বুলি বহুতে দাবীও কৰিব খোজে। ইণ্টাৰনেটৰ যুগ বুলিও ক'বলৈ ভাল পায় আন বহুতে। অৱশ্যে কথাটো নোহোৱাও নহয়। 'ম'বাইল', 'টেবলেট' 'লেপটপ' 'ডেক্সটপ' আদিত ইতিমধ্যে ভৰাই থোৱা তথ্য-জ্ঞান গুগ'লত ছাৰ্চ কৰিলে নোপোৱাৰ কথাই নাই। ছপা মাধ্যমিক বৈদ্যুতিন মাধ্যমলৈ পৰিৱৰ্তন কৰি সকলোৱে পাব পৰাকৈ অতি সহজসাধ্য কৰি তুলিছে গুগলে। গুগলৰ পৰা পূৰ্ব প্ৰস্তুত শিক্ষা তথ্য-জ্ঞান আয়ত্ত কৰি বহুতে চলি যোৱাৰ অভ্যাস গঠন কৰিও নোলোৱা নহয়। বৃহৎ বৃহৎ আয়তনৰ কিতাপ একোখন পঢ়ি নিজক লগা তথ্য-জ্ঞান বিচাৰি বিচাৰি হাবাথুৰি খোৱাতকৈ গুগলৰ সহায় লৈ সেই শিক্ষা জ্ঞান-অভিজ্ঞতা সহজে আহৰণ কৰিব পাৰি। এইটো হৈছে উজু পদ্ধতি আৰু সময় শক্তি ৰাহি হোৱাৰ কথাও।

'ফেচবুক' 'হোৱাটছএপ' 'টুইটাৰ' আদিত মানুহে মনৰ ভাব মুক্তমনে প্ৰকাশ কৰিব পাৰে, অংশগ্ৰহণ কৰিব পাৰে আৰু



আনলৈ পঠাবও পাৰে। কবিতা, গল্প-প্ৰৱন্ধ আদি ৰচনা কৰি সংপ্ৰচাৰ কৰিবও পাৰে বিভিন্ন এপ' মুকলিৰ জৰিয়তে। হেজাৰ হেজাৰ মানুহ বা পাঠকৰ ওচৰলৈ পঠোৱা আৰু পাঠক গোটোৱা ব্যৱস্থা ইণ্টাৰনেটে আমাক কৰি দিছে। মানুহ অভ্যস্ত হৈ পৰিছে অতি আৱেগিকভাৱে। লক্ষ্য কৰিলে গম ধৰিব পাৰি যে প্ৰতিজন লোক কবি-সাহিত্যক, গায়ক, সমালোচক, নেতা আৰু বহুত কিবাকিবি। মুঠতে এপ' ব্যৱহাৰ কৰক গোট বনাওক আৰু প্ৰতি নিয়ত কবিতা গল্প-প্ৰৱন্ধ আদি লিখি বন্ধু-বান্ধৱক পঢ়িব দিয়ক, নিজেও পঢ়ক। কিছু মনোৰঞ্জন, কিছু চিত্ত বিনোদন, তাৰ লগতে জ্ঞান-অভিজ্ঞতা অকণ বঢ়াই তোলক জীৱন জীয়াই থকাৰ বাবে।

এটা কথা ঠিক যে একোজন মহান চিন্তাবিদৰ চিন্তাপ্ৰসূত লেখাই একোটা ধাৰাৰ জন্ম দিব পাৰে; সমাজক উচিত পথ দেখুৱাব পাৰে। চিন্তা নায়কৰ একোখন গ্ৰন্থই একোটা যুগৰ সূচনাও কৰিব পাৰে। লিউ-নাৰ্ড-ডা-ভিন্সি, ভল্টেয়াৰ, ৰুছো, কাৰ্লমাক্স, ছিগমুণ্ড ফ্ৰয়েড আদি মহান মনীষীয়ে নতুন নতুন চিন্তা-কল্পনাৰে মানৱ জাতিক চকু প্ৰদান কৰিছে। জীৱন নিৰ্বাহ কৰাৰ নতুন যাত্ৰাও প্ৰদান কৰি গৈছে। আৰ্কিমিডিছৰ পৰা নিউটন হৈ আইনষ্টাইন, ষ্টিফেন হকিঙলৈ যিবোৰ বৈজ্ঞানিকে নানান অনুসন্ধান, পৰীক্ষা-নিৰীক্ষা আৰু প্ৰমাণ কৰি সমাজৰ কল্যাণ হেতু সূত্ৰ নিৰ্ধাৰণ কৰি থৈ গ'ল তাৰ তুলনা আৰু মহান ত্যাগৰ পৰিমাণ জোখা তুলাচনী সম্ভৱ এই ধৰাত নাই। তাকেই মূলধন কৰি আজিৰ সাধক আৰু গৱেষকসকলে আৰু কিমান আগবাঢ়ি যাব পাৰিব তাৰ জানো কিবা সীমা সংখ্যা আছে। তেওঁলোকৰ ত্যাগ আৰু সীমাহীন কষ্ট স্বীকাৰক জানো কোনোবাই অৱজ্ঞা, অস্বীকাৰ অৱহেলা কৰিব পাৰে? মুঠেই নোৱাৰে। জ্ঞান, অভিজ্ঞতা আৰু প্ৰজ্ঞাৰ আধাৰ কিতাপক কোনেও কাগজৰ জাবৰ বুলি কোৱাৰ সাধ্য নাই।

সততে সদায় শুনা যায় আজি কালি মানুহে কিতাপ নপঢ়ে, ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন নকৰে। অধ্যাৱসায়ত কাৰো ধাউতি নাই। সকলোকে কিতাপৰ জ্ঞান নালাগে। গ্ৰন্থৰ জ্ঞান নোহোৱাকৈ মানুহে সুন্দৰ জীৱন-যাপন কৰিবও পাৰে। কথাতো মিছাও নহয়। কিন্তু তেওঁৰ ওপৰত যে কোনোবা মহান লেখকৰ চিন্তা-কল্পনা, বিচাৰ-বুদ্ধি আৰু বিচক্ষণতাৰ প্ৰভাৱ বেঁকাকৈ হ'লেও পৰে তাক তেওঁলোকে কোনোমতে নুই কৰিব নোৱাৰে। প্ৰত্যেক্ষ প্ৰভাৱ পোনছাটে অস্বীকাৰ কৰিলেও পৰোক্ষ প্ৰভাৱৰ কথা কিন্তু প্ৰত্যাখ্যান কৰিব মুঠেই নোৱাৰে।

এইটো ইমান জৰুৰী নহয় যে এটা জাতিৰ এটা ভাষাৰ অনুগামীসকলৰ আটাইখিনি মানুহে গ্ৰন্থ পঢ়িব লাগিব, সেই ভাষাত ৰচিত সকলো মহান গ্ৰন্থ অধ্যয়ন কৰিবই লাগিব। তেনে কথা একো নাই। ফুলৰ বাগিচাত সোমাই ফুল নিছিঙাকৈ ফুলৰ সুবাস ল'ব পাৰি। দূৰৈৰ পৰাও পুষ্পৰ সুৱাস পাব পাৰি অনুকলীয় বায়ু প্ৰবাহৰ দ্বাৰা। কিতাপ-কাগজত লিপিবদ্ধ হোৱা জ্ঞান-অভিজ্ঞতা সহজে পাব পাৰি অধ্যয়নশীল ব্যক্তিৰ কথা আৰু ভাষণত। মহান শিল্পীৰ গীত-মাত, নৃত্য অভিনয়, শিল্পকলাৰ দ্বাৰাও ল'ব পাৰি মহৎ কৰ্মৰ সোৱাদ। পাব পাৰি জ্ঞান, শিক্ষা আৰু অভিজ্ঞতা। ৰুচিবোধে স্বাদ ল'ব পাৰি নতুন চিন্তাৰ।

সত্য প্ৰকাশ কৰিবলৈ হ'লে তেল-ম'বিল অবিহনে গাড়ী মটৰ নচলে। বঠা অবিহনে নদীত নাও চলাব নোৱাৰি। খাদ্য নহ'লেও আমাৰ শৰীৰৰ অচল-অথৰ্ব হয়। জীৱ-জন্তুৰ বাদে মানুহ বোলা প্ৰাণীবিধৰ শৰীৰক খোৱা খাদ্য দৰকাৰ হোৱাৰ উপৰি মানসিক খাদ্য লাগে। প্ৰগতিৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ নতুন নতুন শিক্ষা-জ্ঞান-অভিজ্ঞতা মানুহক লাগিবই। কিতাপ-পত্ৰ, অধ্যয়ন অবিহনে আজিৰ সমাজ নচলে। জ্ঞান-বিজ্ঞান-প্ৰযুক্তি নহ'লে সমাজৰ গতি স্থবিৰ হোৱাই নহয় সম্পূৰ্ণ অচল হৈ পৰিব।

অৱশ্যে কিতাপ, কাগজ নপঢ়াকৈ, জ্ঞান-বিজ্ঞান আৰু আধুনিক প্ৰযুক্তি-কৌশল প্ৰয়োগ নগৰাকীকৈ ক'ৰবাত ক'ৰবাত মানৱ সমাজ গঢ় লৈ উঠিব পাৰে সঁচা, কিন্তু সেইখন সমাজ সুসভ্য হ'ব নোৱাৰে। প্ৰগতি বা বিকাশৰ পথততো আগবাঢ়িব নোৱাৰেই। মহৎ গ্ৰন্থ, সাহিত্য-কলা, শিক্ষা-বিজ্ঞান আদি অবিহনে তেওঁলোক বৰ্বৰ হ'বলৈ বাধ্য। নতুন নতুন চিন্তা-চৰ্চা, কল্পনা আৰু দৰ্শনৰ অনুশীলন নোহোৱাকৈ গণতান্ত্ৰিক সমাজ গঢ়ি তোলা কথাতো নহয় সহজ সাধ্য।


*ফোন ঃ ৮৮২২১৮৮৬৭৯*

## এইবাৰ নিৰ্বাচন আয়োগ বন্ধ কৰিলে তালিবান চৰকাৰে




**নিউজ ব্যুৰ', কাবুল, ২৮ ডিচেম্বৰ ঃ** তালিবান চৰকাৰে আফগানিস্তানৰ দুটা নিৰ্বাচন আয়োগ আৰু শান্তি-সংসদ বিষয়ক ৰাষ্ট্ৰীয় মন্ত্ৰণালয় ভংগ কৰিলে। আফগানিস্তানৰ তালিবান চৰকাৰৰ উপ-মুখপাত্ৰ বিলাল কৰিমীয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, দেশৰ স্বাধীন নিৰ্বাচন আয়োগ আৰু নিৰ্বাচন অভিযোগ আয়োগ ভংগ কৰা হৈছে। আফগানিস্তানৰ বৰ্তমানৰ পৰিস্থিতিত এইসমূহ বিভাগক অপ্ৰয়োজনীয় অভিহিত কৰিলে কৰিমীয়ে। তেওঁ লগতে কয় যে ভৱিষ্যতে আয়োগৰ প্ৰয়োজন হ'লে তালিবান চৰকাৰে পুনৰ বিভাগটো মুকলি কৰিব পাৰে।

## আই আই টিৰ চাকৰিমেলাত ১৬০ শিক্ষাৰ্থীৰ কোটিটকীয়া চাকৰিৰ প্ৰস্তাৱ লাভ



নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ দেশৰ আগশাৰীৰ আঠখন ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজী (আই আই টি)ত অধ্যয়নৰত মুঠ ৯,০০০ শিক্ষাৰ্থীয়ে এইবাৰৰ 'প্লেচমেণ্ট' অৰ্থাৎ চাকৰিমেলাত লোভনীয় পদত নিযুক্তিৰ প্ৰস্তাৱ লাভ কৰিলে। যোৱা পহিলা ডিচেম্বৰৰ পৰা আঠখন আই আই টিত নিযুক্তি পৰ্ব আৰম্ভ কৰা হৈছিল। এইবাৰৰ নিযুক্ত পৰ্বত আই আই টিৰ ১৬০ শিক্ষাৰ্থীয়ে এক কোটি বা ততোধিক বেতনৰ চাকৰিৰ প্ৰস্তাৱ লাভ কৰিলে। একাংশ ছাত্ৰ-ছাত্ৰীয়ে দুই কোটি টকাৰ বেতনৰ প্ৰস্তাৱো লাভ কৰিছে। যোৱাবাৰৰ তুলনাত আই আই টিৰ নিযুক্ত পৰ্বত বেতন বৃদ্ধি পালে ১৫ৰ পৰা ৩৫ শতাংশলৈকে। নিযুক্তি লাভৰ ক্ষেত্ৰত শীৰ্ষত আছে আই আই টি খড়গপুৰ। এই শিক্ষানুষ্ঠানৰ ১৬০০ শিক্ষাৰ্থীয়ে নিযুক্তিৰ প্ৰস্তাৱ লাভ কৰিলে। আই আই মাদ্ৰাজৰ ১৩২৭, আই আই টি দিল্লীৰ ১২৫০, আই আই টি বোম্বেৰ ১৩৮২, আই আই টি ৰুৰকিৰ ১৩৩০ , আই আই টি ভূৱনেশ্বৰৰ ১১০০ আৰু আই আই টি গুৱাহাটীৰ ৮৪৩ শিক্ষাৰ্থীয়ে এইবাৰ নিযুক্তি পৰ্বত চাকৰিৰ প্ৰস্তাৱ লাভ কৰিলে।

## পঞ্জাৱৰ কংগ্ৰেছত অঘটন, দুই বিধায়কৰ বিজেপিত যোগদান



**নিউজ ব্যুৰ', চণ্ডীগড়, ২৮ ডিচেম্বৰ ঃ** পঞ্জাৱত পুনৰ অঘটনৰ সন্মুখীন হ'ল কংগ্ৰেছ। কাদিয়াঙৰ কংগ্ৰেছৰ বিধায়ক তথা প্ৰতাপ সিং বাজৱাৰ কনিষ্ঠ ভ্ৰাতৃ বিধায়ক ফটেহজংগ বাজৱা আৰু বিধায়ক বলবিন্দৰ লাডিয়ে বিজেপিত যোগদান কৰিলে। তদুপৰি প্ৰাক্তন ক্ৰিকেট খেলুৱৈ দীনেশ মংগীয়ায়ো আজি দিল্লীত বিজেপিৰ সদস্য পদ গ্ৰহণ কৰে। এইকেইজন নেতাৰ লগতে আকালি দলৰ পৰা তিনিবাৰকৈ বিধায়ক নিৰ্বাচিত হোৱা গুৰতেজ গুধিয়ানেও আজি বিজেপিত যোগদান কৰে। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী গজেন্দ্ৰ শেখাৱতে দিল্লীত বিজেপিৰ মুখ্য কাৰ্যালয়ত এই নেতাকেইজনক দললৈ আদৰণি জনায়।

## নতুন বছৰত দেশৰ ১০ চহৰত আৰম্ভ হ'ব ৫-জি টেলিকম সেৱা




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** টেলিকমিউনিকেচন মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি, নতুন বছৰত ভাৰতৰ মহানগৰ আৰু অন্যান্য বৃহৎ চহৰত প্ৰথম পৰ্যায়ত ৫-জি টেলিকম সেৱা মুকলি কৰা হ'ব। পঞ্চম প্ৰজন্মৰ এই টেলিকম সেৱা প্ৰথমে ১০ খন মহানগৰত আৰম্ভ কৰা হ'ব। সূত্ৰৰ খবৰ অনুসৰি ৫-জি টেলিকম সেৱা প্ৰথম পৰ্যায়ত মুকলি কৰিব লগা চহৰকেইখন হৈছে গুৰুগ্ৰাম, বাংগালুৰু, কলকাতা, মুম্বাই, চণ্ডীগড়, দিল্লী, জামনগৰ, লক্ষ্ণৌ, পুনে আৰু গান্ধীনগৰ। প্ৰকাশিত বাতৰি অনুসৰি ভাৰতী এয়াৰটেল, ৰিলায়েন্স জিঅ' আৰু ভোডাফোন আইডিয়াই ইতিমধ্যে ৫-জি টেলিকম সেৱা আৰম্ভ কৰাৰ বাবে সাজু হৈছে। কালি টেলিকমিউনিকেচন মন্ত্ৰণালয়ে এই কথা প্ৰকাশ কৰি লগতে কয় যে দেশত পঞ্চম প্ৰজন্মৰ টেলিকম সেৱা আৰম্ভ কৰাৰ লগে লগে 'ডিজিটেল ইণ্ডিয়া'ই অধিক গতি লাভ কৰিব।

## দৈনিক সংক্ৰমণ ছহেজাৰৰ ঘৰতে, মৃত্যু হ্ৰাস ২৯৩লৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** অ'মিক্ৰন আতংকৰ মাজতে দেশত সামান্য হ্ৰাস পালে কৰ'নাৰ দৈনিক সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ৬,৩৫৮ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বৰ্তমানলৈকে দেশত তিনি কোটি ৪৭ লাখ ৯৯ হেজাৰ ৬৯১ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ক'ভিডৰ সংক্ৰমণে প্ৰাণ কাঢ়িলে ২৯৩ জন লোকৰ। কেৰল কেৰালাতে মৃত্যু হ'ল ২৩৬ জন ক'ভিড ৰোগীৰ। ভাৰতত মঙলবাৰলৈকে ক'ভিডত মুঠ মৃত্যুৰ সংখ্যা চাৰি লাখ ৮০ হেজাৰ ২৯০ জনলৈ বৃদ্ধি পালে। বৰ্তমানে দেশত ৭৫,৪৫৬ জন ক'ভিড ৰোগী আছে।

### জাৰ্মানীত কʼভিড বিধিৰ বিৰোধিতাৰে ৰাজপথত প্ৰতিবাদ ঃ বিশ্বজুৰি ১১,৫০০ ৰো অধিক বিমানৰ সেৱা বাতিল

## ইউৰোপত অধিক ভয়াৱহ হ'ল ক'ভিড পৰিস্থিতি, জাৰ্মানীত লাঠিচালনা



**নিউজ ব্যুৰ' বাৰ্লিন, ২৮ ডিচেম্বৰ ঃ** বিশ্বজুৰি কৰ'নাৰ নতুন প্ৰজাতিৰ ত্ৰাস অব্যাহত আছে। ইউৰোপত শেহতীয়াভাৱে অ'মিক্ৰনৰ সংক্ৰমণে অধিক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। বিগত সাতদিনত ইউৰোপত কৰ'নাৰ সংক্ৰমণ সৰ্বাধিক হৈছে আৰু এই মাৰাত্মক ভাইৰাছত আক্ৰান্ত লোকৰ মাজত মৃত্যুৰ ঘটনাও উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। বৰ্তমানে বিশ্বৰ যি পাঁচখন দেশত ক'ভিডৰ সৰ্বাধিক সংক্ৰমণ হৈছে, এই আটাইকেইখন দেশ ইউৰোপৰ। ডেনমাৰ্কত প্ৰথমবাৰৰ বাবে কৰ'নাৰ দৈনিক সংক্ৰমণ ১৫ হেজাৰতকৈ অধিক হৈছে। প্ৰায় ৬০ লাখ জনসংখ্যাৰ এইখন দেশত প্ৰতি লাখ লোকৰ মাজত ১,৬১২ জন লোক সম্প্ৰতি কৰ'নাত সংক্ৰমিত হৈছে। অ'মিক্ৰনত প্ৰথমজন ৰোগীৰ মৃত্যুৰ পাছত জাৰ্মানীতো চৰকাৰে ক'ভিড প্ৰতিৰোধৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নতুনকৈ কʼভিড বিধি বলৱৎ কৰাত ইয়াৰ বিৰোধিতাৰে বভেৰিয়াত যথেষ্টসংখ্যক জাৰ্মান লোকে ৰাজপথত সমবেত হৈ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজৰ এনে আন্দোলন প্ৰতিৰোধ কৰিবলৈ আৰক্ষীয়ে লাঠিচালনা কৰিবলৈ বাধ্য হৈছিল আৰু এই ঘটনাত কে'বাজনো লোক আহত হয়। জাৰ্মানীত সোমবাৰৰ পৰা ৰাজহুৱা স্থান, ব্যায়ামাগাৰ, ছুইমিং পুল, চিত্ৰগৃহ, নৈশ ক্লাব, ৰেস্তোৰাঁ, হোটেল, সংগ্ৰহালয় আদিত সীমিত সংখ্যক লোকক প্ৰৱেশৰ অনুমতি দিয়া হৈছিল। তদুপৰি প্ৰতিষেধক গ্ৰহণ নকৰা লোকক এনেবোৰ স্থানত প্ৰৱেশ কৰিবলৈ নিদিয়াত একাংশ লোকে ইয়াৰ বিৰোধিতাৰে ৰাজপথত বিক্ষোভ প্ৰদৰ্শন কৰে। ইফালে, ফ্ৰান্সত যোৱা শনিবাৰে অভিলেখসংখ্যক ১,০৪,৬১১ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। একেদিনাই দেশখনত ৮৪ জন ক'ভিড ৰোগীৰ মৃত্যুও হৈছিল। ইউৰোপত ব্ৰিটেইনৰ পাছত সম্প্ৰতি ফ্ৰান্সত সৰ্বাধিকসংখ্যক অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। ফ্ৰান্সত সম্প্ৰতি ১৬ হেজাৰ অ'মিক্ৰন আক্ৰান্ত চিকিৎসাধীন হৈ আছে। ইফালে, কৰ'নাৰ নতুন সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বৰ বিভিন্ন দেশত বিমানৰ চলাচল বাতিল কৰা হৈছে। শুকুৰবাৰৰ পৰা মঙলবাৰলৈকে বিশ্বজুৰি বিভিন্ন দেশে প্ৰায় ১১,৫০০ ৰো অধিক বিমানৰ সেৱা বাতিল কৰিলে। কেৱল সোমবাৰে বিশ্বজুৰি বাতিল কৰা হৈছিল তিনি হেজাৰৰ অধিক বিমানৰ চলাচল। আজিও ১১০০ খন বিমানৰ সেৱা কৰ'নাৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বাতিল কৰা হ'ল।

## পঞ্জাৱ বিধানসভাৰ বাবে আপৰ ১৫ জনীয়া প্ৰাৰ্থীৰ তালিকা ঘোষণা



**নিউজ ব্যুৰ' চণ্ডীগড়, ২৮ ডিচেম্বৰ ঃ** আম আদমী পাৰ্টি (আপ)য়ে পঞ্জাৱ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে দলৰ পঞ্চমখন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিলে। এই তালিকাত আপে ১৫ জন প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰিছে। আপে শ্ৰী চমকৌৰ চাহিব বিধানসভা সমষ্টিত ডাঃ চৰণজিত সিঙক প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। উল্লেখ্য যে পঞ্জাৱৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী চৰণজিত সিং চন্নীও একেটা সমষ্টিৰে বিধায়ক। অৰ্থাৎ পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত এই সমষ্টিত এইবাৰ দুজনকৈ চৰণজিতৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'ব। আপে মঞ্জু ৰাণাক কপুৰথলাৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেদৰে ফিৰোজপুৰত ৰণবীৰ সিং ভুল্লৰ, বথিণ্ডাত জগৰূপ সিং গিলক আপে প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে। আপে এতিয়ালৈকে পঞ্জাৱত মুঠ ৮৮ সমষ্টিত দলৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে।

## দিনত জনসভা, নিশা সান্ধ্যআইন, যোগী চৰকাৰক কটাক্ষ বৰুণৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৮ ডিচেম্বৰ ঃ** উত্তৰ প্ৰদেশত নিৰ্বাচনৰ পূৰ্বে যোগী আদিত্যনাথৰ চৰকাৰৰ অস্বস্তি বৃদ্ধি কৰিলে বিজেপিৰ সাংসদ বৰুণ গান্ধীয়ে। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰন প্ৰতিৰোধৰ ক্ষেত্ৰত উত্তৰ প্ৰদেশ চৰকাৰৰ সদিচ্ছাকলৈও বিজেপি সাংসদজনে প্ৰশ্ন উত্থাপন কৰিলে। ইতিমধ্যে অ'মিক্ৰন আতংকত উত্তৰ প্ৰদেশ, হাৰিয়ানাসহ বিভিন্ন ৰাজ্যত জাৰি কৰা হৈছে নৈশ সান্ধ্যআইন। ইয়াকে লৈ বৰুণে কটাক্ষ কৰি কয়, 'নিশা সান্ধ্যআইন আৰু দিনৰ বেলা লাখ লাখ মানুহক লৈ সভা, সমদল কৰা হৈছে। ক'ভিড নে নিৰ্বাচন চৰকাৰে কোনটোক অগ্ৰাধিকাৰ দিছে? মানুহৰ সন্দেহ!' উল্লেখ্য যে বিজেপিৰ সাংসদ হোৱাৰ পাছতো বৰুণে বিগত কে'বামাহ ধৰি দলবিৰোধী মন্তব্য প্ৰকাশ কৰি আহিছে।

## নেপালৰ প্ৰধানমন্ত্ৰী দেউবাৰ ভাৰত ভ্ৰমণক লৈ চিন্তিত চীন



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** নেপালৰ প্ৰধানমন্ত্ৰী শ্বেৰ বাহাদুৰ দেউবাই অহা ১০ জানুৱাৰীত ভ্ৰমণাৰ্থে ভাৰতলৈ আহিব। দেউবাই গুজৰাটত ভাইব্ৰেণ্ট গুজৰাট গ্ল'বেল সন্মিলনত অংশ ল'ব। নেপালৰ প্ৰধানমন্ত্ৰীয়ে ভাৰত ভ্ৰমণ কৰাৰ পূৰ্বে এই বিষয়ক লৈ যথেষ্ট উদ্বিগ্নতা প্ৰকাশ কৰিলে চীনে। প্ৰকাশিত বাতৰি অনুসৰি, চীনৰ স'তে শেহতীয়াভাৱে নেপালৰ সম্পৰ্ক পুনৰ অৱনমিত হৈছে। চীনে সীমান্তৰ একাধিক অঞ্চলত নেপালৰ ভূমি দখল কৰাক লৈ দেউবা চৰকাৰে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি আহিছে। ইফালে, দেউবা পুনৰ নেপালৰ প্ৰধানমন্ত্ৰী নিৰ্বাচিত হোৱাৰ পাছত চুবুৰীয়া দেশখনৰ স'তে ভাৰতৰ সম্পৰ্ক পুনৰ স্বাভাৱিক হ'বলৈ ধৰিছে। দেউবাই ভাৰত ভ্ৰমণ কালত সীমা বিবাদৰ লগতে চীনৰ আগ্ৰাসনৰ প্ৰসংগতো ভাৰতৰ স'তে আলোচনা কৰাৰ সম্ভাৱনা আছে। এনেবোৰ কাৰণতে দেউবাৰ ভাৰত ভ্ৰমণক সহজভাৱে ল'ব পৰা নাই চীনে।

## আৰক্ষীৰ অত্যাচাৰৰ প্ৰতিবাদত ধৰ্মঘট দিল্লীৰ আৱাসিক চিকিৎসকৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** সোমবাৰৰ পৰা ধৰ্মঘট আৰম্ভ কৰা নতুন দিল্লীৰ আৱাসিক চিকিৎসকসকলে তেওঁলোকৰ প্ৰতিবাদী আন্দোলন অব্যাহত ৰাখিছে। ধৰ্মঘট আৰম্ভ কৰা চিকিৎসকসকলে প্ৰকাশ কৰা অনুসৰি আন্দোলনত আৰক্ষীয়ে বাধাদান আৰু অত্যাচাৰ চলোৱাৰ প্ৰতিবাদত তেওঁলোকে ধৰ্মঘট অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে। ডাঃ অঞ্জু আগৰৱাল নামৰ চিকিৎসকগৰাকীয়ে অভিযোগ কৰি কয় যে তেওঁলোকে দিল্লীৰ নিৰ্মাণ ভৱনৰ সন্মুখত শান্তিপূৰ্ণভাৱে আন্দোলন কৰিছিল যদিও আৰক্ষীয়ে মহিলা চিকিৎসকৰ স'তে অভব্য আচৰণ কৰিছিল। আৰক্ষীয়ে প্ৰতিবাদকাৰী চিকিৎসকৰ পৰা ম'বাইল ফোন কাঢ়ি নিয়া আৰু শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগো আন্দোলনকাৰীয়ে উত্থাপন কৰিছে। উল্লেখ্য যে ২০২১ বৰ্ষৰ নীট কাউন্সেলিঙত বিলম্ব হোৱাৰ প্ৰতিবাদত কালি উচ্চতম ন্যায়ালয়লৈকে প্ৰতিবাদী সমদল উলিয়াইছিল দিল্লীৰ আৱাসিক চিকিৎসকৰ সংগঠনে। সেই সময়তে আৰক্ষীয়ে বাধা দিয়াৰ লগতে অত্যাচাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছিল।


## ম্যানমাৰত সেনা-বিদ্ৰোহীৰ সংঘাত তুংগত, নৱবৰ্ষত সংঘৰ্ষবিৰতিৰ আহ্বান ৰাষ্ট্ৰসংঘৰ



### বাৰ্মিজ সেনাৰ বিৰুদ্ধে গণহত্যাৰ অভিযোগ উত্থাপিত

**নিউজ ব্যুৰ' য়াংগুন, ২৮ ডিচেম্বৰ ঃ** গৃহযুদ্ধত ৰক্তাক্ত ম্যানমাৰত চৰকাৰী সেনাবাহিনীৰ স'তে তুমুল সংঘৰ্ষ অব্যাহত আছে বিদ্ৰোহী সশস্ত্ৰ বাহিনীৰ। ফলত দেশখনত মৃত আৰু আহতৰ সংখ্যা বৃদ্ধি পাইছে। বাৰ্মিজ সেনাৰ বিৰুদ্ধে ইতিমধ্যে গণহত্যাৰ অভিযোগ উত্থাপিত হৈছে। এনে পৰিস্থিতিতে নতুন বছৰ উপলক্ষে উভয় পক্ষক সংঘৰ্ষবিৰতি ঘোষণা কৰিবলৈ আহ্বান জনালে ৰাষ্ট্ৰসংঘই। ম্যানমাৰত নিযুক্ত ৰাষ্ট্ৰসংঘৰ বিশেষ দূত ন'য়েলিন হেজাৰে আজি এই আহ্বান জনাই কয়, 'ইতিমধ্যে ম্যানমাৰৰ জনগণে যথেষ্ট কষ্ট ভোগ কৰিছে। তদুপৰি আৰ্থ-সামাজিক পৰিস্থিতি জটিল কৰিছে কৰ'নাৰ সংক্ৰমণে। যিসকল লোকে নিজৰ মানুহকে কষ্ট দিছে, তেওঁলোকে বন্দুক নমাই ৰাখি এই জটিল পৰিস্থিতিত মানুহক সহায় কৰা উচিত। ইয়াৰ ওপৰতে ম্যানমাৰৰ শিশুৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে।' ৰাষ্ট্ৰসংঘৰ এই আহ্বানলৈ এতিয়ালৈকে ম্যানমাৰৰ সামৰিক জুণ্টা আৰু বিদ্ৰোহী বাহিনীয়ে কোনো সঁহাৰি দিয়া নাই। উল্লেখ্য যে যোৱা ফেব্ৰুৱাৰীত ম্যানমাৰৰ ক্ষমতা দেশখনৰ সেনাবাহিনীয়ে দখল কৰাৰ পাছৰে পৰা অস্থিৰ হৈ আছে দেশখন।

## চীনৰে সংঘাত বৃদ্ধিৰ সময়তে আমেৰিকা, জাপান, দক্ষিণ কোৰিয়াৰ প্ৰতিৰক্ষা মুৰব্বীৰ ত্ৰিপাক্ষিক বৈঠকৰ প্ৰস্তাৱ



**নিউজ ব্যুৰ' টকিঅ', ২৮ ডিচেম্বৰ ঃ** আমেৰিকা, জাপান আৰু দক্ষিণ কোৰিয়াৰ সেনাৰ মুৰব্বীয়ে অহা জানুৱাৰীত ত্ৰিপাক্ষিক বৈঠকত অংশ লোৱাৰ সম্ভাৱনা আছে। প্ৰকাশিত বাতৰি অনুসৰি এই বৈঠকখন আমেৰিকাৰ হাৱাইত অনুষ্ঠিত হ'ব। দক্ষিণ চীন সাগৰীয় অঞ্চল আৰু বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ ব্যৱহাৰক লৈ সঘনাই হৈ অহা নিয়ম উলংঘনৰ কাৰণত চীন আৰু দক্ষিণ কোৰিয়াৰ মাজত উত্তেজনা অব্যাহত আছে। এনে পৰিস্থিতিত আমেৰিকা, জাপান আৰু দক্ষিণ কোৰিয়াৰ সেনা বাহিনীৰ মুৰব্বীয়ে ত্ৰিপাক্ষিক বৈঠকত অংশ লোৱাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হ'ব পাৰে। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, উক্ত প্ৰস্তাৱিত ত্ৰিপাক্ষিক বৈঠকত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী, আমেৰিকাৰ প্ৰতিৰক্ষা সচিব আৰু দক্ষিণ কোৰিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে অংশ ল'ব। তিনি ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বিভাগৰ মুৰব্বীয়ে এই বৈঠকত উত্তৰ কোৰিয়াৰ পাৰমাণৱিক নিৰস্ত্ৰীকৰণ আৰু দক্ষিণ চীন সাগৰত চীনৰ আধিপত্যৰ প্ৰসংগত আলোচনা কৰিব। অৱশ্যে বৈঠকখনত তিনি ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মুৰব্বীয়ে প্ৰত্যক্ষভাৱে অংশ ল'ব নে এই বৈঠকত ভাৰ্চুৱেল হ'ব সেয়া এতিয়াও স্থিৰ কৰা হোৱা নাই। অহা সাত জানুৱাৰীত প্ৰস্তাৱিত বৈঠকখন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।

## ১৫ লাখ টকাতকৈ অধিক দুৰ্নীতি হ'লেহে মোৰ কাষলৈ আহিব ঃ বিজেপি সাংসদৰ মন্তব্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** বিজেপিৰ সাংসদ জনাৰ্দন মিশ্ৰই মন্তব্য কৰি কয় যে যদি কোনো ব্যক্তিৰ বিৰুদ্ধে ১৫ লাখ টকাতকৈ অধিক পৰিমাণৰ দুৰ্নীতিৰ অভিযোগ থাকে, তেতিয়াহে এনে অভিযোগ সাংসদ হিচাপে তেওঁক দিয়া উচিত। 'বৰ্তমানৰ প্ৰত্যাহ্বান গ্ৰহণত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক এক আলোচনা চক্ৰত অংশ লোৱাৰ সময়ত মধ্যপ্ৰদেশৰ ৰেওৱাৰ সমষ্টিৰ বিজেপিৰ সাংসদ মিশ্ৰই কয়, 'গ্ৰাম পঞ্চায়তৰ মুৰব্বীৰ দুৰ্নীতিক লৈ মই বহু অভিযোগ লাভ কৰো। আপোনালোকক মই জনাই থয়, প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে সাত লাখ টকা আৰু পৰৱৰ্তী নিৰ্বাচনৰ বাবে সাত লাখ টকা যোগাৰ কৰিব লাগে। ক্ৰমবৰ্ধমান মুদ্ৰাস্ফীতিৰ ফলত অৱশিষ্ট এক লাখ টকাও জমা ৰাখে। সেয়েহে কোনো ব্যক্তিৰ বিৰুদ্ধে ১৫ লাখ টকাতকৈ অধিক ধনৰ দুৰ্নীতিৰ অভিযোগ থাকিলেহে মোক দিয়া উচিত।' বিজেপি সাংসদৰ এই মন্তব্য মধ্য প্ৰদেশত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এনে মন্তব্যৰে মিশ্ৰই ৰাজনীতিকৰ দুৰ্নীতিক সমৰ্থন জনোৱা বুলিও অভিযোগ উঠিছে।

## লুধিয়ানা আদালতৰ বিস্ফোৰণত জড়িত সন্ত্ৰাসবাদী জছবিন্দৰক জাৰ্মানীত গ্ৰেপ্তাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** আত্মগোপনকাৰী খালিস্তানী সন্ত্ৰাসবাদী জছবিন্দৰ সিং মুলতানীক জাৰ্মানীৰ পৰা গ্ৰেপ্তাৰ কৰিলে দেশখনৰ আৰক্ষীয়ে। লুধিয়ানা আদালতৰ বোমা বিস্ফোৰণৰ ঘটনাত জছবিন্দৰ অন্যতম অভিযুক্ত। পঞ্জাৱ আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন শিখ ফৰ জাষ্টিচৰ স'তে জছবিন্দৰ জড়িত। যোৱা ২৩ ডিচেম্বৰত লুধিয়ানা আদালত চৌহদত সংঘটিত হোৱা বিস্ফোৰণত এজন লোকৰ ঘটনাস্থলীতে মৃত্যু হৈছিল আৰু আন পাঁচজন গুৰুতৰভাৱে আহত হৈছিল। এই ঘটনাৰ স'তে খালিস্তানী সন্ত্ৰাসবাদী সংগঠন জড়িত বুলি অভিযোগ উঠিছিল। পঞ্জাৱ আৰক্ষী বৰ্খাস্ত হোৱা এজন কনিষ্টবল গগনদীপ সিং এই বিস্ফোৰণত জড়িত বুলি প্ৰাথমিক তদন্তত তথ্য পোহৰলৈ আহিছিল। বিস্ফোৰণত গগনদীপ নিহত হৈছিল। পাছত তদন্তত জাৰ্মানীত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদী জছবিন্দৰৰ নাম পোহৰলৈ আহে।

## অষ্ট্ৰেলিয়াত নতুন প্ৰজাতিৰ ক'ভিডত প্ৰথমজন ৰোগীৰ মৃত্যু



**নিউজ ব্যুৰ', মেলবৰ্ণ, ২৮ ডিচেম্বৰ ঃ** অষ্ট্ৰেলিয়াত শেহতীয়াভাৱে ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ যথেষ্ট বৃদ্ধি পাইছে। দেশখনত প্ৰথমজন অ'মিক্ৰন আক্ৰান্ত ৰোগীৰ মৃত্যু হ'ল। ইয়াৰ পূৰ্বে ব্ৰিটেইন, আমেৰিকা আৰু জাৰ্মানীতো অ'মিক্ৰনত আক্ৰান্তৰ মৃত্যু হৈছিল। কালি অষ্ট্ৰেলিয়াৰ সৰ্বাধিক জনবহুল চহৰ নিউ ছাউছ ৱেলছত অ'মিক্ৰনত প্ৰথমজন ৰোগীৰ মৃত্যু হ'ল। প্ৰকাশিত বাতৰি অনুসৰি, ক'ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত হৈ মৃত্যুবৰণ কৰা ৰোগীজনৰ বয়স হৈছে ৮০ বছৰ। তেওঁ ছিডনীত এটা কেয়াৰ হোমত এই ভাইৰাছত সংক্ৰমিত হৈছিল। অ'মিক্ৰন আক্ৰান্ত ব্যক্তিজনে ক'ভিডৰ টিকাকৰণ সম্পূৰ্ণ কৰিছিল যদিও তেওঁৰ আন কেতবোৰ স্বাস্থ্য বিষয়ক সমস্যা আছিল। প্ৰথমজন অ'মিক্ৰন আক্ৰান্তৰ মৃত্যুৰ পাছত নিউ ছাউথ ৱেলছত প্ৰশাসনে ক'ভিড প্ৰতিৰোধৰ বাবে নতুন নীতি-নিয়ম বলৱৎ কৰিলে। এতিয়াৰে পৰা চহৰখনৰ পানশালা আৰু ৰেস্তোৰাঁত প্ৰতিজন গ্ৰাহকে দুই বৰ্গ মিটাৰ শাৰীৰিক ব্যৱধান বৰ্তাই ৰাখিব লাগিব। তদুপৰি নিউ ছাউথ ৱেলছৰ সকলোবোৰ হোটেল, পানশালা আৰু ৰেস্তোৰাঁত কিউ আৰ ক'ডৰ জৰিয়তে প্ৰৱেশ কৰাটো বাধ্যতামূলক কৰা হৈছে।

## দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৬৫৩ জনলৈ বৃদ্ধি পালে, মহাৰাষ্ট্ৰ-দিল্লীত সৰ্বাধিক সংক্ৰমণ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ডিচেম্বৰ ঃ** ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ এদিনতে দেশত যথেষ্ট বৃদ্ধি পালে। মঙলবাৰে ভাৰতত মুঠ অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৬৫৩ জনলৈ বৃদ্ধি পায়। দেশৰ মহাৰাষ্ট্ৰ আৰু দিল্লীত সৰ্বাধিকসংখ্যক অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। মহাৰাষ্ট্ৰত ১৬৭ আৰু দিল্লীত ১৬৫ জন লোকৰ শৰীৰত ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছে। কেৰালাত ৫৭, তেলেংগানাত ৫৫, গুজৰাটত ৪৯ আৰু ৰাজস্থানত ৪৬ জন লোক বৰ্তমানলৈকে অ'মিক্ৰনত সংক্ৰমিত হৈছে। তামিলনাডুত ৩৪ আৰু কৰ্ণাটকত ৩১ জন লোক নতুন প্ৰজাতিৰ কৰ'নাত আক্ৰান্ত হৈছে। অন্যান্য ৰাজ্যসমূহত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ১০ৰ তলত আছে। অৱশ্যে অ'মিক্ৰনৰ সংক্ৰমণ কম সময়ৰ ভিতৰত যথেষ্ট বৃদ্ধি পালেও ভাৰতত ক'ভিডৰ এই নতুন প্ৰজাতিত আক্ৰান্ত হোৱা ১৮৬জন ৰোগী ইতিমধ্যে সুস্থ হৈ উঠিছে।

## ■ ৰিমছ্ এপৰে শিক্ষকক মানসিক হাৰাশাস্তিৰ অভিযোগ

# শিক্ষকসকলক ৰাজ্য চৰকাৰে গিনিপিগ সাজোৱাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৮ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ কৰ্মৰত শিক্ষকৰ অনলাইনযোগে তথ্য সংগ্ৰহ কৰিব বিচাৰিছে। তাৰ জৰিয়তে শিক্ষকসকলক মানসিক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰিছে সদৌ অসম অ'বিবি শিক্ষক সন্থাৰ যুটীয়া সম্পাদক মনোজ কুমাৰ লহকৰে। যুটীয়া সম্পাদকজনে এক বিবৃতিত কৰা অভিযোগ অনুসৰি অসম চৰকাৰৰ শিক্ষা বিভাগে শিক্ষকসকলক লৈ বাৰে বাৰে হেতালি খেলি আহিছে । শেহতীয়াভাৱে ৰিমছ্ এপে নহয়, শিক্ষকসকলৰ বদলিক লৈ অনলাইনযোগে তথ্য সংগ্ৰহ কৰা, সপ্তাহে সপ্তাহে নিষ্ঠা এপত পৰীক্ষা দিয়া আদিয়ে শিক্ষকসকলক মানসিকভাৱে ভাৰাক্ৰান্ত কৰি তুলিছে। শিক্ষক দিৱসৰ দিনা শিক্ষাগুৰুসকলক দৰদ দেখুওৱা চৰকাৰে শিক্ষকসকলক গিনিপিগ সজোৱা কাৰ্য বন্ধ কৰিবলৈ দাবী জনাইছে অ'বিবি শিক্ষক সন্থাই। অন্য এক গুৰুতৰ অভিযোগ অনুসৰি ২০০৯-২০১২ বৰ্ষৰ ভিতৰত ৰাজ্যিক শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানে অসমৰ প্ৰায় ১৫ হেজাৰ শিক্ষক-শিক্ষয়িত্ৰীক দুবছৰীয়া বিশেষ প্ৰশিক্ষণ দিছিল। এই শিক্ষক-শিক্ষয়িত্ৰীসকলে ঘৰৰ পৰা ১৫০-২০০ কিঃমিঃ পৰ্যন্ত দূৰত্বত ছাত্ৰাবাসত থাকি এই প্ৰশিক্ষণ সফলতাৰে সমাপ্ত কৰাত বিভাগে প্ৰশিক্ষাৰ্থীসকলক উত্তীৰ্ণৰ প্ৰমাণপত্ৰহে প্ৰদান কৰিছিল। কোনো ধৰণৰ মাৰ্কশ্বিট প্ৰদান কৰা নাছিল। এতিয়া বিভাগে শিক্ষকসকলৰ পৰা মাৰ্কশ্বিট বিচাৰি মানসিক হাৰাশাস্তি কৰিছে। মাৰ্কশ্বিট প্ৰদান কৰাটো বিভাগৰ দায়িত্ব আছিল। সেই সময়ত অসম চৰকাৰৰ ৰাজ্যিক শিক্ষা আৰু গৱেষণা প্ৰশিক্ষণ প্ৰতিষ্ঠানে প্ৰশিক্ষাৰ্থীসকলক মাৰ্কশ্বিট দিয়াটো নৈতিক কৰ্তব্য আছিল। বাতানুকূল কোঠাত বহি নীতি-নিৰ্দেশনা প্ৰেৰণ কৰাই তেওঁলোকৰ কৰ্তব্য নাছিল। অতি প্ৰয়োজনীয় মাৰ্কশ্বিটখন কোনো শিক্ষকে নিজে নিজে বনোৱাৰ অধিকাৰ নাই। গতিকে মাৰ্কশ্বিট বিচাৰি শিক্ষকসকলক হাৰাশাস্তি কৰাটো গ্ৰহণযোগ্য হ'ব নোৱাৰে। আনহাতে, শিক্ষকসকলে ব্যক্তিগতভাৱে মাৰ্কশ্বিটৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ আৰু এছচিইআৰটি লৈ তাঁত-বাতি কৰিব লগা পৰিস্থিতি কেতিয়াও সমীচীন নহয় আৰু হ'ব নোৱাৰে। সম্প্ৰতি শিক্ষক-শিক্ষয়িত্ৰীসকলে অনলাইনযোগে তথ্য পূৰণ কৰে যদিও প্ৰশিক্ষণৰ মাৰ্কশ্বিটৰ নম্বৰৰ ঠাইত শূন্য দিয়াত তথ্যসমূহ অনলাইনত গ্ৰহণ কৰা নাই। বিভিন্ন জিলাৰ পৰা পোৱা খবৰ অনুসৰি শিক্ষক সমাজ বিপাঙত পৰিছে। যুটীয়া সম্পাদকৰ দাবী যে এছচিইআৰটিয়ে অতিশীঘ্ৰে মাৰ্কশ্বিট দিয়ক অথবা অনলাইনত দিয়া তথ্য গ্ৰহণ কৰক। নহ'লে ভৱিষ্যতে তীব্ৰ গণতান্ত্ৰিক জনমত গঢ়ি তোলা হ'ব।



*নুমলীগড়ৰ শংকৰ বৰুৱা দলঙত বৃহৎ ফাট, মঙলবাৰে।*

## উপায়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰী সন্থাৰ ধৰ্ণা ঃ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৮ ডিচেম্বৰ ঃ** সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থা হোজাই জিলা কমিটীৰ উদ্যোগত হোজাইৰ শংকৰদেৱ নগৰ উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয় । প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা শিক্ষক সমাজে এন পি এছ বাতিল কৰক, পুৰণি পেঞ্চন ব্যৱস্থা উঠাই লওক, ভাৰত চৰকাৰ ,অসম চৰকাৰ হায় হায়, অসম চৰকাৰে পূৰ্বে কৰা ঘোষণা বাতিল কৰক, আমাৰ দাবী ন্যায্য দাবী, আমাৰ দাবী মানিব লাগিব আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে শিক্ষক সমাজে। কালি হোজাই উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত পুৱাৰ ১০ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ কেবাশতাধিক শিক্ষক-শিক্ষয়িত্ৰীয়ে ধৰ্ণা, প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে, সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাৰ সিদ্ধান্ত মৰ্মে সন্থাই অসমৰ প্ৰতিখন জিলা কমিটীৰ সহযোগত জিলা ভিত্তিক এক সৰ্বাত্মক 'অৱস্থান ধৰ্মঘট' পালনৰ সিদ্ধান্ত গ্ৰহণ কৰাত কালি হোজাইতো এইদৰে ধৰ্মঘট কাৰ্যসূচী পালন কৰা হয়। এই ধৰ্মঘট পালনৰ মূল উদ্দেশ্য আৰু লক্ষ্য হৈছে শীঘ্ৰে বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰা, ন্যূনতম ১০ দিন কাম কৰিলেও কৰ্মচাৰীসকলক ১০ লাখ টকা দিয়া হ'ব বুলি কৰা চৰকাৰৰ ঘোষণা অনতি পলমে কাৰ্যকৰী কৰা। প্ৰতিবাদকাৰী শিক্ষকসকলে হোজাই জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ বিভিন্ন দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে । সন্থাৰ সভাপতি নজৰুল হক বৰভূএগ্ৰই অতিৰিক্ত উপায়ুক্তৰ হাতত স্মাৰকপত্ৰ তুলি দিয়ে। পাছত সংবাদ মাধ্যমৰ আগত নজৰুল হক বৰভূএগ্ৰই কয় যে আমাৰ মূল দাবী এন পি এছ ব্যৱস্থা বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা প্ৰৱৰ্তন কৰা। তেওঁ লগতে কয় পূৰ্বৰ বিত্তমন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেতিয়াই ঘোষণা কৰিছিল যে ন্যূনতম ১০দিন কাম কৰিলেও কৰ্মচাৰীসকলক ১০ লাখ টকাৰ ডিজিআৰজি দিয়া হ'ব, এইবোৰ কাৰ্যকৰী কৰাৰ দাবী জনায় সভাপতি বৰভূএগ্ৰই। অন্যথাই অসমজুৰি পৰৱৰ্তী সময়ত শিক্ষক কৰ্মচাৰীসকলে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ প্ৰদান কৰে ।

## বাসুগাঁৱত অগ্নিকাণ্ডত চাৰিখন ব্যৱসায়িক প্ৰতিষ্ঠান ধ্বংস

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ২৮ ডিচেম্বৰ ঃ** এটা সপ্তাহৰ ভিতৰত চিৰাং জিলাৰ বাসুগাঁও চহৰত দুটাকৈ বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে। যোৱা নিশা বাসুগাঁও ৰেল ষ্টেছন ৰোডৰ বাছষ্টেণ্ডৰ ব্যৱসায়িক প্ৰতিষ্ঠানত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। নিশা ১১ বজাত সংঘটিত অগ্নিকাণ্ডৰ ফলত চাৰিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিকাণ্ডৰ সময়ত নিশা বাসুগাঁও চহৰত আতংকময় পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে যোৱা ১৯ ডিচেম্বৰত বাসুগাঁও চহৰৰ থানা ৰোড থুৰিবাৰীত আন এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। সিদিনা চাৰিটাকৈ বাসগৃহ সম্পূৰ্ণৰূপে জুইত জাহ গৈছিল। দুৰ্ভাগ্যজনকভাৱে যোৱা নিশাৰ অগ্নিকাণ্ডৰ খবৰ লাভ কৰাৰ পাছতো অগ্নি নিৰ্বাপক বাহিনীৰ লোক বাসুগাঁও চহৰত আহিয়ে নাপালে। ইয়াকে বাসুগাঁও চহৰবাসীৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে।

## 'অসমীয়া ভাষা, সাহিত্য, কৃষ্টি সদায় চিৰ প্ৰবহমান হৈ থাকিব'

**■ মৰিগাঁৱত অসম সাহিত্য সভাৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন**

**অজিত শৰ্মা**

**মৰিগাঁও, ২৮ ডিচেম্বৰ ঃ** অসম সাহিত্য সভাৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি মৰিগাঁও জিলা সাহিত্য সভাৰ উদ্যোগতো উদ্‌যাপন কৰা হয়। মৰিগাঁও জিলা সাহিত্য সভাৰ কাৰ্যালয়ৰ শশীকান্ত হাজৰিকা ভৱনত জিলা সভাপতি প্ৰতাপ হাজৰিকাৰ সভাপতিত্ব আজি অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এক আলোচনা সভা অনুষ্ঠিত হয়। জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্তই আঁত ধৰা আলোচনা সভাত 'অসম সাহিত্য সভাৰ দীঘলীয়া যাত্ৰাত হোৱা নিজৰ অনুভৱ প্ৰকাশ' শীৰ্ষক আলোচনাৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুবুমণি গোস্বামী, প্ৰাক্তন সম্পাদক তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অজিত শৰ্মা, জিলা প্ৰাক্তন উপ-সভানেত্ৰী চন্দ্ৰলেখা গোহাঁই লাহনৰ লগতে মৰিগাঁও শাখা সাহিত্য সভাৰ সভাপতি ঘন বৰা, মৰিগাঁও শাখা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী স্মৃতিৰেখা গোহাঁই, অসম সাহিত্য সভাৰ আজীৱন সভ্য ডাঃ পুনিৰাম পাতৰ, পোনা দেৱী মহন্ত, প্ৰদীপ পৰাশৰ, জিলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদিকা অৰ্চনা শৰ্মা, অসম লেখিকা সংস্থাৰ মৰিগাঁও জিলাৰ সভানেত্ৰী শেৱালী শৰ্মা বৰকটকী, জিলা কবি সন্মিলনৰ উপ-সভানেত্ৰী জৰ্জিনা বেগম হুছেইন, বাৰপূজীয়া শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুতুল ডেকা, বৰঙাবাৰী শাখা সাহিত্য সভাৰ সভাপতি গহন বৰাই। ইফালে, সন্ধিয়াৰ ভাগত জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰেন্দ্ৰ বৰা, কুঁহি উপ-সমিতিৰ সভানেত্ৰী পৰমেশ্বৰী ডেকা আৰু কবি কল্পতৰু চৌধুৰীয়ে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটোৰ কাৰ্যসূচী সামৰণি ঘটায়। মৰিগাঁও জিলা সাহিত্য সভাৰ দ্বাৰা আয়োজিত শতবৰ্ষ অতিক্ৰম কৰা বৰেণ্য অনুষ্ঠানটোৰ লগতে অসমীয়া ভাষা সাহিত্যলৈ নামি অহা গভীৰ সংকট সন্দৰ্ভত সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে অসমীয়া ভাষা, সাহিত্য, কৃষ্টি সদায় চিৰ প্ৰবহমান হৈ থাকিব বুলি আশা প্ৰকাশ কৰে। ইপিনে, মৰিগাঁও জিলা সাহিত্য সভাৰ কাৰ্যালয়ত কালি অসম সাহিত্য সভাৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত জিলা সাহিত্য সভাৰ অন্তৰ্গত প্ৰতিখন শাখাৰ বিষয়ববীয়াই অংশগ্ৰহণেৰে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## বৰ নগাঁৱত দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ শাখা গঠন

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৮ ডিচেম্বৰ ঃ** মঙলদৈৰ বৰ নগাঁৱত যোৱা ২৭ ডিচেম্বৰত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ এটা শাখা গঠন কৰা হয়। বৰ নগাঁৱৰ কলিয়া মন্দিৰ প্ৰাংগণত সংঘৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হয় কৃষ্টি প্ৰদৰ্শন। ভোলাৰাম নাথে আঁত ধৰা আৰু সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই বিস্তৃত ব্যাখ্যা আগবঢ়োৱা কৃষ্টি সমাৰোহৰ অন্ততঃ তিনিখন গাঁও ক্ৰমে চোটো নগাঁও, বৰ নগাঁও, ঘাতুৱাপাৰা গাঁৱৰ ৰাইজৰ উপস্থিতিত ভোলাৰাম নাথ, ইন্দ্ৰকান্ত নাথক উপদেষ্টা, খগেন নাথ ওজাক সভাপতি, ভদ্ৰকান্ত নাথ, জিতু বড়াক উপ-সভাপতি, নিপেন নাথক সম্পাদক, প্ৰবোধ নাথ, ক্ষীৰদা নাথক সহ-সম্পাদিকা আৰু ৰেখাৰাণী দেৱী, দুলুৰাণী বড়াক সাংগঠনিক সম্পাদিকা হিচাপে লৈ ২১ জনীয়া দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ বৰ নগাঁও শাখাটো গঠন কৰা হয়। দীপশিখা নাথৰ চিয়াগীতেৰে আৰম্ভ হোৱা সভাখনত সংঘৰ উপ-সভাপতি মহেন্দ্ৰ চহৰীয়া, সদস্য নীলকান্ত ডেকা, প্ৰকাশন সমিতিৰ সভাপতি পৱন কুমাৰ কলিতা, ন্যাস সমিতিৰ সভাপতি দুৰ্লভ শৰ্মা উপস্থিত থাকে।

## পুৰণি পেঞ্চন ব্যৱস্থা বাহালৰ দাবীত তিনিচুকীয়াত প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৮ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত আজি অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ উদ্যোগত জিলাখনৰ শতাধিক কৰ্মচাৰীয়ে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদৰ জৰিয়তে সংগঠনটোৰ তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যকৰী সভাপতি হিৰেশ্বৰ দাস আৰু সম্পাদক উজ্জ্বলদ্বীপ শৰ্মাৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ জিলা উপায়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। স্মাৰকপত্ৰ জৰিয়তে সংগঠনটোৱে মুখ্যমন্ত্ৰীক নতুন পেঞ্চন ব্যৱস্থাৰ অৱসান ঘটাই পুৰণি পেঞ্চন ব্যৱস্থা বাহাল কৰাৰ লগতে ১০ দিন চাকৰি কৰিলেও ডিচিআৰজিৰ বাবদ ১০ লাখ টকা দিয়াৰ প্ৰতিশ্ৰুতি বাস্তৱায়িত কৰাৰ আহ্বান জনায়।

## টীয়কৰ কুমাৰভেটি প্ৰাথমিক বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি আৰম্ভ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৮ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ মধ্য যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত কুমাৰভেটি প্ৰাথমিক বিদ্যালয়ৰ ২০২১-২২ৰ বাৰ্ষিক খেল-ধেমালি তথা ক্ৰীড়া প্ৰতিযোগিতাসমূহ কালিৰে পৰা আৰম্ভ হৈছে। বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহকাৰী বিদ্যায়তনিক দিশৰ প্ৰতিভা বিকাশৰ অন্যতম থলী বাৰ্ষিক খেল-ধেমালিৰ অনুষ্ঠানটোৰ উপলক্ষে পুৱা সহকাৰী শিক্ষয়িত্ৰী সংগীতা বৰাই এগছি বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰাৰ পাছত বিদ্যালয়ৰ প্ৰধান শিক্ষক দিগন্ত চাংমায়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। অহা ৩০ ডিচেম্বৰলৈকে চলিবলগীয়া বাৰ্ষিক খেল-ধেমালিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অংক দৌৰ, এঠেঙীয়া দৌৰ, পাৰ-পানী, ৰছী টনা, টেকেলি ভঙা, মিউজিক চেয়াৰকে ধৰি বহুতো ক্ৰীড়া আৰু বিয়ানাম, আধুনিক গীত, ভেকচন, কবিতা আবৃত্তি, আকস্মিক বক্তৃতা, কুইজ আদি সাহিত্য-সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব বুলি প্ৰধান শিক্ষকে জানিবলৈ দিছে।

## নাহৰকটীয়া প্ৰেছ ক্লাবৰ সাংবাদিকতাৰ প্ৰশিক্ষণ কৰ্মশালাত ডেৰ শতাধিক শিক্ষাৰ্থীৰ অংশগ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ২৮ ডিচেম্বৰ ঃ** নাহৰকটীয়া প্ৰেছ ক্লাবৰ উদ্যোগত যোৱা ২৩ ডিচেম্বৰৰ পৰা নাহৰকটীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত চাৰিদিনীয়াকৈ অনুষ্ঠিত সাংবাদিকতাৰ প্ৰশিক্ষণ আৰু কৰ্মশালা শিবিৰ যোৱা ২৬ ডিচেম্বৰত সামৰণি পৰে। ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ আৰু তিনিচুকীয়া জিলাক সামৰি অনুষ্ঠিত কৰ্মশালাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীৰ লগতে টিংখং, নাহৰকটীয়া আৰু অন্যান্য মহাবিদ্যালয়ৰ প্ৰায় ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ আৰু কৰ্মশালা শিবিৰত দৈনিক অসমৰ জ্যেষ্ঠ সহকাৰী সম্পাদক বেদব্ৰত মিশ্ৰ, ডিৱাই ৩৬৫ চেনেলৰ মুখ্য সম্পাদক অতুন ভূএগ্ৰা, অসম আদিত্য কাকতৰ কাৰ্যবাহী সম্পাদক মনজিৎ বৰা, টাইম আঠৰ মুখ্য সম্পাদক ঋতুস্মিন শৰ্মা, ডিৱাই ৩৬৫ চেনেলৰ ব্যুৰ' চীফ ভাস্কৰজ্যোতি দাস, নিউজ লাইভ চেনেলৰ ব্যুৰ' চীফ সুৰজ দত্ত আৰু প্ৰাগ নিউজ চেনেলৰ উজনি অসমৰ ব্যুৰ' চীফ উৎপল বৰা সমল ব্যক্তিৰূপে ছাত্ৰ-ছাত্ৰীসকলক সাংবাদিকতাৰ আদিপাঠ, সাংবাদিকতাৰ আৱশ্যকীয় গুণাৱলী, সংবাদৰ চৰিত্ৰ আৰু দায়বদ্ধতা, অসমত টেলিভিছন সাংবাদিকতাৰ সম্ভাৱনা, বৈদ্যুতিন মাধ্যমৰ সাংবাদিকে জানিবলগীয়া প্ৰাথমিক কথাসমূহকে ধৰি সাংবাদিকতা ক্ষেত্ৰখনৰ বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। সাংবাদিকতাৰ প্ৰশিক্ষণ আৰু কৰ্মশালা শিবিৰৰ অন্তিম দিনা ছাত্ৰ-ছাত্ৰীসকলক নাহৰকটীয়া নামফাকে গাঁৱত থকা নামফাকে বৌদ্ধ বিহাৰ পৰিদৰ্শন কৰাই নামফাকে গাঁৱৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ কৃষ্টি, সংস্কৃতিৰ বিষয়ে চমু আভাস দিয়া হয়। ইয়াৰ পাছতেই নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তৰংগ কল্লোল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা, বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠান। অনুষ্ঠানত নাহৰকটীয়াৰ প্ৰথমগৰাকী সাংবাদিক প্ৰয়াত তিলেন্দ্ৰ নাথ মহন্ত আৰু নাহৰকটীয়া প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত বিপুল ভাগৱতীৰ প্ৰতিচ্ছবিত মালাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জনায় আপকুৰ মুখ্য উপদেষ্টা মনোজ সিং আৰু প্ৰেছ ক্লাবৰ সভাপতি সীমান্ত ভাগৱতীয়ে। মুকলি সভা উদ্বোধন কৰে অইল ইণ্ডিয়া লিমিটেডৰ জনসম্পৰ্কৰক্ষী বিষয়া জয়ন্ত বৰমুদৈয়ে।



ইফালে, এই মুকলি সভাতে নাহৰকটীয়া প্ৰেছ ক্লাবে চলিত বৰ্ষৰ পৰা প্ৰৱৰ্তন কৰা তিনিটা বঁটা প্ৰদান কৰা হয়। ইয়াৰে প্ৰথমটো বঁটা নাহৰকটীয়াৰ প্ৰথমজন সাংবাদিক 'তিলেন্দ্ৰ নাথ মহন্ত সোঁৱৰণী সাংবাদিকতা বঁটা ২০২১' প্ৰদান কৰা হয় নিউজ লাইভৰ জ্যেষ্ঠ সাংবাদিক ছায়ামণি ভূএগ্ৰাক। দ্বিতীয়টো বঁটা নাহৰকটীয়া প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি 'বিপুল ভাগৱতী সোঁৱৰণী সাংবাদিকতা বঁটা ২০২১' প্ৰদান কৰা হয় নিয়মীয়া বাৰ্তা কাকতৰ ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰাক আৰু 'যুৱ সাংবাদিকতা বঁটা ২০২১' প্ৰদান কৰা হয় নিউজ ১৮ আৰু প্ৰতিদিন কাকতৰ নাহৰকটীয়াৰ সাংবাদদাতা উৎপল চলিহাক। তিনিওগৰাকী বঁটা প্ৰাপ্তকে এখন ফুলাম গামোচা, চেলেং চাদৰ, সম্বৰ্ধনা পত্ৰ, জাপি, স্মাৰক আৰু মাননিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

আনহাতে, এই সভাতেই সাংবাদিকতাৰ প্ৰশিক্ষণ আৰু কৰ্মশালাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহি অংশগ্ৰহণ কৰা ১৫০ প্ৰশিক্ষাৰ্থীক একোখনকৈ মানপত্ৰ প্ৰদান কৰাৰ লগতে শ্ৰেষ্ঠ তিনিগৰাকী ক্ৰমে টিংখং কলেজত অধ্যয়নৰত পিংকী গগৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণসংযোগ বিভাগত অধ্যয়নৰত বেদান্ত কলিতা আৰু ৰঞ্জিতা ভট্টাচাৰ্যক এটা স্মাৰক, মানপত্ৰ আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হয়। এই তিনিওটা শ্ৰেষ্ঠ প্ৰশিক্ষাৰ্থীৰ পুৰস্কাৰ আগবঢ়োৱাত সহযোগিতা আগবঢ়ায় জি এণ্ড বি কনষ্ট্ৰাকচনে। মুকলি সভাত প্ৰয়াত তিলেন্দ্ৰ নাথ মহন্ত আৰু বিপুল ভাগৱতীৰ পৰিয়াল বৰ্গৰ লগতে নামৰূপৰ বিশিষ্ট সমাজকৰ্মী ৰঞ্জিত বৰুৱা, বিজেপিৰ জয়পুৰ মণ্ডলৰ সভাপতি মৃদুল কলিতা, নাহৰকটীয়াৰ বিশিষ্ট সমাজকৰ্মী শৈলেন মন্ত্ৰী, নাহৰকটীয়া মুছলমান সমাজ, ভোজপুৰী ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, বেংগলী যুৱ ছাত্ৰ ফেডাৰেছনৰ ডিব্ৰুগড় জিলাৰ সভাপতি সুব্ৰত লোধ, শিক্ষক বিশ্ব মোহন চুতীয়া, প্ৰবীণ গগৈ আদিৰ লগতে বহু ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে নাহৰকটীয়া প্ৰেছ গিল্ডৰ সাংবাদিকসকলকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানটো আয়োজন কৰাত নাহৰকটীয়া প্ৰেছ ক্লাবক মুখ্যভাৱে সহযোগিতা আগবঢ়াই অইল ইণ্ডিয়া লিমিটেড দুলীয়াজান, অসম পে'ট্ৰ' কেমিকেলছ নামৰূপ, লেঙেৰীজান চাহ বাগিচা, ডিচাম চাহ বাগিচাই লগতে এই অনুষ্ঠানৰ প্ৰতিটো দিনতেই উপস্থিত থাকি নাহৰকটীয়া প্ৰেছ ক্লাবক সহযোগিতা আগবঢ়াই লেখিকা প্ৰণামী বৰকটকী মহন্তই।

## হাজোৰ বৰহাৰদিয়াত কাঠফুলা প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৮ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰহাৰদিয়াস্থিত জনকল্যাণ সংঘ, পুথিভঁৰালত বিষ্ণুজ্যোতি জনকল্যাণ সমিতিৰ উদ্যোগত আৰু নাবাৰ্ডৰ সহযোগত অনুষ্ঠিত ১৩ দিনীয়া কাঠফুলা খেতিৰ প্ৰশিক্ষণ শিবিৰৰ যোৱা ২৭ ডিচেম্বৰত সামৰণি পৰে। হাজোৰ বৰহাৰদিয়া জনকল্যাণ সংঘ আৰু পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত অঞ্চলটোৰ অৰ্ধশতাধিক উদ্যমী মহিলা যুৱতীসকলে অংশগ্ৰহণ কৰি স্বাৱলম্বী হোৱাৰ লক্ষ্যৰে ৰূপান্তৰৰ পথ সূচনা কৰে। সামৰণি অনুষ্ঠানৰ সভাত সমল ব্যক্তি পৰেশ ৰাজবংশী, মিতুল দাস, ৰক্তিম ৰঞ্জন কাশ্যপ, কনক চন্দ্ৰ কলিতা, শিক্ষক নাৰায়ণ কলিতা, ক্ষেত্ৰীহাৰদিয়া গাঁও পঞ্চায়তৰ সভাপতি মৃণাল কলিতা, যুৱ সাংবাদিক অনামিকা কলিতাই প্ৰশিক্ষণত ভাগ লোৱা মহিলা-যুৱতীসকলক নিজকে স্বাৱলম্বী কৰি অৰ্থনৈতিকভাৱে আগবাঢ়ি যাবলৈ আহ্বান জনায়। লগতে প্ৰশিক্ষণত অংশ লোৱা উদ্যমী মহিলা-যুৱতীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰে।

## গ্ৰাহকক ফোনযোগে ভাবুকি প্ৰদান মাইক্ৰ'ফাইনেন্স কোম্পানীৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৮ ডিচেম্বৰ ঃ** কৰ'না মহামাৰীৰ ভৱাবহতাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে দেশত তলাবন্ধ ঘোষণা কৰিছিল। জনস্বাৰ্থত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঋণ লৈ গাড়ী-মটৰ চাইকেল লোৱা গ্ৰাহকসকলৰ সেই সময়ত ঋণৰ সূত নল'বলৈ ফাইনেন্স কোম্পানীসমূহক আহ্বান জনাইছিল। সেই মৰ্মে গ্ৰাহক ৰাইজে ঋণ সম্পূৰ্ণ পৰিশোধ কৰাৰ পাছতো এতিয়া তলাবন্ধৰ সময়ৰ সূত বিচাৰি অতিষ্ঠ কৰিছে বিভিন্ন ফাইনেন্স কোম্পানীৰ লোকে। আনকি সূত নিদিলে আদালতত গোচৰ দিব বুলিও ভাবুকি প্ৰদান কৰিছে। ইয়াৰ ভিতৰত এল এন'টি কোম্পানীৰ লোকে ফোন কৰা দুটা নম্বৰ হ'ল ৯১৬৩৯৮৯৬৫/ ৩৩৬৮১১৩৪০০ এই ক্ষেত্ৰত ভুক্তভোগী ৰাইজৰ আহ্বান দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ চৰকাৰৰ নিৰ্দেশ নমনা ফাইনেন্স কোম্পানীসমূহৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰক নহ'লে ভৱিষ্যতে এই ফাইনেন্স কোম্পানীসমূহে নিজৰ মইমতালিৰে চৰকাৰৰ নিৰ্দেশক ভেঙুচালি কৰাৰ আশংকাই অধিক।

## নতুন পেঞ্চন বাতিলৰ দাবীৰে প্ৰাথমিক শিক্ষকৰ ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৮ ডিচেম্বৰ ঃ** 'নতুন পেঞ্চন নীতি বাতিল কৰক, ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰক, প্ৰধান শিক্ষকৰ পদ সৃষ্টি কৰক, বৃত্তি পৰীক্ষা অনুষ্ঠিত কৰক, ৮৭০০ টকা ঘূৰাই দিয়ক, ঠিকাভিত্তিক শিক্ষকৰ প্ৰাপ্য মৰগীয়া বানচ মোকলাই দিয়ক' আদি ধ্বনিৰে কালি উত্তাল হৈ পৰে ৰাজ্যৰ ৩৩ জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় চৌহদ। অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ আহ্বান ক্ৰমে নতুন পেঞ্চন নীতি বাতিলৰ দাবীত ভাৰতবৰ্ষৰ প্ৰতিটো জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ক্ষতি নোহোৱাকৈ বিদ্যালয় বন্ধ নাৰাখি সৰ্বাধিক এশ জন শিক্ষকেৰে ৰাজ্যৰ সকলো জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত দিনৰ ১২ বজাৰ পৰা এঘণ্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ভাৰপ্ৰাপ্ত সভাপতি আনোৱাৰ হুছেইন আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে শান্তিপূৰ্ণভাৱে কাৰ্যসূচী সফল ৰূপায়ণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কাৰ্যসূচীলৈ সমৰ্থন জনোৱা সদৌ অসম সন্মিলিত শিক্ষক মঞ্চ, সদৌ অসম এনপিএছ কৰ্মচাৰী সন্থাকে ধৰি সকলো সংগঠনকে কৃতজ্ঞতা জনাইছে। ৰাজ্য চৰকাৰে যদি সমস্যাসমূহ জানুৱাৰীৰ ভিতৰত সমাধান নকৰে তেন্তে অহা ফেব্ৰুৱাৰীত ব্যাপক সংগ্ৰাম গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰিছে।

## ছিপাঝাৰত অসম সাহিত্য সভাৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস



**■ ১৫ টা শাখা সভালৈ শতদল-স্বৰ্ণ শাখা হিচাপে স্বীকৃতি পত্ৰ প্ৰদান**

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২৮ ডিচেম্বৰ ঃ** ছিপাঝাৰ সাহিত্য সভাৰ উদ্যোগত যোৱা ২৭ ডিচেম্বৰত দৰং জিলা সাহিত্য সভাই অসম সাহিত্য সভাৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস ছিপাঝাৰস্থিত স্মৃতি ভৱনত উদ্‌যাপিত হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি চন্দ্ৰকান্ত নাথ আৰু উপ-সভাপতি হৰেণ ডেকাই। আবেলি দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন কুমাৰ ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বন্তি প্ৰজ্বলন কৰে উপ-সভাপতি বৰদা শইকীয়াই। চিৰ চেনেহী মোৰ ভাষা জননী পৰিবেশনেৰে আৰম্ভ হোৱা মুকলি সভাৰো উদ্বোধন কৰে লখিমী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্য সংগঠক দ্বিপেন শৰ্মাই। নিৰ্দিষ্ট বক্তাৰ আসনৰ পৰা বক্তব্য আগবঢ়ায় অসম সাহিত্য সভাৰ প্ৰাক্তন বিষয়ববীয়া, শিক্ষাবিদ, সু-বক্তা ড° গণেশ্বৰ চহৰীয়াই। বিশিষ্ট অতিথি হিচাপে বক্তব্য আগবঢ়ায় ক্ৰমে অসম সাহিত্য সভাৰ মুখপাত্ৰ ড° সঞ্জীৱ কুমাৰ শৰ্মা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শশীধৰ নাথ, প্ৰাক্তন উপ-সভাপতি নীলকান্ত চহৰীয়া আৰু অসম সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ড° ৰামচন্দ্ৰ ডেকাই। অনুষ্ঠানত দৰং জিলাৰ ব্যতিক্ৰমী কাৰ্যসূচী 'ব্যক্তি পৰিচয় আৰু প্ৰতিভা' শিতানত দৰঙৰ বিভিন্ন ক্ষেত্ৰৰ পাঁচগৰাকী বিশিষ্ট বয়োজ্যেষ্ঠ ব্যক্তি ক্ৰমে ড° লোকেশ্বৰ নাথ, প্ৰভাত চৌধুৰী, ৰাজেন্দ্ৰ বৰুৱা, হংসেশ্বৰী শইকীয়া আৰু চন্দ্ৰাবালা দেৱীক সম্বৰ্ধনা জনোৱা হয়। জিলা সম্পাদক গৌতমানন্দ গোস্বামী আৰু শাখা সম্পাদক দুলাল চন্দ্ৰ ডেকাই আঁত ধৰা মুকলি সভাত চলিত কাৰ্যকালত দৰং জিলাৰ ১৫ টা শাখা সভাক শতদল আৰু স্বৰ্ণ শাখাৰ স্বীকৃতি পত্ৰ প্ৰদান কৰা হয়।

## অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী মহানগৰ সমিতিৰ অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৮ ডিচেম্বৰ ঃ** অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী মহানগৰ শাখা সমিতিৰ অষ্টম বাৰ্ষিক অধিবেশন আৰু অসমীয়া গদ্য সাহিত্যৰ জনক, বৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰচাৰক মহাপুৰুষ শ্ৰীশ্ৰীভট্টদেৱৰ তিৰোভাৱ তিথি যোৱা ২৬ ডিচেম্বৰত হাতীগাঁৱৰ সিজুবাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। বিয়লি তিনি বজাত সাহিত্য পৰিষদৰ অসম ৰাজ্যিক কমিটীৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক ধীৰেণ শৰ্মাই উদ্বোধন কৰা সভা সঞ্চালনা কৰে মহানগৰ সমিতিৰ সভাপতি নিশুতি মজুমদাৰে। সভাত পাণ্ডু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা যশস্বী লেখক ভৱানীপ্ৰসাদ অধিকাৰীয়ে মুখ্য বক্তা হিচাপে অংশ লৈ অসমীয়া সাহিত্য জগতলৈ শ্ৰীশ্ৰী ভট্টদেৱৰ অৱদান লগতে তাহানিৰ সাহিত্যৰ স'তে বৰ্তমানৰ সাহিত্যৰ এক তুলনামূলক অধ্যয়নৰ সমীক্ষা দাঙি ধৰে। সভাত সাহিত্য পৰিষদৰ অসম প্ৰদেশ সমিতিৰ উপ-সভাপতি দেৱেশ্বৰ কলিতা, সচিব প্ৰধান কমল কলিতা বিশিষ্ট অতিথি হিচাপে অংশ লয়। মুকলি সভাৰ পূৰ্বে অনুষ্ঠিত বিষয় বাছনি সভাত ড° দেৱেন চন্দ্ৰ দাস, ধীৰেণ শৰ্মা, মীনা কুমাৰী ৰায়মেধি, ৰমেন কলিতা, ডাঃ ইলিয়াচ আলী, তাইৰুল ইছলামক উপদেষ্টা, নিশুতি মজুমদাৰক সভাপতি, বিৰজা দেৱীক কাৰ্যকৰী সভাপতি, ডাঃ যোগেন দাস, মণিৰাম দাস, কমল কলিতাক উপ-সভাপতি, সুভাষ শৰ্মাক সচিব, দীপক শৰ্মাক প্ৰচাৰ সচিব, সুস্মিতা মজুমদাৰক কাৰ্যালয় সচিব বন্দনা ৰায়মেধিক কোষাধ্যক্ষ হিচাপে লৈ আগন্তুক কাৰ্যকালৰ কমিটীখন গঠন কৰে।

■ বন বিভাগৰ অভিযানত জব্দ ৪০ টা কাঠৰ কুণ্ডা, ২০ খন চাইকেল

# সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যত অব্যাহত বনধ্বংস



অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ২৮ ডিচেম্বৰ ঃ** জৈৱ বৈচিত্ৰ্যৰ ভঁৰাল স্বৰূপ শোণিতপুৰৰ মিছামাৰীৰ সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যখন অস্তিত্বৰ সংকটত পৰিছে। অভয়াৰণ্যখনত চলি আছে বন ধ্বংস অভিযান। শোণিতপুৰ জিলাৰ মিছামাৰীৰ উত্তৰ দিশত থকা ২২০ বৰ্গকিলোমিটাৰ ভূমিৰে আগুৰি থকা সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ দুৰ্গম অঞ্চলত চোৰাং কাঠকটীয়াই নিশাৰ ভাগত অবৈধ ভাৱে প্ৰৱেশ কৰি ইডালৰ পাছত সিডালকৈ মূল্যবান গছ নিৰ্বিঘ্নে কাটি বন ধ্বংস চলাই গৈছে। বন্যপ্ৰাণী অভয়াৰণ্যখনৰ নিৰাপত্তাৰ দায়িত্বত থকা বনকৰ্মীসকল যিমানেই নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিছে সিমানেই কাঠকটীয়াই বনধ্বংস চলাই গৈছে। দেওবাৰে দিনৰ ভাগত সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ দুৰ্গম অঞ্চলত চোৰাং কাঠকটীয়াই গোপনে কাঠ কাটি থকাৰ তথ্য লাভ কৰিছিল বন কৰ্মীসকলে। সোমবাৰে বন কৰ্মীসকলে চোৰাং কাঠকটীয়াৰ বিৰুদ্ধে অভিযান চলাই ৪০ টা কাঠ কুণ্ডা আৰু ২০খন চাইকেল জব্দ কৰিবলৈ সক্ষম হয়। পৰিতাপৰ বিষয় যে ইতিমধ্যে প্ৰায় ১১০ বৰ্গ কিলোমিটাৰ অভয়াৰণ্যখনৰ বনভূমি বেদখলকাৰীৰ কবলত। সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত দীৰ্ঘদিনৰ পৰা অবৈধ চোৰাং কাঠ সৰবৰাহকাৰীৰ ঘাটিলৈ পৰিণত হোৱাৰ অভিযোগ উঠি আহিছে। অভয়াৰণ্যখনৰ ভিতৰত থকা মূল্যবান গছ-গছনি কাটি নিশাৰ ভাগত বন বিভাগৰ চকুত ধূলি দি জিলাখনৰ বিভিন্ন প্ৰান্তলৈ চোৰাং কাঠ সৰবৰাহ কৰি আহিছে চোৰাং কাঠ ব্যৱসায়ীয়ে। অভয়াৰণ্যখনৰ ভিতৰত চৰাই-চিৰিকটিৰ মাতৰ বিপৰীতে যন্ত্ৰচালিত কৰতৰ শব্দ ৰজনজনাই থাকে। বিগত কে'বাটাও দশক ধৰি ব্যাপক হাৰত বন ধ্বংস যজ্ঞ চলি থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে।

## তিনিচুকীয়াত ভোটাৰ তালিকাৰ সংক্ষিপ্ত সংশোধনী-২০২২ সন্দৰ্ভত পৰ্যালোচনা সভা

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৮ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু পাবলিক এণ্টাৰপ্ৰাইজ বিভাগৰ সচিব আৰু উজনি অসম আয়ুক্ত তথা ভোটাৰ তালিকা পৰ্যবেক্ষকৰ সহকাৰী বিষয়া মানবেন্দ্ৰ প্ৰতাপ সিঙে কালি তিনিচুকীয়া উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ভোটাৰ তালিকাৰ সংক্ষিপ্ত সংশোধনী-২০২২ সন্দৰ্ভত এখন পৰ্যালোচনা সভাত মিলিত হয়। পৰ্যালোচনা সভাত তিনিচুকীয়া, শদিয়া আৰু মাৰ্ঘেৰিটা নিৰ্বাচনী জিলাৰ জিলা নিৰ্বাচনী বিষয়া, তিনিচুকীয়া জিলাৰ নিৰ্বাচনী নিবন্ধন বিষয়াসকল, তিনিচুকীয়া, শদিয়া আৰু মাৰ্ঘেৰিটাৰ নিৰ্বাচনী বিষয়াসকলৰ লগতে ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল উপস্থিত থাকে। এখন নিখুঁত ভোটাৰ তালিকা প্ৰস্তুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰতিটো চৰকাৰী উন্নয়নমূলক কাম-কাজ তথা উন্নয়নমূলক আঁচনিৰ প্ৰস্তুতিৰ লগতে ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত ভোটাৰ তালিকাৰ তথ্য ভিত্তি হিচাপে লোৱা হয় বুলি সভাত সচিবজনে উল্লেখ কৰে। সেয়েহে ভোটাৰ তালিকা প্ৰস্তুতিৰ সমগ্ৰ প্ৰক্ৰিয়াৰ সঠিক পৰীক্ষণ আৰু বিশ্লেষণ কৰিবৰ বাবে প্ৰতিগৰাকী বিএলঅ', এইআৰঅ', ইআৰঅ' তথা ডিইঅ'সকলক আহ্বান জনায়।হ পৰ্যালোচনা সভাত সচিবজনে ভোটাৰ তালিকাত নতুনকৈ অন্তৰ্ভূক্ত হোৱা ভোটাৰৰ বিষয়েও বুজ লয়। সচিবজনে উপস্থিত নিৰ্বাচনী বিষয়াসকলক ভোটাৰ তালিকা সম্পৰ্কীয় সকলো ওজৰ-আপত্তিৰ গুণগতভাৱে নিষ্পত্তি কৰাৰ লগতে প্ৰতিখন আবেদন পত্ৰৰ যথাযথভাৱে পৰীক্ষণ কৰি কোনো আবেদন যাতে বাদ নপৰে সেয়া সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। সচিব সিঙে ভোটাৰ তালিকাৰ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়াৰ লগতে নিৰ্বাচনী বিভাগৰ কাম-কাজ সন্দৰ্ভত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ স'তেও আলোচনা কৰে। উক্ত পৰ্যালোচনা সভাত তিনিচুকীয়া জিলাৰ উপায়ুক্ত নৰসিং পৱাৰ, নিৰ্বাচনী বিভাগৰ অতিৰিক্ত উপায়ুক্ত মনজিৎ বৰকাকতি, শদিয়া আৰু মাৰ্ঘেৰিটাৰ মহকুমাধিপতি ক্ৰমান্বয়ে অনুপম ডেকা আৰু পলাশ ৰাজকুমাৰ আহোম উপস্থিত থাকে।

## চিৰাং জিলা সাহিত্য সভাৰ অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস

গ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৮ ডিচেম্বৰ ঃ** চিৰাঙৰ বৰতালোৱা যুৱ কল্যাণ সমিতিত চিৰাং জিলা সাহিত্য সভাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে যোৱা ২৭ ডিচেম্বৰত অসম সাহিত্য সভাৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি জিলা সাহিত্য সভাৰ সভাপতি গৌৰী শংকৰ বৰ্মনে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কৰে জিলা সাহিত্য সভাৰ উপ-সভাপতি হৰিলাল ৰায়নে। তাৰ পাছতে জিলা সাহিত্য সভাৰ সভাপতি গৌৰী শংকৰ বৰ্মনৰ সভাপতিত্বত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত হয় সাহিত্য পৰ্যালোচনা সভা। সভাত জিলাখনৰ কে'বাটাও শাখা সাহিত্য সভাৰ পৰা আহি উপস্থিত হোৱা সাহিত্য অনুৰাগীৰ লগতে সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অমৃত নাৰায়ণ পাটগিৰি উপস্থিত থাকে। সভাত চিৰাং জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ বিটিআৰৰ পাৰিষদ প্ৰদীপ বৰ্মনৰ লগতে অসম সাহিত্য সভাৰ হিতৈষী সদস্য আলহাজ খাদেমুল হুছেইনো উপস্থিত থাকে। বৰতালোৱা ছাতিপুৰ অঞ্চলৰ শতাধিক সাহিত্য অনুৰাগীৰ উপস্থিতিত আয়োজিত সভাত পাৰিষদ প্ৰদীপ ৰায়নে অৱসৰপ্ৰাপ্ত শিক্ষক তথা সাহিত্যিক এম নজমুল হকৰ কবিতাপুথি 'অস্তগামী বেলিৰ কিৰণ' উন্মোচন কৰে। কবিতাপুথি উন্মোচনৰ পাছতে চিৰাং জিলাৰ সংখ্যালঘু অধ্যুষিত বৰতালোৱাৰ দৰে ঠাইত যুৱ কল্যাণ সমিতিৰ সহযোগত আয়োজিত প্ৰতিষ্ঠা দিৱসত পাৰিষদ ৰায়নে বৰতালোৱাৰ লোকৰ শলাগ লয় আৰু সাহিত্যৰ দিশত সকলোকে আগবাঢ়ি আহি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰাত অৰিহণা যোগাবলৈ আহ্বান জনোৱাৰ লগতে চিৰাং জিলা সাহিত্য সভাৰ স্থায়ী কাৰ্যালয় নিৰ্মাণৰ বাবে চাৰি লাখ ৯০ হেজাৰ টকাৰ অনুদানৰ পাৰিষদ পুঁজিৰ পৰা দিয়াৰ কথা প্ৰকাশ কৰে। ৰায়নে অসমত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ ক্ষেত্ৰতো উদ্বেগ প্ৰকাশ কৰে। সভাত স্বৰচিত কবিতা পাঠ কৰে ঢালিগাঁও শাখা সাহিত্য সভাৰ সভাপতি অতুল চন্দ্ৰ ৰায়, আলহাজ খাদেমুল ইছলাম, বৰ্ণালী তালুকদাৰ, দেৱান গাজি মোস্তাফা, জিলা সাহিত্য সভাৰ সম্পাদক উপেন ৰায়কে আদি কৰি কে'বাজনো লোকে নিজৰ নিজৰ স্বৰচিত কবিতা পাঠ কৰে। সভাৰ শেষত জিলা সাহিত্য সভাই বৰতালোৱা ছাতিপুৰ শাখা সাহিত্য সভা গঠনত শলাগ লয়। অৱসৰপ্ৰাপ্ত শিক্ষক এম নজমুল হকক সভাপতি আব্দুল মালেক আহমেদক সম্পাদক হিচাপে লৈ গঠিত হৈছে বৰতালোৱা ছাতিপুৰ শাখা সাহিত্য সভা।

### সূৰুযবুলীয়া তেজস্বী অনুৰাগ' উন্মোচন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৮ ডিচেম্বৰ ঃ** গোলাঘাট সমন্বয় ক্ষেত্ৰত কালি অনুষ্ঠিত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসত কবি দিলৱাৰ হুছেইনৰ নৱতম কাব্যগ্ৰন্থ সূৰুজবুলীয়া তেজস্বী অনুৰাগ' উন্মোচন কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। অনুষ্ঠানত উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, অধ্যাপক দেৱজিৎ ফুকন, প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশী, প্ৰহ্লাদ তাছা, দিগন্ত কুমাৰ ভূঞা, গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি পৱিত্ৰ বৰবৰা, সম্পাদক বন্তি বৰা, কবি হেমা চৌধুৰী গগৈ আদি কৰি ১৩ পৃষ্ঠাত চাওক

## মৰিগাঁৱত জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ

■ কে'বাটাও দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৮ ডিচেম্বৰ ঃ** পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন নীতি বাহল ৰখাকে ধৰি ৰাজ্য চৰকাৰক কে'বাটাও দাবী জনাই যোৱা ২৭ ডিচেম্বৰত মৰিগাঁৱত জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। অসম ৰাজ্যিক প্ৰাথমিক সন্মিলনীৰ আহ্বানত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত পুৱাৰ ভাগৰ পৰা ৰূপায়ণ হোৱা ধৰ্ণা কাৰ্যসূচীত প্ৰাথমিক শিক্ষক সন্মিলনীৰ কে'বা শতাধিক বিষয়ববীয়া তথা সদস্যসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে পৰিৱেশ উত্তাল কৰি তোলে। ৰাজ্যৰ লগতে মৰিগাওঁ জিলাৰ সকলো ধৰণৰ ঠিকাভিত্তিক শিক্ষকৰ চাকৰি স্থায়ী পদত নিয়মীয়া কৰা, নতুন শিক্ষানীতি ২০২০ত শিক্ষকৰ স্বাৰ্থহানিকৰ নীতি প্ৰত্যাহাৰ কৰিবলৈ মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে অসম চৰকাৰক দাবী জনোৱাৰ উপৰি প্ৰধান শিক্ষকৰ পদ স্নাতক শিক্ষকৰ পৰা কাঢ়ি নিয়া ৮৭০০ টকা গ্ৰেড পে' ঘূৰাই দিয়াৰ লগতে অসম শিক্ষা বিভাগে গ্ৰহণ কৰা সিদ্ধান্ত শীঘ্ৰে কাৰ্যকৰী কৰিবলৈ দাবী জনায়। লগতে চুক্তি অনুসৰি ঠিকাভিত্তিক শিক্ষকৰ প্ৰাপ্য মৰগীয়া বানচ মোকলাই দিয়া আৰু আৰ্জিত ছুটী বছৰি ৩০ দিনলৈ বৃদ্ধি কৰাৰ বাবে দাবী জনায়। ইপিনে, জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ত ৰূপায়ণ হোৱা ধৰ্ণা কাৰ্যসূচীৰ পাছতে মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি গন্ধৰ্ব কোঁৱৰ আৰু সম্পাদক ৰুবুল মেধি স্বাক্ষৰিত দাবী সম্বলিত স্মাৰকপত্ৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে।

## বৰপেটা সাহিত্য সভাৰ অধিবেশনত পাঁচখন গ্ৰন্থসহ মুখপত্ৰ উন্মোচন

বিশেষ সংবাদদাতা

**বৰপেটা, ২৮ ডিচেম্বৰ ঃ** বৰপেটা সাহিত্য সভাৰ ১০ সংখ্যক বাৰ্ষিক সভা কালি বৰপেটা সাহিত্য সভাৰ অম্বিকাগিৰী বাণীকান্ত সাহিত্য সভা ভৱনত অনুষ্ঠিত হয়। তিনিদিনীয়াকৈ অনুষ্ঠিত বাৰ্ষিক অধিবেশনৰ আজি মুকলি সভাত ভাষণ দি বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰকাশ শৰ্মাই কয় যে সত্ৰ নগৰী বৰপেটা চহৰ সাহিত্যৰ বহু কেইগৰাকী কাণ্ডাৰীৰ জন্মস্থলী। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ - শ্ৰীশ্ৰীমাধৱদেৱৰ লগতে ছকুৰি ভকত সমন্বিতে শিষ্য-প্ৰশিষ্যই বৰপেটা সমাজত কৃষ্টি-সংস্কৃতিৰ আপুৰুগীয়া সম্পদসমূহ সৃষ্টি কৰাৰ লগতে বহু গ্ৰন্থ ৰচনা কৰি সমাজখন মজবুত কৰি গৈছে । ভাষণ প্ৰসংগত প্ৰকাশ শৰ্মাই বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ইতিহাস সম্বলিত গ্ৰন্থ এখন প্ৰণয়ন কৰাৰ কথাও উল্লেখ কৰে । বৰপেটা



সাহিত্য সভাৰ সভাপতি ডাঃ কমল কৃষ্ণ দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সাহিত্য সভাৰ মুখপত্ৰ বৰপাট উন্মোচন কৰে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই ।ভাষণ প্ৰসংগত দত্তই কয় যে, যুৱ সমাজক কিদৰে উদ্বুদ্ধ কৰিব পাৰে তাৰ বাবে সাহিত্য সভাই লোৱা উদ্যোগক শলাগ লোৱাৰ, লগতে 'বৰপাট'-এ বৰপেটা জিলাৰ পৰিচয় দাঙি ধৰিব বুলি আশা কৰে। সকলো ব্যস্ততাৰ মাজতে সাহিত্য চৰ্চাৰ ধাৰা জীয়াই ৰখাৰ বাবে বৰপেটা সাহিত্য সভাই লোৱা প্ৰচেষ্টা মহৎ বুলি উল্লেখ কৰে। বৰ্তমান বিশ্বৰ বহু মনীষীৰ কথা আজিৰ প্ৰজন্মই কম্পিউটাৰৰ মাধ্যমেৰে জানে যদিও পুৰণি বহু কৃতবিদ্য লোকসকলৰ কথা নাজানে। সেই বিষয়ে জনাৰ বাবে সাহিত্য সভাৰ দৰে ভাষা- সংস্কৃতিৰ পূজাৰী সকলে কৰিব লাগিব বুলি কয়। মুকলি সভাত ছায়া দেবী দাসৰ 'স্মৃতিৰ সাঁফৰ খুলি', আশা কাকতি দাসৰ 'যুটিলা-কুটিলা', দেৱলতা মেধিৰ 'আহিনৰ পুৱা ফুলিলে কঁহুৱা', সবিতা দাস মেধিৰ 'জীয়া পাতৰ মৰম', ১৩ পৃষ্ঠাত চাওক

## ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি, নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ২৮ ডিচেম্বৰ ঃ** কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ছাত্ৰ সংগঠন ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিৱসাগৰ জিলা সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন দেওবাৰে সামৰণি পৰে। নাজিৰা মহকুমাৰ ঐতিহাসিক বাঁহগড় অঞ্চলৰ গণশিল্পী ভূপেন বড়া সমন্বয় ক্ষেত্ৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত অধিবেশনৰ প্ৰথম দিনা পুৱা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি পৰাশৰ কোঁৱৰে পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছতে ছহিদ তৰ্পণ কৰে জিলা সমিতিৰ আন জন সভাপতি ঋতুমণি হাজৰিকাই আৰু গছপুলি ৰোপণ কাৰ্যসূচী স্থানীয় সমাজকৰ্মী বিমল বড়াই সমাপন কৰে। ইয়াৰ পাছতে প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উদ্‌ঘাটন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি ধ্ৰুৱ বড়াই। দুপৰীয়া ভেদ একাডেমীৰ উদ্যোগত শিক্ষাবিদ সীতাৰাম বৰগোহাঁই সোঁৱৰণী সদৌ অসম ভিত্তিত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। একবিংশ শতিকাত ছাত্ৰ আন্দোলনৰ ভূমিকা' শীৰ্ষক বিষয়ত অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতাখন উদ্বোধন কৰে বিশিষ্ট নিৱন্ধকাৰ তথা ভূ- তত্ত্ববিদ ড° বিজয় কৃষ্ণ চেতিয়াই। বিয়লি 'কা' আন্দোলনত অসমীয়া নাৰীৰ ভূমিকা' - শীৰ্ষক বিষয়ৰ স্থানীয় মহিলাসকলৰ আলোচনাচক্ৰত মূল বিষয়ৰ ওপৰত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপিকা তন্ময়ী ৰাণী নেওগে আলোকপাত কৰে। সেইদৰে দ্বিতীয় দিনা স্বেচ্ছাসেৱী সংগঠন আৰোহণ'ৰ উদ্যোগত নাজিৰা মহকুমা ভিত্তিত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীৰ শাখাত আইভি বৰুৱা প্ৰথম, অভিনৱ হাতীমূৰীয়া দ্বিতীয় আৰু তনবীৰ বৰুৱাই তৃতীয় স্থান লাভ কৰাৰ লগতে পঞ্চম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ শাখাত কৃষ্টিনা সন্দিকৈয়ে প্ৰথম, বাবলী মেছে দ্বিতীয় আৰু আছিফ আলীয়ে তৃতীয় স্থান লাভ কৰে। দুপৰীয়া গড়গাঁও মহাবিদ্যালয়ৰ ১৩ পৃষ্ঠাত চাওক

## কলগাছিয়াৰ গ্ৰন্থমেলাত পুথি বিক্ৰী-পঢ়াৰ ক্ষেত্ৰত প্ৰচাৰ-প্ৰসাৰ সন্দৰ্ভত আলোচনাচক্ৰ

**কলগাছিয়া, ২৮ ডিচেম্বৰ ঃ** কলগাছিয়া ৰাজহুৱা খেলপথাৰত ছদিনীয়া কাৰ্যসূচীৰে একাদশ কলগাছিয়া গ্ৰন্থমেলাৰ কালি তৃতীয় দিনাৰ কাৰ্যসূচীত পুৱা ১১ বজাত কুইজ প্ৰতিযোগিতা উদ্বোধন কৰে হৰিপুৰ জিলা পৰিষদৰ সদস্য আমজাদ শিকদাৰে। দিনৰ এক বজাৰ পৰা গ্ৰাম্য গ্ৰন্থমেলা অসমীয়া ভাষাৰ পুথি বিক্ৰী আৰু পঢ়াৰ ক্ষেত্ৰত প্ৰচাৰ আৰু প্ৰসাৰ সাধন কৰিছে শীৰ্ষক আলোচনাচক্ৰ উদ্বোধন কৰে লেখক ড° ৰেজাউল কৰিমে। শিৱসাগৰ জিলাৰ ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যাপক ড° শ্বাহি উজ জামানে



সঞ্চালনা কৰা আলোচনাচক্ৰত আলোচক হিচাপে লেখিকা শিখা শৰ্মা উপস্থিত থাকি ভাষণ প্ৰসংগত কয় যে এক কোটি কিতাপ কিনি পঢ়িলেও সেইজন ব্যক্তি শিক্ষিত হ'ব নোৱাৰে যদি তেওঁ কিতাপ অধ্যয়ন কৰি এজন ভাল শিক্ষিত হ'ব নোৱাৰে। ১৩ পৃষ্ঠাত চাওক

## বৰপথাৰৰ দ' পথাৰত ভোগৰ উৎসৱ ভোগালীক আদৰাৰ ব্যাপক প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**বৰপথাৰ, ২৮ ডিচেম্বৰ ঃ** পুহমহীয়া কুঁৱলীৰ আচ্ছাদনে বাট ভেটি কৰিছে আমনি, একোকে নেদেখি কুঁৱলীৰ আৱৰণ ফালি পদূলিমুখত দেখা দিছেহি ভোগৰ উৎসৱ ভোগালী। কুঁৱলীৰ আচ্ছাদনে আৱৰি ৰখা পুহ আৰু মাঘৰ সংক্ৰান্তিতেই অসমীয়াই পালন কৰে ভোগৰ উৎসৱ ভোগালী বিহু। আঘোণ বাগৰি পুহ সোমাল, ব্যস্ততাৰ সীমা নাই চহা কৃষকৰ। কিন্তু ব্যস্ততাৰ মাজতেই সোণোৱালী পথাৰৰ নৰা আৰু বাৰীৰ ঢাপৰ বাঁহ কাটি বৰ্ণিল ভেলাঘৰ সাজিবলৈ প্ৰস্তুতি চলাইছে ৰাজ্যৰ গোলাঘাট জিলাৰ বৰপথাৰ মৌজাৰ দ'পথাৰবাসী ৰাইজে। বিগত প্ৰায় দুবছৰে ৰাইজে বহুলভাৱে আয়োজন কৰিব পৰা নাই ভোগালী বিহু। সেয়েহে ঐক্য-সম্প্ৰীতিৰ এনাজৰী বান্ধোনৰে জাতি, বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ



সহযোগত এইবাৰ সাজু হৈছে দ'পথাৰবাসী ৰাইজ আগন্তুক ইংৰাজী নৱবৰ্ষৰ ১৩ জানুৱাৰীত ভোগালী বিহু উদ্‌যাপনৰ বাবে। ইতিমধ্যে অঞ্চলটোৰ বিভিন্ন ৰাইজক সামৰি জ্ঞানজিৎ দুৱৰাক সভাপতি আৰু কল্পজিৎ কোঁৱৰক সম্পাদকৰূপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতিও গঠন কৰা হৈছে। বৰ্তমান উদ্‌যাপন সমিতিৰ উদ্যোগত ভোগৰ ভোগালীৰ বাবে নৰা কটাত ব্যস্ত গঞা ১৩ পৃষ্ঠাত চাওক

## অভয়াপুৰীত বঙাইগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৮ ডিচেম্বৰ ঃ** অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস কালি বঙাইগাঁও জিলা সাহিত্য সভাই অভয়াপুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত অভয়াপুৰী সাহিত্য সভা ভৱনত উদ্‌যাপন কৰে। এই উপলক্ষে পুৱা সাহিত্য সভাৰ পতাকা উত্তোলন কৰে অভয়াপুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি মৃদুল কুমাৰ দাসে। তাৰ পাছতে সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য নৱ কুমাৰ দাসৰ দ্বাৰা লক্ষ্মীনাথ বেজবৰুৱাৰ আৱক্ষ মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি দুখন গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ৰোহিনী কুমাৰ চৌধুৰীৰ 'বৃন্দাবনী বস্ত্ৰ কথা' আৰু শকুন্তলা চৌধুৰীৰ 'অনুগল্পৰ ৰহঘৰা' উন্মোচন কৰে ক্ৰমে বিশিষ্ট শিক্ষাবিদ তথা বঙাইগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শৰ্মাৰাম দাস আৰু বৰ্তমানৰ জিলা সাহিত্য সভাৰ সভানেত্ৰী ৰমলা ৰায় সৰকাৰে। এই উপলক্ষে ৰমলা ৰায় সৰকাৰৰ সভাপতিত্বত আৰু সম্পাদক বিনোদ কুমাৰ বৰ্মনে আঁতধৰা সভাত লিখক ৰোহিনী কুমাৰ চৌধুৰীয়ে সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ দিনটোত নিজৰ গ্ৰন্থখন উন্মোচিত কৰিবলৈ পাই নিজকে ধন্য বুলি মত ব্যক্ত কৰাৰ লগতে লেখিকা শকুন্তলা চৌধুৰীয়েও নিজৰ অনুভৱ ব্যক্ত কৰে। সাহিত্য সভাৰ কামাখ্যা প্ৰসাদ ৰায়, অনুকুল চন্দ্ৰ নাথ, মমতা চৌধুৰী, দিপুল কুমাৰ ৰায়, অৰবিন্দ অধিকাৰী, অংকিতা চৌধুৰী, বিক্ৰম মেধি আদি উপস্থিত থকা সভাত মীনা শৰ্মাৰ জ্যোতি সংগীত, অনুপ্ৰিয়া কলিতা, বুলুমনি দাস কলিতাৰ কবিতা আৰু ড° ভূপেন হাজৰিকাৰ মৃত্যুৰ দিনা যোগেন ৰাজবংশীয়ে ৰচনা কৰা কবিতাই সকলোকে আপ্লুত কৰে। অনুষ্ঠানৰ শেষত অভয়াপুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক অংকুৰ দাসে শলাগ যাচে।

## তেজপুৰত সদৌ অসম এনপিএছ কৰ্মচাৰী সন্থাৰ অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৮ ডিচেম্বৰ ঃ** ৰাজ্যৰ লগতে তেজপুৰতো আজি এনপিএছ শিক্ষক-কৰ্মচাৰীসকলে বিভিন্ন দাবীত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। তেজপুৰ চহৰৰ মাজমজিয়াত ৰূপায়ণ হোৱা এই প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচীত শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক শিক্ষক-কৰ্মচাৰীৰ লগতে সদৌ অসম মহাবিদ্যালয় শিক্ষক সন্থা, সন্মিলিত শিক্ষক সন্থা আৰু তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰে। আজি দিনৰ ১১ বজাৰ পৰা তেজপুৰ আদালতৰ চাৰিআলিত হাতে হাতে বেনাৰ-ফেষ্টুন লৈ অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা শিক্ষক-কৰ্মচাৰীসকলে চৰকাৰী কৰ্মচাৰীৰ অৱসৰৰ পাছত নতুন পেঞ্চন নীতি প্ৰত্যাহাৰ কৰি পূৰ্বৰ পেঞ্চন ব্যৱস্থা বলৱৎ কৰাৰ লগতে ইতিমধ্যে নতুন পেঞ্চন নীতিৰ আধাৰত অৱসৰ গ্ৰহণ কৰা সকলো অৱসৰপ্ৰাপ্ত কৰ্মচাৰীকে অৱসৰ গ্ৰেচুইটিৰ ১০ লাখ টকাকে ধৰি সকলো সুবিধা আদায় দিয়াৰ দাবী জনায়। আনহাতে, প্ৰতিবাদী শিক্ষক-কৰ্মচাৰীসকলে শোণিতপুৰ জিলাৰ উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰও প্ৰেৰণ কৰে। উল্লেখ্য যে আজিৰ প্ৰতিবাদী কাৰ্যসূচীত অসম কলেজ শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱা, এনপিএছ কৰ্মচাৰী সন্থাৰ ৰাজ্যিক কাৰ্যকৰী সভাপতি জয়ন্ত দাস, সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি মনোজ হাজৰিকা, সম্পাদক ৰাজ কমল দাস, সন্মিলিত শিক্ষক সন্থাৰ সভাপতি ৰঞ্জিত বৰঠাকুৰ আৰু তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ হৈ সপোনটি গোস্বামী, জ্যোতি ভট্টাচাৰ্যয়ো অংশ লয়।

## অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কামৰূপ জিলা সাহিত্য সভাৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ২৮ ডিচেম্বৰ ঃ** কামৰূপ জিলা সাহিত্য সভা, মণিকূট সাহিত্য সমাজৰ উদ্যোগত অসম সাহিত্য সভাৰ ১০৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ মাধৱদেৱ ৰংগমঞ্চত উদ্‌যাপন কৰা হয়। সেই অনুসৰি পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মণিকূট সাহিত্য সমাজৰ সভাপতি প্ৰকাশ দাসে। স্মৃতি তৰ্পণ, তথ্য চিত্ৰ প্ৰদৰ্শন আৰু আলোচনা সত্ৰ অনুষ্ঠিত হয়। সভাত ২০২০-২২ৰ বিশিষ্ট সেৱাৰ বাবে জিলা ভিত্তিত সমাজৰত্ন বঁটা প্ৰদান আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সভাত বঁটা প্ৰাপক ক্ৰমে এমট্ৰনৰ উপ-প্ৰৱন্ধক দিনমণি ভাণ্ডাৰ কায়স্থ আৰু বিশিষ্ট গ্ৰাম্য উদ্যোগপতি বনমালী শৰ্মাক প্ৰশস্তি পত্ৰ, ফুলাম গামোচাৰে সাহিত্য সভাই অভিনন্দন জনায়। বিয়লি জিলা ভিত্তিক কবি সন্মিলন অনুষ্ঠিত হয়। অসম কবি সমাজৰ সভাপতি ৰাজেন্দ্ৰ নাথ বৰদলৈয়ে মুখ্য অতিথি, সম্পাদক প্ৰধান ৰাজীৱ কুমাৰ ফুকন আৰু কল্পদ্ৰুম কাব্যালোচনীৰ সম্পাদিকা বিনীতা বৰুৱা দাসে সঞ্চালনা কৰা কবি সন্মিলনত প্ৰায় দুকুৰি নৱীন-প্ৰবীণ কবিয়ে কবিতা পাঠ কৰে। সভাত কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, সম্পাদক ৰাজেন মহন্ত, পদ্মশ্ৰী ড° সূৰ্যকান্ত হাজৰিকাকে ধৰি কে'বাগৰাকী বিশিষ্ট সাহিত্যিকে অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

## দেৰগাঁও গন্ধৰ্ব সংগীত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**বৰুৱা বামুণগাঁও, ২৮ ডিচেম্বৰ ঃ** দেৰগাঁৱৰ সাংস্কৃতিক ক্ষেত্ৰৰ এটি চিনাকি নাম দেৰগাঁও গন্ধৰ্ব সংগীত মহাবিদ্যালয়। প্ৰতিষ্ঠা কালৰে পৰা সুনাম আৰু সাফল্যৰ ধাৰা অব্যাহত ৰখা সংগীত শিক্ষানুষ্ঠানটিয়ে বৃহত্তৰ দেৰগাঁও তথা গোলাঘাট জিলাৰ বিভিন্ন স্থানৰ সংগীত অনুৰাগী ছাত্ৰ-ছাত্ৰীসকলক শাস্ত্ৰীয় সংগীতৰ পদ্ধতিগত শিক্ষাদান কৰি আহিছে। ১৯৯৬তে আত্মপ্ৰকাশ ঘটা শিক্ষানুষ্ঠানে চলিত বৰ্ষত প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী বৰ্ষ গৰকিছে। সেয়েহে সংগীত মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সম্পৰ্কে আলোচনাৰ্থে যোৱা ২৬ ডিচেম্বৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। দেৰগাঁও ক্ৰীড়া সন্থা ভৱনত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, সমাজপ্ৰাণ অতুল গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত ২০২২ত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ বিভিন্ন কাৰ্যক্ৰমণিকাৰে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সম্পাদক ৰাজেন মহন্তই আঁতধৰা সভাত প্ৰফুল্ল হাজৰিকা, গোপাল কৃষ্ণ খাউণ্ড, প্ৰশান্ত প্ৰদীপ হাজৰিকা, বীৰেন্দ্ৰ কুমাৰ বৰা, বিচিত্ৰ ভূষণ কলিতা, বুবুল চন্দ্ৰ বৰা, গুণীন্দ্ৰ নাথ শৰ্মা, অশোক গোস্বামী, অজিত চন্দ্ৰ দত্ত, তৃপ্তি শইকীয়া, পিয়ালী ঘোষ, ভৱেন বৰপূজাৰী প্ৰমুখ্যে বহুকেইজন ব্যক্তিয়ে বক্তব্য ৰাখি ৰূপালী জয়ন্তী উদ্‌যাপন সম্পৰ্কত দিহা-পৰামৰ্শ আগবঢ়ায়। সভাত সৰ্বসন্মতিক্ৰমে অতুল গোস্বামীক সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰাক কাৰ্যকৰী সভাপতি, ৰাজেন মহন্তক সম্পাদক, ভৱেন বৰপূজাৰী আৰু বিচিত্ৰ ভূষণ কলিতাক যুটীয়া সম্পাদক হিচাপে লৈ ৰূপালী জয়ন্তীৰ উদ্‌যাপন সমিতিখন গঠন কৰা হয়। অধ্যক্ষা স্বপ্না মহন্তৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত সংগীতেৰে আৰম্ভ কৰা সভাৰ আৰম্ভণিতে সদ্যপ্ৰয়াত কে'বাজনো শিল্পী, শিক্ষাবিদ, সমাজকৰ্মী, ছাত্ৰনেতাৰ মৃত্যুত শোক প্ৰকাশ কৰি শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।





## আটাইতকৈ ডাঙৰ জলজ উদ্ভিদ

উদ্ভিদ সাধাৰণতে বিভিন্ন ঠাইত বিভিন্ন প্ৰকাৰৰ দেখা পাওঁ। কিছুমান মাটিত, কিছুমান বেৰত, কিছুমান আন গছৰ ওপৰত আৰু কিছুমান পানীত গজা দেখা যায়। আকৌ কিছুমান উদ্ভিদ পানীৰ তলত গজে। সেইবোৰ জলজ প্ৰাণীবোৰৰ খাদ্য হিচাপে ব্যৱহাৰ হয়। বিশেষকৈ মাছৰ বাবে পানীৰ তলৰ উদ্ভিদবোৰ প্ৰয়োজনীয়। বিশেষকৈ পানীত এনে কিছুমান উদ্ভিদ আৰু ফুল দেখা পোৱা যায় যাৰ আকৃতি ডাঙৰ আৰু গোন্ধও মোহীয়।

ডাঙৰ পুখুৰী বা বিলত লিলি (Water liley) বোৰক পানীত গজা উদ্ভিদক আটাইতকৈ ডাঙৰ বুলি ধৰা হয়। এই উদ্ভিদবিধৰ বৈজ্ঞানীক নাম হ'ল ভিক্টোৰিয়া আমা জোনিকা (Victoria Amazanica)। দক্ষিণ আমেৰিকাৰ পুখুৰী আৰু হ্ৰদত এইবিধ উদ্ভিদ বেছিকৈ পোৱা যায়। পৃথিৱীৰ আন আন দেশতো এইবোৰ দেখা যায়। পশ্চিমবংগত ফেব্ৰুৱাৰীত এই উদ্ভিদ গজে।

১৮০১ত এইবিধ উদ্ভিদক এজন বিজ্ঞানীয়ে আৱিষ্কাৰ কৰে। তেওঁৰ নাম আছিল হ্যানকে চাৰ্হ। ১৮৫৩ত ভাৰতলৈ ইয়াৰ বীজ ইংলেণ্ডৰ পৰা অনা হয়। এইবিধ উদ্ভিদৰ পাত একোখনৰ ব্যাঘ্ৰ প্ৰায় পাঁচ ফুটৰ পৰা সাত ফুট পৰ্যন্ত। কেতিয়াবা ইয়াতকৈ বেছি ডাঙৰ হয়। পাতবোৰ একোখন ডলাৰ নিচিনা। পানীৰ ওপৰত ওপঙি থাকে। পাতখনৰ ওপৰত ১০ক্ট১২ বয়সৰ ল'ৰা-ছোৱালী বহি থাকিব পাৰে। ডিচেম্বৰৰ পৰা ফেব্ৰুৱাৰীৰ ভিতৰত এই উদ্ভিদবোৰৰ ফুল ফুলে। ফুলবোৰ দেখাত পদুম ফুলৰ দৰে।

## জীৱ-জগতৰ তথ্য



১) এই জগতত ফেঁচাই হ'ল একমাত্ৰ পক্ষী, যি নীলা ৰং দেখা পায়।
২) জিৰাফে ২১ ইঞ্চি দীঘল জিভাৰে নিজৰ কাণ চাফা কৰিব পাৰে।
৩) পঁইটাচোৰাৰ মূৰ কাটি দিয়াৰ পাছতো ন দিনলৈ জীয়াই থাকিব পাৰে। তাৰ পাছত পঁইটাচোৰাটোৰ ভোকত মৃত্যু ঘটে।
৪) মেৰু ভালুক হ'ল এবিধ বাঁওহতীয়া প্ৰাণী।
৫) মানুহৰ পাছত ডলফিনেই হ'ল একমাত্ৰ প্ৰাণী, যি নিজৰ আনন্দৰ বাবে কাম কৰে।
৬) মেকুৰীৰ প্ৰস্ৰাৱ ক'লা বৰণৰ পোহৰত জিলিকি উঠে।
৭) কেটেলা পহুৰ হৃৎপিণ্ডৰ কম্পন এক মিনিটত ৩০০ বাৰ হয়। (Hedgehog)
৮) কেৰ্কেটুৱাৰ গড় আয়ুস হ'ল ন বছৰ।
৮) জেঠীৰ হৃৎপিণ্ডৰ কম্পন এক মিনিটত ১০০০ বাৰ হয়।
৯) চীল এনে এবিধ সামুদ্ৰিক প্ৰাণী, যাক ধৰি জাহাজত উঠোৱাৰ পাছত নিজৰ চুলিৰ প্ৰয়োগেৰে নিজকে হঠাৎ বেমাৰীত পৰিণত কৰিব পাৰে।
১০) মানুহৰ পাছতে এই জগতৰ দ্বিতীয় সৰ্বাধিক বুধিয়ক প্ৰাণী হ'ল শিহু। (Porpoise)
১১) মেকুৰীয়ে দৈনিক ১৮ ঘণ্টা শোৱে। কিন্তু মেকুৰীৰ টোপনি গভীৰ নহয়। সামান্য শব্দতে সিহঁতে সাৰ পায়।
১২) এটা অষ্ট্ৰিচ পক্ষীৰ চকু সিহঁতৰ মস্তিষ্কতকৈ ডাঙৰ।
১৩) অষ্ট্ৰেলিয়াত বাস কৰা ডাকবিল (Duckbill) নামৰ সৰু আকাৰৰ প্ৰাণীটোৱে নিজৰ গালৰ ভিতৰফালে প্ৰায় ৬০০ কীট-পতংগ সাঁচি ৰাখিব পাৰে। ডাকবিলৰ গালৰ ভিচৰফালে থকা বিশেষ প্ৰকাৰৰ মোনা এখনত এই পোকবোৰ জমা কৰি ৰাখে।

## কুইজ

প্ৰশ্ন ঃ প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?
উত্তৰ ঃ ভানুমতী।
প্ৰশ্ন ঃ প্ৰথম অসমীয়া কথাছবিৰ মহিলা সংগীত পৰিচালিকা কোন?
উত্তৰ ঃ মনীষা হাজৰিকা
প্ৰশ্ন ঃ অসমৰ যাদুৰ সম্ৰাট বুলি কাক কোৱা হয়?
উত্তৰ ঃ এম এফ হুছেইনক।
প্ৰশ্ন ঃ বিশ্বৰ দীঘল দিন কোনটো?
উত্তৰ ঃ ২১ জুন।



প্ৰশ্ন ঃ বিশ্বৰ বৃহত্তম মন্দিৰ কোনটো?
উত্তৰ ঃ এনকোৰা ৱাট (কম্বোডিয়া)
প্ৰশ্ন ঃ বিশ্বৰ আটাইতকৈ ধনী দেশ কোনখন?
উত্তৰ ঃ লাক্সমবাৰ্গ।
প্ৰশ্ন ঃ বিশ্বৰ আটাইতকৈ দুখীয়া দেশ কোনখন?
উত্তৰ ঃ মোজাম্বিক (আফ্ৰিকা)।
প্ৰশ্ন ঃ বিশ্বৰ বৃহত্তম ফুটবল খেলপথাৰ কোনখন?
উত্তৰ ঃ মাৰাকানা মিউনিচিপাল ষ্টেডিয়াম ব্ৰাজিল।
প্ৰশ্ন ঃ বিশ্বৰ বৃহত্তম ঘণ্টা কি?
উত্তৰ ঃ মস্কোৰ পিতলৰ ঘণ্টা (ওজন ২০০টন)
প্ৰশ্ন ঃ এছএলভি-অ' কিহৰ নাম?
উত্তৰ ঃ ভাৰতৰ প্ৰথম ৰকেটটোৰ নাম।
প্ৰশ্ন ঃ ভাৰত মহাসাগৰৰ আয়তন কিমান?
উত্তৰ ঃ ২,৮৬,০০,০০০ বৰ্গমাইল।
প্ৰশ্ন ঃ কিমান চনত প্ৰথম লেপটপ কম্পিউটাৰ প্ৰৱৰ্তন কৰা হয়?
উত্তৰ ঃ ১৯৮৭ চনত।
প্ৰশ্ন ঃ নিউট্ৰন কোনে আৱিষ্কাৰ কৰিছিল?
উত্তৰ ঃ জে চেডডউইক।
প্ৰশ্ন ঃ ৰাজিকে ফুল কি?
উত্তৰ ঃ কপৌ ফুল।
প্ৰশ্ন ঃ নিয়নলইটৰ বৰণ নীলা কিয় হয়?
উত্তৰ ঃ আৰ্গন গেছ থকা বাবে।




## ইংৰাজী নৱবৰ্ষৰ আৰম্ভণি

**দুদিনৰ** পাছত আমি এটা নতুন বছৰত ভৰি দিম। সেয়ে তোমালোক সকলোটিলৈ নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিলো। আমি সকলোৱে জানো যে পহিলা জানুৱাৰীৰ পৰা ইংৰাজীৰ নতুন বছৰ আৰম্ভ হয়। কিন্তু কেতিয়াৰ পৰা নৱবৰ্ষ উদ্‌যাপনৰ পৰম্পৰা আৰম্ভ হ'ল সেই বিষয়ে হয়তো তোমালোকৰ বহুতেই নাজানা। ইংৰাজীৰ নৱবৰ্ষ আৰম্ভ হয় ইংৰাজীৰ কেলেণ্ডাৰ অনুযায়ী। সম্প্ৰতি গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ অনুযায়ী ইংৰাজীৰ কেলেণ্ডাৰ আৰম্ভ হয়। কিন্তু গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ প্ৰস্তুত হোৱাৰ বহু যুগৰ আগৰ পৰাই ইউৰোপৰ মানুহে পহিলা জানুৱাৰীক নৱবৰ্ষ হিচাপে উদ্‌যাপন কৰিবলৈ আৰম্ভ কৰিছিল।



খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰক যীশু খ্ৰীষ্টৰ জন্মৰ বহু আগতেই নৱবৰ্ষ উদ্‌যাপনৰ পৰ্ব আৰম্ভ হয়। খ্ৰীষ্টপূৰ্ব ১৫৩ত এজন ৰোমান শাসকে পহিলা জানুৱাৰীক চৰকাৰী নববৰ্ষ হিচাপে ঘোষণা কৰে। কিন্তু সেই ঘোষণাক সকলোৱে মানি লোৱা নাছিল। ৰোমান সম্ৰাট জুলিয়াছ চিজাৰে খ্ৰীষ্টপূৰ্ব ৪৬ত এক জানুৱাৰীক নৱবৰ্ষ হিচাপে লৈ এখন নতুন কেলেণ্ডাৰ আৰম্ভ কৰে। মহাপ্ৰতাপী সম্ৰাট চিজাৰে প্ৰচলন কৰা কেলেণ্ডাৰখন সকলোৱে মানি ল'বলৈ বাধ্য হৈছিল। কিন্তু সামান্য দুটামান খেলিমেলি থকাৰ ফলত পৰৱৰ্তী কালত কেলেণ্ডাৰখনে ইউৰোপৰ বহু দেশে নিজা কেলেণ্ডাৰ আৰু নববৰ্ষ পালন কৰিবলৈ লৈছিল। সেই সময়চোৱাতে ২৫ ডিচেম্বৰ আৰু ২৫ মাৰ্চকো নৱবৰ্ষ হিচাপে পালন কৰিবলৈ লোৱা হৈছিল। অৱশেষত ১৫৮২ চনত ৰোমান পোপ গ্ৰেগ'ৰীয়ে এখন নতুন কেলেণ্ডাৰ প্ৰস্তুত কৰে। সেইখনেই হ'ল গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ। এই কেলেণ্ডাৰ অনুযায়ী এক জানুৱাৰীত পুনৰ নতুন বছৰ আৰম্ভ হ'বলৈ ধৰিলে। সেই কেলেণ্ডাৰকে লাহে লাহে সমগ্ৰ বিশ্বই গ্ৰহণ কৰিলে।

## কেতিয়া আহিব নৱবৰ্ষ






**চাওঁতে** চাওঁতে আৰু এটা বছৰ শেষ হ'ল আৰু আন এটা নতুন বছৰক আদৰিবলৈ প্ৰস্তুত হৈছো। তোমালোকেও হয়তো নৱবৰ্ষটোক আদৰিবলৈ বিভিন্ন প্ৰকাৰৰ প্ৰস্তুতি লৈছা। আধুনিক গ্ৰেগৰীয়ান কেলেণ্ডাৰ অনুসৰি সমগ্ৰ বিশ্বই এক জানুৱাৰীত নৱবৰ্ষ পালন কৰি আহিছে। এই নৱবৰ্ষ উদ্‌যাপনৰ উৎসৱ আৰম্ভ হয় ৩১ ডিচেম্বৰৰ মাজনিশাৰ পৰাই। খ্ৰীষ্টপূৰ্ব ৪৫ৰ পৰাই ৰোমানসকলে জুলিয়েন কেলেণ্ডাৰ ব্যৱহাৰ কৰি আহিছিল। সেই কেলেণ্ডাৰ তৈয়াৰ কৰিছিল ৰোমান সম্ৰাট জুলিয়াছ ছিজাৰে। ১৫৮২ত খ্ৰীষ্টান ধৰ্মযাজক পোপ গ্ৰেগৰী ত্ৰয়োদশে সেই কেলেণ্ডাৰত সাসলনি ঘটাই পহিলা জানুৱাৰীক বছৰৰ প্ৰথম মাহ হিচাপে চিহ্নিত কৰিলে। তেতিয়াৰে পৰা উক্ত গ্ৰেগৰীয়ান কেলেণ্ডাৰ অনুসৰি পহিলা জানুৱাৰীৰ পৰা ইংৰাজী নৱবৰ্ষ আৰম্ভ হয়। জানি থোৱা ভাল যে বিভিন্ন দেশৰ সময়ৰ মান অনুসৰি নৱবৰ্ষ উদ্‌যাপনৰ সময়ো ভিন্ন হয়। ২০২২ৰ আৰম্ভণি কোন ঠাই বা দেশত কিমান সময়ত হ'ব সেই বিষয়ে তলত উল্লেখ কৰা হ'ল—

বিশ্বত সকলোতকৈ আগত নতুন বছৰ আহে প্ৰশান্ত মহাসাগৰৰ দক্ষিণ দিশত থকা সৰু দ্বীপ ৰাষ্ট্ৰ ছামোৱাত। নিউজিলেণ্ডৰ প্ৰতিবেশী দেশখনত ভাৰতীয় সময় অনুযায়ী বুধবাৰে বিয়লি ৩-৩০ বজাৰ পৰাই পহিলা জানুৱাৰী আৰম্ভ হ'ব। অথচ ভাৰতত বুধবাৰে নিশা ১২ বজাৰ পৰাহে নতুন বছৰৰ সূচনা হ'ব। ছামোৱাৰ পাছতে নৱবৰ্ষৰ উৎসৱ আৰম্ভ হ'ব নিউজিলেণ্ডৰ অন্তৰ্গত চাথাম দ্বীপত।

ভাৰতীয় সময় অনুযায়ী বুধবাৰে বিয়লি ৩-৪৫ বজাৰ পৰা ২০২২ আৰম্ভ হ'ব। তাৰ পাছতে নতুন বছৰ আৰম্ভ হ'ব অষ্ট্ৰেলিয়া আৰু ৰাছিয়াত। একেবাৰে শেষত নতুন বছৰক আদৰণি জনাব আমেৰিকাৰ বেকাৰ আইলেণ্ড নামৰ সৰু দ্বীপটোত। ভাৰতীয় সময় অনুযায়ী সেই দ্বীপত বৃহস্পতিবাৰে সন্ধিয়া ৫-৩০ বজাৰ পৰাহে নতুন বছৰ আৰম্ভ হ'ব।

## ভগৱান কৃষ্ণৰ বৰ

**মহাভাৰতৰ** যুদ্ধ সমাপ্ত হোৱাৰ পাছত ভগৱান শ্ৰীকৃষ্ণই দ্বাৰকালৈ উভতি গৈ আছিল। বাটতে তেওঁ লগ পালে উত্তংগ মুনিক। তপস্যাতে ব্যস্ত থকা উত্তংগ মুনিয়ে মহাভাৰতৰ যুদ্ধৰ বিষয়ে গম পোৱা নাছিল। তেওঁ হস্তিনাপুৰৰ বিষয়ে খবৰ সোধাত শ্ৰীকৃষ্ণই কৌৰৱসকলৰ বিনাসৰ কথা সবিস্তাৰে জনালে। ঘটনা শুনি ঋষি ক্ৰোধান্বিত হৈ শ্ৰীকৃষ্ণক ক'লে, 'হে মধুসূদন, আপুনি ইচ্ছা কৰা হ'লে সেই যুদ্ধ ৰোধ কৰিব পাৰিলেহেঁতেন; কিন্তু নকৰিলে। মই আপোনাক শাপ দিম।' উত্তংগ ঋষিৰ খং দেখি বাসুদেৱ শ্ৰীকৃষ্ণই ক'লে, 'হে মুনিবৰ, আপুনি আগতে মোৰ সকলো কথা শুনি লওক। তাৰ পাছত বাৰু শাপ দিব।' এইবুলি শ্ৰীকৃষ্ণই নিজৰ বিষ্ণুৰূপ প্ৰকট কৰি ক'লে যে ধৰ্মৰক্ষাৰ বাবেই তেওঁ সেই কাৰ্য কৰিবলগীয়া হ'ল। কথা শুনি ঋষিৰ খং মাৰ গ'ল। এইবাৰ কৃষ্ণই মুনিক কি বৰ লাগিব সুধিলে। তেতিয়া মুনিয়ে ক'লে, 'ভগৱান, মোৰ যেতিয়াই পিয়াহ লাগে, তেতিয়াই যেন পানী পাওঁ।' শ্ৰীকৃষ্ণই সেই বৰ দি সেই স্থান ত্যাগ কৰিলে।

এদিন উত্তংগ মুনিয়ে বনৰ মাজেৰে গৈ থাকোতে বাটতে বৰ পিয়াহ লাগিল। তেনেতে তেওঁ দেখিলে যে সন্মুখৰ পৰা চণ্ডাল এজন আহি আছে। চণ্ডাল হ'ল নীচ জাতিৰ মানুহ। তেওঁৰ হাতত আছিল এখন ধনু আৰু পানী ভৰাই থোৱা এবিধ চামৰাৰ মোনা। চণ্ডালে মুনিক দেখি সুধিলে, 'আপুনি বৰ তৃষ্ণাতুৰ যেন লাগিছে। মোৰ মোনাৰ পৰাই অলপ পানী পান কৰক।' কিন্তু মুনিয়ে চণ্ডালৰ প্ৰতি থকা ঘৃণাৰ বাবেই সেই পানী নাখালে। বৰঞ্চ শ্ৰীকৃষ্ণই বৰ অনুযায়ী এজন চণ্ডালকহে প্ৰেৰণ কৰাত বৰ খং উঠিল। তেতিয়াই



শ্ৰীকৃষ্ণ তেওঁৰ সন্মুখত প্ৰকট হ'ল। উত্তংগ মুনিয়ে ক'লে, 'প্ৰভু, আপুনি মোৰ পৰীক্ষা লৈছে যেন পাওঁ। কিন্তু এজন ব্ৰাহ্মণ হৈ মই কেনেকৈ চণ্ডালৰ চামৰাৰ মোনাৰ পৰা পানী পান কৰিব পাৰো? তেওঁৰ কথা শুনি শ্ৰীকৃষ্ণই ক'লে, 'আপুনি যেতিয়া পানীৰ বাবে আতুৰ হ'ল, মই তেতিয়াই আপোনাক অমৃত পান কৰাবলৈ দেৱৰাজ ইন্দ্ৰক নিৰ্দেশ দিছিলো। মই নিশ্চিত আছিলো যে আপোনাৰ দৰে এজন জ্ঞানী পুৰুষে ব্ৰাহ্মণ আৰু চণ্ডালৰ মাজত থকা ভেদভাৱৰ পৰা বহু আগবাঢ়ি গৈছে। সেয়ে অমৃত আপোনাৰ প্ৰাপ্য। ইন্দ্ৰয়েই চণ্ডালৰ বেশ লৈ আপোনাক অমৃত পান কৰাবলৈ আহিছিল। কিন্তু আপুনি মোক ইন্দ্ৰৰ সন্মুখত লজ্জিত কৰিলে।' এইবুলি কৈয়েই শ্ৰীকৃষ্ণ অন্তৰ্ধান হ'ল। উত্তংগ মুনি লজ্জিত হ'ল আৰু নিজৰ ভুল বুজি পালে।

এই কাহিনীৰ পৰাই বুজিব পাৰি যে জাতি আৰু বৰ্ণৰ কোনো ভেদভাৱ থাকিব নোৱাৰে। সেয়ে এইধৰণৰ মিছা অহংকাৰ ত্যাগ কৰি আমি সকলো জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে এক হৈ বৰ্তমানত জীৱন নিৰ্বাহ কৰা উচিত।

**ভাস্কৰণ বৰ**



## আপোন নদী-দ্বীপৰ কথাৰে...

**ৰুণীমা বৰা,** সহঃ শিক্ষয়িত্ৰী


*যোৱা সংখ্যাৰ পাছৰ পৰা* মনতে স্থিৰ কৰিলো যিকোনো প্ৰকাৰে ৰাসোৎসৱ উপভোগ কৰিব লাগিব। অন্যথা আধৰুৱা হৈ ৰ'ব মোৰ আপোন দ্বীপটোৰ প্ৰতি ক্ৰমাৎ বাঢ়ি অহা জিজ্ঞাসাৰ পৰিসৰ। মানুহৰ মনটো উৰণীয়া। মোৰ উৰণীয়া মনটিয়েও পলকতে গৈ থিতাপি ল'লেগৈ প্ৰাৰম্ভিকতে চিনাকি হোৱা জনগোষ্ঠীটোৰ জীৱনশৈলীত। হয়, আন এক উৎসকতা। মাজুলীৰ প্ৰৱেশ দ্বাৰত থকা মিচিং ঘৰবোৰলৈ মনত পৰিল। তেওঁলোকৰ ৰীতি-নীতি পৰম্পৰাৰ বিষয়ে পুথিত পোৱা কথাবোৰৰ সত্যতাৰ সন্ধান কৰাৰ অদম্য হেপাঁহ। সেই হেপাঁহৰ বশৱৰ্তী হৈয়ে পিছদিনাই পৰিয়ালৰ লোকৰ সহিতে মিচিং গাঁৱৰ দিশে যাত্ৰা আৰম্ভ কৰিলো। ঘৰৰ পৰা কেইবা মাইলো আতৰত এই জনগোষ্ঠীয় গাঁওসমূহ। মাজুলীৰ পথবোৰ বেছি সংখ্যকেই পকী নহয়।

বহুদূৰ বাট যোৱাৰ পাছত মিচিং ঘৰসমূহ চকুত পৰিল। তেওঁলোকৰ গৃহ নিৰ্মাণৰ পদ্ধতিয়েই সুকীয়া। ঘৰবোৰ যথেষ্ট ওখ। শকত শকত বাঁহেৰে চাং পাতি তাৰ ওপৰত ঘৰবোৰ সাজিছে। ওপৰলৈ যাবলৈ বাঁহেৰেই খট খটী বনোৱা আছে। গাড়ীৰ পৰা নামিলো। আমাক দেখি তেওঁলোক বিস্মিত হ'ল। আদহীয়া মানুহ এজন আগবাঢ়ি আহিল। হয়তো ভাৱিছিল আমি কিবা বস্তুৰ সন্ধানত আহিছো। স্বামীৰ লগতে কথা পাতিলে। কথাবোৰ বৰ চিধাকৈ কয়। অসমীয়াতে কথা পাতিছিল। আমাৰ দৰে অসমীয়া নহয়। অলপ বেলেগ। তেনেতে মোৰ কাণত পৰিল খটকট খটকট এটি শব্দ। আগবাঢ়ি গ'লো। দেখিবলৈ পালো খুউব মৰমলগা গাভৰু এগৰাকীয়ে তাঁতশালত সপোন ৰচিছে। দৃশ্যটো মোৰ বাবে যথেষ্ট আমোদজনক হৈ পৰিল। মই অহাৰ উমান পাই তাই মূৰটো সামান্য দাঙি মোক লক্ষ্য কৰিলে। ছোৱালীজনী অলপ লাজকুৰীয়া। গাখীৰত সেন্দুৰ বোলোৱা যেন ৰঙা গাল দুখনি তাইৰ। মন পৰশা হাঁহি। যেন সৰগৰ অপেশ্বৰীহে ভৈয়ামলৈ নামি আহিছে। আহ, কি যে অকৃত্ৰিম সৌন্দৰ্যতা। গাভৰু গৰাকীৰ ওচৰ চাপি গ'লো। খুউব মনোযোগেৰে ফুল বচাত ব্যস্ত। মোৰ ভাৱ হ'ল তাইৰ অপূৰ্ব ৰূপটো যেন ফুলাকৃতিৰে কাপোৰত আঁকিবলৈ চেষ্টা কৰিছে। কাপোৰখনিত বচা ফুলবোৰ ভিন্ন ৰঙী। তাঁতশালখনিও সুকীয়া। এক অদ্ভুত নিপুনতা এওলোকৰ হাতে বোৱা কাপোৰৰ যথেষ্ট পয়োভৰতা আছে।

মোৰো বৰ প্ৰিয় এই কাপোৰসমূহ। খট খটিয়েদি উঠি গৈ ঘৰৰ খোলা দুৱাৰখনেৰে ভিতৰলৈ চাই পঠিয়ালো। ভিতৰত কোঠা বুলিবলৈ নাই। হয়তো ৰন্ধা-বঢ়া, খোৱা-লোৱা সকলো একেটা কোঠালিতে কৰে। ভিতৰৰ সামগ্ৰীবোৰ যথেষ্ট আপডালকৈ ৰাখিছে। তেনেতে মানুহ এগৰাকীয়ে দুটাবাতিত এবিধ পানীয় আমালৈ আগবঢ়াই দিলে। 'আপং' নামৰ এবিধ নতুন খাদ্যৰ স'তে চিনাকি হ'লো। ভাতেৰে প্ৰস্তুত কৰা পনীয়া খাদ্য বিধেৰে অতিথিক আপ্যায়ন কৰাটো নিয়ম। খাদ্য বিধ মোৰ বাবে আচহুৱা যেন লাগি গ্ৰহণ নকৰিলো। অৱশ্যে তেওঁলোকে বেয়া নাপায়। তেওঁলোকৰ কৃষ্টি-সংস্কৃতি সন্দৰ্ভত বহু আলোচনা কৰিলো। সমাজ প্ৰিয় এই জনগোষ্ঠীটোৱে সামূহিকভাৱেই সকলো কাম কৰি আনন্দ লাভ কৰে।

অতি তাকৰীয়া দিনতেই গধুৰ অভিজ্ঞতাৰে পৰিপূৰ্ণ হৈ আপোন দ্বীপটোৰ পৰা বিদায় লোৱাৰ ক্ষণ চমু চাপিল। মাজুলী পৃষ্ঠৰ জীপাল স্মৃতিবোৰ বুকুত সাৱটি কমলাবাৰী ঘাটৰ পৰা নিমাতীলৈ ফেৰীযাত্ৰা আৰম্ভ কৰিলো .........। পুনৰাই নদী-দ্বীপটোলৈ শীঘ্ৰে উলটি অহাৰ দুৰ্বাৰ হেঁপাহ বুকুত বান্ধি লৈ .......।

## জানি থোৱা ভাল



⇨ ৰাম, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্নৰ উপৰিও ৰজা দশৰথৰ শান্তা নামৰ এগৰাকী কন্যাও আছিল।
⇨ শিৱৰ ভাৰ্যা সতীৰ দেহৰ ৫২টা খণ্ডৰ পৰাই বিশ্বৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠিছে ৫২টা শক্তিপীঠ।
⇨ পাৰ্বতীৰ শৰীৰৰ কোষৰ পৰা সৃষ্টি হোৱা দেৱী দুৰ্গাৰ আন এটা নাম হ'ল কৌশিকী।
⇨ দুৰ্গা দেৱীৰ বাহন সিংহটো গিৰিৰাজ হিমালয়ে প্ৰদান কৰিছিল।
⇨ বেদব্যাস ৬০ লাখ শ্লোকেৰে ৰচনা কৰা বিশ্বৰ অন্যতম মহাকাব্য মহাভাৰতৰ প্ৰথম বৰ্ণনাকাৰী আছিল উগ্ৰস্ৰৱা।
⇨ অৰ্জুন-পুত্ৰ অভিমন্যুৰ নাতিয়েক জন্মেজয় আছিল মহাভাৰতৰ শ্লোক শুনা প্ৰথমগৰাকী ব্যক্তি।
⇨ মহাভাৰতত অৰ্জুনক একমাত্ৰ তেওঁৰেই পত্নী চিত্ৰাংগদাৰ পুত্ৰ বভ্ৰুবাহনে পৰাস্ত কৰিব পাৰিছিল।
⇨ কৌৰৱৰ ৰজা ধৃতৰাষ্ট্ৰৰ এশ পুত্ৰৰ উপৰিও দুঃশলা নামৰ এগৰাকী কন্যাও আছিল।



*মুগ্ধজিৎ ভৰদ্বাজ, মডাৰ্ণ ইংলিছ স্কুল, চতুৰ্থ শ্ৰেণী।*



*আৰ্শ্বিতা ডেকা, পঞ্চম শ্ৰেণী, এছবিঅ'এ পাব্লিক স্কুল, গড়চক।*

## বিদ্যাধৰৰ বিদ্যা

**প্ৰদীপ নাৰায়ণ ভট্ট**

**বিদ্যাধৰ** ৰংপুৰ গাঁৱৰ এজন বৰ সৰবৰহী লোক। তেওঁক নজনা-নুশুনা ব্যক্তিৰ সংখ্যা বহুত কম। বিভিন্ন মঞ্চত বিদ্যাধৰে লোকগীত, বৰগীত, আধুনিক গীত আদি পৰিৱেশন কৰি ৰাইজৰ পৰা বহুত প্ৰশংসা বুটলিবলৈ সক্ষম হয়। সেই সময়ত বিদ্যাধৰে নিজকে অসম বিখ্যাত 'জুবিন গাৰ্গ' বা 'ৰামেশ্বৰ পাঠক' আদি বুলি ভাবে। বিদ্যাধৰ এজন ভাল খেতিয়ক। তেওঁৰ হাতত যাদু আছে। আলু, বেঙেনা, কবি, গাজৰ আদি সকলো ধৰণৰ পাচলিৰ খেতি কৰি গাঁওখনত বহুবাৰ সুনাম অৰ্জন কৰিছে। অসম চৰকাৰৰ কৃষি বিভাগে তেওঁৰ শস্যৰ প্ৰদৰ্শনী পাতি বহুবাৰ তেওঁক পুৰস্কৃত কৰিছে। সেই সময়ত বিদ্যাধৰে নিজকে এজন বিখ্যাত খেতিয়ক বুলি ভাবে আৰু গভীৰ আত্মতুষ্টি অৰ্জন কৰি গৌৰৱবোধ কৰে। বিদ্যাধৰে কাঠৰ কাম খুব ভালদৰে জানে। তেওঁ সজা ভালেমান ধুনীয়া ধুনীয়া ফাৰ্ণিচাৰ গাঁওখনৰ বহুতো পৰিয়ালত আছে। তেওঁ আনকি কাঠৰে কিছুমান আকৰ্ষণীয় জীৱ-জন্তুও তৈয়াৰ কৰিব জানে। তেওঁ তৈয়াৰ কৰা কাঠৰ কামৰ প্ৰদৰ্শনীও হৈছে। লোকে তেওঁৰ পৰা তৈয়াৰ কৰা কাঠৰ গঁড়, হাতী আদি কাৰোবাক উপহাৰ হিচাপে প্ৰদান কৰে। মন্ত্ৰী-বিধায়ক আদিৰ ঘৰতো তেওঁ সজা কাঠৰ হাতী, ঘোঁৰা আদি আছে। তেওঁক যেতিয়া লোকে ইয়াক লৈ প্ৰশংসা কৰে তেতিয়া তেওঁ নিজকে 'বিশ্বকৰ্মা' বুলি ভাবে। আত্মতুষ্টিত তেওঁ নিজকে পাহৰি যায়। বিদ্যাধৰৰ ঘৰত ব্যৱহাৰ কৰা ধুনীয়া ধুনীয়া বাঁহ-বেতৰ কামবোৰ বিদ্যাধৰে নিজে তৈয়াৰ কৰা। বিভিন্ন ডিজাইনৰ বিচনী, কুলা, চালনী, ডলা আদিৰ চাহিদা দেখিলে তেওঁ আচৰিত হৈ যায়। এই সকলোবোৰৰ যে এখন বজাৰ আছে সেই কথা তেওঁ জানে। মাথোন সেই বিষয়ক লৈ তেওঁৰ একেবাৰেই আগ্ৰহ নাই। অলপতে বিদ্যাধৰে এটা ধুনীয়া কবিতা ৰচনা কৰিছিল। কবিতাটো তেওঁ এখন কবি সন্মিলনত পাঠো কৰিছিল। বিখ্যাত বিখ্যাত সাহিত্যিকসকলে মঞ্চৰ পৰা বিদ্যাধৰক প্ৰশংসা কৰিছিল আৰু উৎসাহিত কৰিছিল। স্বয়ং সভাপতিজনে বিদ্যাধৰক আগলৈকে লিখি যাবলৈ অনুৰোধ কৰিছিল। নিজৰ মন্তব্যত বিদ্যাধৰে কৈছিল যে তেওঁ হেনো ইচ্ছা কৰিলে ভাল ভাল গল্পও লিখিব পাৰে; কিন্তু সময় নাপায়। সভাত থকা সময়খিনিত বিদ্যাধৰে নিজকে 'ৰঘুনাথ চৌধুৰী', 'নীলমণি ফুকন', 'নৱকান্ত বৰুৱা' আদি বুলি ভাবে। এনেকুৱা অলেখ বিদ্যাৰ অধিকাৰী বিদ্যাধৰৰ অভাৱ বহুত। তেওঁ কেতিয়াবা বৰ দুখেৰে কয়, 'অধিক বিদ্যা যাৰ খাবলৈ নোযোৰে তাৰ।' ইয়াৰ গুৰি কথা বা আচল ৰহস্য তেওঁ নুবুজে আৰু তেওঁক বুজাই দিওতাও কোনো নাই। সময়বোৰ তেওঁৰ তেনেকৈয়ে পাৰ হৈ গৈ থাকিল। এদিন হঠাৎ তেওঁৰ স্কুলীয়া দিনৰ বন্ধু ৰঞ্জনক লগ পালে। ৰঞ্জন আৰু বিদ্যাধৰে হাঁহি-হাঁহি অতীতৰ কথাবোৰ পাৰেমানে ৰোমন্থন কৰিলে। পাছত বিদ্যাধৰে বহুত অনুৰোধ কৰাৰ অন্তত ব্যস্ততাৰ মাজতো ৰঞ্জনে তেওঁৰ ঘৰত গৈ উপস্থিত হ'ল। অধিক বিদ্যাৰ গৰাকী বিদ্যাধৰে কথাৰ মাজতে সকলো দুখ-দৈন্যৰ কথা বিচাৰি ক'লে। ৰঞ্জনেও কথাবোৰ ধৈৰ্য্য ধৰি শুনি গ'ল। অৱশেষত ৰঞ্জনে বন্ধু বিদ্যাধৰক ক'লে, 'বন্ধু বিদ্যাধৰ, এটা কথা কওঁ



বেয়া নাপাবা। তোমাৰ ধৈৰ্য্য বোলা বস্তুটো বহুত কম। সেই কাৰণে তুমি কোনো এটা কথাত বেছিদিন লাগি থাকিব নোৱাৰা। তোমাৰ তুলনাত মই বৰ নিঃকিন। কাৰণ মই মাত্ৰ এটা বিদ্যাই জানো আৰু সেইটোক লৈয়ে সুখ-শান্তিত বৰ্তি আছো। বহুত ধৈৰ্য্যৰে এটা বিদ্যাতেই লাগি আছো। তুমি জানাই যে দৌৰি ফুৰা কেঁকোৰাৰ তেজ কম। গতিকে তুমিও এটা বিকল্প লৈ ধৈৰ্য্যৰে আগবঢ়া। চাবা, তুমি এদিন বিখ্যাত হ'বাই। আজি আমি যিসকলক বিখ্যাত বুলি জানো তেওঁলোকো এটা বিদ্যাক লৈয়ে সমাজত বৰ্তি আছে। তেওঁলোকে কেতিয়াও ইটো-সিটো কৰি দৌৰি ফুৰা নাই। অৱশেষত বিদ্যাধৰৰ জ্ঞান-বুদ্ধি ঘূৰি আহিছিল। তেওঁ বহুত ভাবি-গুণি কৃষি বিদ্যাকে আঁকোৱালি ল'লে আৰু খুব কম দিনৰ ভিতৰত বহুত নাম অৰ্জন কৰিলে। এতিয়া তেওঁৰ ঘৰত অভাৱ বুলিবলৈ একো নাই। ধান, মাহ, সৰিয়হ আদিৰে ঘৰখন উপচি পৰিছে। এতিয়াহে বিদ্যাধৰৰ বিদ্যাই কাম দিছে। সঁচাই মানুহে বিদ্যাক শ্ৰদ্ধা কৰিব জানিলে সেই বিদ্যাই শেষত কামত আহে।

### টীম ইণ্ডিয়াৰ ৩২৭ ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাৰ ১৯৭ ঃ ছামিৰ পাঁচটা উইকেট

# প্ৰথম ইনিংছত ভাৰতৰ অগ্ৰগতি





**চেঞ্চুৰিয়ন, ২৮ ডিচেম্বৰ ঃ** ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ প্ৰথম ইনিংছত 130 ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে ভাৰতৰ প্ৰথম ইনিংছৰ 327 ৰাণৰ প্ৰত্যুত্তৰত আজি তৃতীয় দিনা দক্ষিণ আফ্ৰিকাই 197 ৰাণতে প্ৰথম ইনিংছ সামৰে আৰু ঘৰুৱা দলটো 130 ৰাণত পিছ পৰি থাকে। ভাৰতক এই অগ্ৰগতি দিয়াত মূখ্য ভূমিকা লয় পেচ বলাৰ মহম্মদ ছামিয়ে। পাঁচটা উইকেট লাভ কৰে ছামিয়ে। আনহাতে, আজি 200 উইকেটৰ গৰাকীও হয় ছামি। তেওঁক সুন্দৰ সহযোগ দিয়ে সতীৰ্থ পেচাৰদ্বয় যশপ্ৰীত বুমৰাহ আৰু ছাৰ্দুল ঠাকুৰে দুটাকৈ উইকেট লাভ কৰি। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ দ্বিতীয় দিনাৰ খেল কালি বৰষুণৰ বাবে নহ'ল। কিন্তু আজি পুৱাৰে পৰা মেচ সময় অনুসৰি আৰম্ভ হয়। তিনিটা উইকেট হেৰুৱাই 272 ৰাণৰ পৰা খেলিবলৈ লোৱা ভাৰতে আজি কিন্তু পৰবৰ্তী সাতটা উইকেট সোনকালে হেৰুৱায়। উল্লেখ্য যে চেঞ্চুৰিয়নত হোৱা টেষ্টখনত টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে প্ৰথম দিনা তিনিটা উইকেট হেৰুৱাই 272 ৰাণ কৰিছিল। ভাৰতীয় দলৰ হৈ অপেনিং বেটছমেন লোকেছ ৰাহুলে 122 ৰাণৰ শতকীয় ইনিংছ খেলি উইকেট আছিল। আজি ৰাহুলে [123] এক ৰাণ যোগ দি আউট হয়। আনহাতে, ৰাহুলক যোগ্য সহযোগ দি 40 ৰাণত বেটিং কৰি থকা অজিংক্য ৰাহানে (48] আঠ ৰাণ যোগ দি আউট হয়। উভয় বেটছমেনৰ বিদায়ৰ পাছতে দ্ৰুত পতন হয় ভাৰতৰ প্ৰথম ইনিংছ। দক্ষিণ আফ্ৰিকাৰ হৈ এনগিডিয়ে ছটা আৰু ৰাবাডাই তিনিটা উইকেট পায়। ভাৰতৰ প্ৰথম ইনিংছৰ 327 ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকা ইনিংছ আৰম্ভ কৰি প্ৰথম চাৰিটা উইকেট আৰম্ভণিতে হেৰুৱায় শেলথেকত পৰে। কিন্তু বাভুমা (52] আৰু ডিক'কে (34] ইনিংছ গঢ় দিয়াৰ চেষ্টা কৰে যদিও সফল নহ'ল।

### তিনিদিনতে সমাপ্ত বক্সিং ডে' টেষ্ট ঃ এক ইনিংছ ১৪ ৰাণত পৰাস্ত ইংলণ্ড

## ৩-০ ৰ অগ্ৰগতিৰে এছেজ দখল অষ্ট্ৰেলিয়াৰ

**মেলবৰ্ণ, ২৮ ডিচেম্বৰ ঃ** অষ্ট্ৰেলিয়াই পুনৰ এছেজ শৃংখলা দখল কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে চলিত এছেজ শৃংখলাৰ তৃতীয়খন টেষ্টতো জয়লাভ কৰি 3–0 ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছে কেংগাৰু বাহিনীয়ে। চলিত বক্সিং ডে টেষ্টখনত অষ্ট্ৰেলিয়াই এক ইনিংছ আৰু 14 ৰাণত ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰিছে। মেলবৰ্ণত হোৱা তৃতীয় টেষ্টৰ আজি তৃতীয় দিনা ইংলণ্ডে মাত্ৰ 68 ৰাণত দ্বিতীয় ইনিংছ সামৰে তথা এক ইনিংছ আৰু 14 ৰাণত পৰাজয় স্বীকাৰ কৰি শৃংখলাও হেৰুৱায়। উল্লেখ্য যে বক্সিং ডে টেষ্টখনত প্ৰথমদিনা বেটিং কৰি ইংলণ্ডে মাত্ৰ 185 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। ফলত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰে অষ্ট্ৰেলিয়াই। অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত 267 ৰাণ কৰি 82 ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। ইফালে, ইংলণ্ডে দ্বিতীয় ইনিংছ আৰম্ভ কৰি কালি দ্বিতীয় দিনাই চাৰিটা উইকেট হেৰুৱাইছিল 31 ৰাণত। ভ্ৰমণকাৰী দলটো স্বাভাৱিকতে চাপত পৰে আৰু আজি মাত্ৰ 68 ৰাণত দ্বিতীয় ইনিংছ সামৰে। দলৰ চাৰিজন বেটাৰ শূণ্যত আউট হোৱাৰ লগতে নজনে একক সংখ্যাত আউট হয়। জ' ৰুটে সৰ্বাধিক 28 ৰাণ কৰে। ইংলণ্ডৰ এই বিপৰ্যয়ৰ মূলতে হ'ল অষ্ট্ৰেলিয়াৰ হৈ বক্সিং ডে টেষ্টত অভিষেক কৰা স্কট ব'লাণ্ডৰ চমকপ্ৰদ বলিং। চাৰি অভাৰত সাত ৰাণ খৰছ কৰি ছটা উইকেট দখল কৰে ব'লাণ্ডে। উল্লেখ্য যে চলিত এছেজ শৃংখলাৰ প্ৰথম দুখন টেষ্টত অষ্ট্ৰেলিয়াই জয়লাভ কৰি ইতিমধ্যে শৃংখলাত 2–0 ৰ অগ্ৰগতি লৈছিল। অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰাৰ পাছত দ্বিতীয় টেষ্টত ইংলণ্ড 275 ৰাণত পৰাজয় স্বীকাৰ কৰে।



## এ এছ ই বি স্প'ৰ্টছ ক্লাবৰ বিৰুদ্ধে ৰিভাৰ ৰাইন ক্লাবৰ জয়লাভ



**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গুৱাহাটীৰ মেচত ৰিভাৰ ৰাইন ক্লাবে 70 ৰাণত পৰাস্ত কৰে এ এছ ই বি স্প'ৰ্টছ ক্লাবক। পোনতে বেটিং কৰি ৰিভাৰ ৰাইন ক্লাবে 238–7 ৰাণ কৰে। প্ৰত্যুত্তৰত, এ এছ ই বি স্প'ৰ্টছ ক্লাবে 168–10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰথম স্তৰত যিসকল চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হৈছে প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। গুৱাহাটীৰ ফাইনেল নতুন বৰ্ষত অনুষ্ঠিত হ'ব।

## এফ এম বি ইলেভেন দলৰ জয়লাভ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৮ ডিচেম্বৰ ঃ** নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত এফ এম বি ইলেভেনে জয়লাভ কৰিছে। উল্লেখ্য যে বগৰীবাৰী মিলিজুলি ক্ৰিকেট ক্লাবক 96 ৰাণত পৰাস্ত কৰে এফ এম বি ইলেভেনে। পোনতে বেটিং কৰি এফ এম বি ইলেভেনে 140–8 ৰাণ কৰে। প্ৰত্যুত্তৰত, বগৰীবাৰী মিলিজুলি ক্ৰিকেট ক্লাবে 44–10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাখনত চেম্পিয়ন আৰু ৰানাৰ্ছআপ দলক ট্ৰফীৰ লগতে নগদ ধন দিয়া হ'ব বুলি আয়োজকে অৱগত কৰিছে।

### ৩০ সংখ্যক যোৰহাট অপেন টেনিছ

## দুটাকৈ একক শাখাৰ ছেমিত আদ্ৰিকা-বিষ্ণুপ্ৰিয়া

**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** অসম টেনিছ সন্থাৰ সহযোগত যোৰহাট টেনিছ ক্লাবত চলি আছে 30 সংখ্যক যোৰহাট অপেন। মেজৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনৰ চাৰিটা শাখাৰ ছেমিফাইনেলিষ্ট নিশ্চিত হৈছে। একক শাখাৰ ল'ৰাৰ 14 বছৰ অনূৰ্ধ শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে অন্তৰীশ তামুলী, আৰিয়ান বৰা, ৰিয়ান কাশ্যপ আৰু বেদ আদিত্য কলিতা। ইফালে, ল'ৰাৰ 12 বছৰ অনূৰ্ধৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে চান্দোজ্ঞ পাঠক, অৰৱ ঢেকিয়াল, নিবৰাছ কে হুছেইন আৰু মহাৰ্ণৱ বি বৰুৱা। ইফালে, ছোৱালীৰ একক শাখাৰ 14 বছৰ অনূৰ্ধৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে আদ্ৰিকা ৰাজকুমাৰী, ৰ'ছনি ভৰদ্বাজ, অৰ্ণবী দেৱনাথ আৰু বিষ্ণুপ্ৰিয়া বৰগোহাঁই। ছোৱালীৰ একক শাখাৰ 18 বছৰ অনূৰ্ধৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে আদ্ৰিকা ৰাজকুমাৰী, তানিয়া কুমাৰী, তানিস্কা পাটৰ আৰু বিষ্ণুপ্ৰিয়া বৰগোহাঁই। উল্লেখ্য যে যোৰহাট টেনিছ ক্লাবৰ ক'ৰ্টত অনুষ্ঠিত হোৱা মেজৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনত গুৱাহাটী, গোলাঘাট, এন আৰ এল, শিৱসাগৰ, ডিব্ৰুগড়, তেজপুৰ, দুলীয়াজান আৰু যোৰহাটৰ খেলুৱৈয়ে অংশ লৈছে। অহা 30 ডিচেম্বৰত সামৰণি পৰিব লগা যোৰহাট অপেন টেনিছ প্ৰতিযোগিতাখনত ল'ৰাৰ 12, 14, 18 বছৰ অনূৰ্ধ্ব একক শাখাৰ তথা ল'ৰাৰ 14 বছৰ অনূৰ্ধ্ব ডাবলছ শাখাৰ খেল হোৱাৰ লগতে ছোৱালীৰ 14, 18 বছৰ অনূৰ্ধ্বৰ একক শাখাৰ আৰু পুৰুষৰ একক-ডাবলছ শাখাৰ খেল হ'ব।

### মাণিক দুৱৰা প্ৰাইজমানি ক্ৰিকেট

## ফিল'বাৰী ললাত ক্ৰিকেট ক্লাব চেম্পিয়ন



অগ্ৰদূত বাৰ্তা

**ফিল'বাৰী, ২৮ ডিচেম্বৰ ঃ** মানিক দুৱৰা প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন হৈছে ফিল'বাৰী ললাত ক্ৰিকেট ক্লাব। উল্লেখ্য যে প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাখনৰ ফাইনেলত ফিল'বাৰী ললাত ক্ৰিকেট ক্লাব মুখামুখি হয় ধলা চিমফনিয়া ক্ৰিকেট ক্লাবৰ। ফিল'বাৰী ললাত ক্ৰিকেট ক্লাবে 18 ৰাণত পৰাস্ত কৰে ধলা চিমফনিয়া ক্ৰিকেট ক্লাবক। পোনতে বেটিং কৰি ফিল'বাৰী ললাত ক্ৰিকেট ক্লাবে 50–5 ৰাণ কৰে। প্ৰত্যুত্তৰত, ধলা চিমফনিয়া ক্ৰিকেট ক্লাবে 32–9 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।



## দুধনৈত সদৌ অসম জুনিয়ৰ কাবাদী প্ৰতিযোগিতা আৰম্ভ

অগ্ৰদূত বাৰ্তা


**দুধনৈ, ২৮ ডিচেম্বৰ ঃ** দুধনৈৰ ৰাজহুৱা খেলপথাৰত আজিৰে পৰা আৰম্ভ হৈছে সদৌ অসম জুনিয়ৰ কাবাডী প্ৰতিযোগিতা। উল্লেখ্য যে আন্তঃজিলা জুনিয়ৰ কাবাডী প্ৰতিযোগিতাখনত অসমৰ 32 খন জিলাৰ 54 টা দলে যোগদান কৰিছে। ইয়াৰে 28 টা ছোৱালীৰ আৰু 26 টা ল'ৰাৰ দলে অংশ লৈছে। উল্লেখ্য যে সদৌ অসম কাবাডী সন্থাৰ উদ্যোগত পূব গোৱালপাৰা ক্ৰীড়া সন্থাই আয়োজন কৰিছে সদৌ অসম জুনিয়ৰ কাবাডী প্ৰতিযোগিতাখন। তিনিদিন ধৰি চলিব লগা উক্ত সদৌ অসম জুনিয়ৰ কাবাডী প্ৰতিযোগিতাখন অহা 30 ডিচেম্বৰত সামৰণি পৰিব।



ৰূপালী পৰ্দাত একেলগে নিজৰ সাফল্যৰ ছবিখন উপভোগ কৰিলে ১৯৮৩ ৰ বিশ্বকাপৰ চেম্পিয়ন ভাৰতীয় ক্ৰিকেট দলে।

### ইংলণ্ডৰ লজ্জাৰ ইতিহাস, নায়ক ব'লাণ্ড

## ১৯০৪ ৰ পাছত কেংগাৰুৰ ভূমিত ব্ৰিটিছৰ সৰ্বনিম্ন স্ক'ৰ



**মেলবৰ্ণ, ২৮ ডিচেম্বৰ ঃ** চলিত এছেজ শৃংখলাৰ তৃতীয়খন টেষ্টতো পৰাস্ত হৈ শৃংখলা হেৰুৱাইছে ইংলণ্ডে। কিন্তু মেলবৰ্ণত হোৱা তৃতীয় টেষ্টৰ আজি তৃতীয় দিনা ইংলণ্ডে মাত্ৰ 68 ৰাণত দ্বিতীয় ইনিংছ সামৰি লজ্জাৰ ইতিহাস গঢ়িছে। উল্লেখ্য যে এয়া অষ্ট্ৰেলিয়াৰ মাটিত 1904 ৰ পাছত ইংলণ্ডৰ সৰ্বনিম্ন স্ক'ৰ। আনহাতে, এছেজ শৃংখলাত এয়া ইংলণ্ডৰ অষ্ট্ৰেলিয়াৰ মাটিত 1936 ৰ পাছত সৰ্বনিম্ন ৰাণ। উল্লেখ্য যে চলিত বক্সিং ডে টেষ্টখনত অষ্ট্ৰেলিয়াই এক ইনিংছ আৰু 14 ৰাণত ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰিছে। তৃতীয়খন টেষ্টতো জয়লাভ কৰি 3–0 ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছে কেংগাৰু বাহিনীয়ে। আজি অষ্ট্ৰেলিয়াক টেষ্ট জয়ৰ লগতে শৃংখলা দখলৰ সফলতা দিয়ে কেংগাৰু বাহিনীৰ হৈ বক্সিং ডে টেষ্টত অভিষেক কৰা স্কট ব'লাণ্ডৰ চমকপ্ৰদ বলিঙে। চাৰি অভাৰত সাত ৰাণ খৰছ কৰি ছটা উইকেট দখল কৰে ব'লাণ্ডে। চাৰি অভাৰৰ এক অভাৰ আকৌ মেইডান। উল্লেখ্য যে বক্সিং ডে টেষ্টখনত ইংলণ্ডে 185 ৰাণতে প্ৰথম ইনিংছ সামৰাৰ পাছত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত 267 ৰাণ কৰি 82 ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লৈছিল।

## কাৰ্বি আংলং জিলাৰ চেম্পিয়ন লিঅ' ক্ৰিকেট ক্লাব

### অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

**গুৱাহাটী, ২৭ ডিচেম্বৰ ঃ** লিঅ' ক্ৰিকেট ক্লাবে ডিফু ৱাৰিয়ৰ্ছক পৰাস্ত কৰি অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈছে। কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল মেচত লিঅ' ক্ৰিকেট ক্লাবে 46 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে ডিফু ৱাৰিয়ৰ্ছক। পোনতে বেটিং কৰি লিঅ' ক্ৰিকেট ক্লাবে 189–10 ৰাণ কৰে। প্ৰত্যুত্তৰত, ডিফু ৱাৰিয়ৰ্ছ দলে 143–10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। এই জয়ৰে জিলা চেম্পিয়ন হৈ দ্বিতীয় ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে লিঅ' ক্ৰিকেট ক্লাবে। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ।



অভিষেক টেষ্টতে শ্ৰেষ্ঠ অষ্ট্ৰেলিয়াৰ ব'লাণ্ড।


## ছেমিফাইনেলত অসমৰ ল'ৰাৰ দল, ছোৱালীৰ বিদায়

### জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোল বল



**গুৱাহাটী, ২৮ ডিচেম্বৰ ঃ** অসমৰ ল'ৰাৰ দলে জয়পুৰত চলি থকা জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোল বল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে গ্ৰুপৰ শীৰ্ষ দল হিচাপে ৰাষ্ট্ৰীয় ৰোল বল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে অসমৰ ল'ৰাৰ দলে। লীগ মেচত অসমৰ ল'ৰাৰ দলে পুনে, চণ্ডিছগড়, কেৰালা আৰু তামিলনাডুক পৰাস্ত কৰে। এতিয়া ছেমিফাইনেলত অসমৰ ল'ৰাৰ দলে খেলিব মধ্য প্ৰদেশৰ বিৰুদ্ধে। ইফালে, অসমৰ ল'ৰাৰ দলে প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে অসমৰ ছোৱালী দলে গ্ৰুপৰ পৰাই বিদায় লৈছে। অসমৰ ছোৱালী দলে হাৰিয়ানক পৰাস্ত কৰে যদিও ৰাজস্থান আৰু গুজৰাটৰ বিৰুদ্ধে পৰাস্ত হৈ গ্ৰুপৰ পৰাই বিদায় লৈছে। উল্লেখ্য যে অসমৰ ল'ৰা আৰু ছোৱালী দলে গুৱাহাটীত অনুষ্ঠিত হোৱা পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছিল। ফাইনেলত অসমৰ ল'ৰাৰ দলে ঝাৰখণ্ডক 21–3 ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ লাভ কৰাৰ বিপৰীতে অসমৰ ছোৱালী দলে খিতাপৰ যুঁজত ঝাৰখণ্ডকে 23–0 ৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন হয়।

## বিলাসনন্দন চ'ৰা



# নতুন বছৰত ৰাৱণ ৰাজ্য

**নতুন** বছৰত নতুন কিবা এটা ক'ব লাগিব। দেছবাচীক এড্ৰেছ কৰি নতুন কিবা এটা কৈ দিয়াৰ আনন্দই বেলেগ। কেতিয়াবা কেতিয়াবা পুৰণা কথা এটাকে নতুন ষ্টাইলত কৈ দিয়াৰ ফলতো চৰ নতুন যেন হৈ যায়। যেনে ধৰক মেড ইন ইণ্ডিয়া! কিমান পুৰণা শ্ল'গান এইটো। নতুন সুৰ লগাই গাই দিয়াৰ ফলতেই ই একেবাৰে নতুন হৈ গ'ল। এইবাৰ নতুন বছৰৰ আগমন উপলক্ষে দিল্লীৰ বাদশ্বাহে কিবা এটা নতুন ক'ব বুলি কৈছে। কি ক'ব কোনেও কিন্তু নাজানে। জানিবলৈ কাৰনো মন নাযাব? মন কৰা দুজনমানে বাদশ্বাহক সুধিলে— 'জাহাপনা, নতুন বছৰ আহিলেই নহয়!'

ঃ অ' আহিল।
ঃ কিবা ভাবিছে নেকি?
ঃ কি?
ঃ নতুন বছৰ উপলক্ষে দেছবাচীক কি ক'ব?
ঃ ভাবিছো।
ঃ কি ভাবিছে?
ঃ সংকল্প ল'ম।
ঃ দুৰ্নীতি নাইকিয়া কৰাৰ সংকল্প ল'ব নেকি?
ঃ সেইবোৰতো কেতিয়াবাতে নাইকিয়া হৈছে।
ঃ বুলেট ট্ৰেইন চলোৱাৰ সংকল্প?
ঃ চলি থকা ট্ৰেইনকেইখনকে বেচিব ওলাইছো, বুলেট ট্ৰেইন আনি কি লাভ?
ঃ সদায় একোটাকৈ মন্দিৰ নিৰ্মাণৰ সংকল্প?
ঃ ইমান পূজাৰী ক'ত পাবা?
ঃ সদায় সদায় গংগা স্নান কৰাৰ সংকল্প?
ঃ চৰ্দি লাগি যাব। নোৱাৰি।




ঃ হিন্দু ৰাজ্য গঢ়াৰ সংকল্প?
ঃ নাই নহ'ব।
ঃ কিয়?
ঃ কা-খন ভালকৈ আনিবই পৰা নাই নহয়।
ঃ কৃষিৰাজ্য গঢ়াৰ সংকল্প?
ঃ কৃষিৰ নাম নল'বা। ইজ্জত ডুবাই দিছে।
ঃ তেন্তে খেলা-ধূলা উন্নত কৰাৰ সংকল্প?
ঃ খেলাৰ নাম নল'বা।
ঃ কিয়?
ঃ 'খেলা হবে'লৈ মনত পৰে।
ঃ তেন্তে ৰামৰাজ্য গঢ়াৰ সংকল্প ল'ব নেকি?
ঃ ভাবিছিলো ল'ম বুলি।
ঃ পাছত?
ঃ সিদ্ধান্ত সলাই পেলালো।
ঃ কিয় জাহাপনা?

বাদশ্বাহে ৰামায়ণখন মেলি লৈ বুজাব ধৰিলে— 'মই বহুত ষ্টাডী কৰিলো বুজিছা!'

ঃ হয় জাহাপনা!
ঃ ষ্টাডী কৰি মই কি দেখিলো জানা?
ঃ কি?
ঃ একো লাভ নাই।
ঃ কি লাভ নাই জাহাপনা?
ঃ ৰামৰাজ্যত হাবি-জংঘলৰ বাহিৰে একো নাছিল?
ঃ হয় জাহাপনা!
ঃ প্ৰাসাদ এটা আছিল। বৰ ছিম্পল।
ঃ হয় জাহাপনা?
ঃ ইমানদিনে ৰামৰাজ্য ৰামৰাজ্য কৰি থকা হৈছিল একো ষ্টাডী-ফাডী নকৰাকৈ। একো লাভ নাই ৰামৰাজ্য গঢ়ি।
ঃ তেন্তে এই নতুন বছৰত কি সংকল্প ল'ব জাহাপনা?
ঃ মই ঠিক কৰিছো।
ঃ কি ঠিক কৰিছে জাহাপনা?
ঃ মই এইবাৰ ৰাৱণ ৰাজ্য গঢ়াৰ সংকল্প ল'ম।
ঃ ৰাৱণ ৰাজ্য?
ঃ অ' ৰাৱণৰাজ্য!
ঃ কিয় জাহাপনা?'
ঃ লাভ হ'ব।
ঃ কি লাভ হ'ব জাহাপনা?

বাদশ্বাহে বুজাই দিলে— 'ৰাৱণৰ ৰাজ্য লংকাখন সোণৰ আছিল। স্বৰ্ণলংকা! বেচিলে বহুত মাল পোৱা যাব।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## ২০২১ বজাৰ

# বছৰটোৰ শ্ৰেষ্ঠ উচ্চ মাইলেজৰ সস্তীয়া গাড়ী

কৰ'নাৰ দ্বিতীয় ঢৌৰ বাবে এই বছৰ ভাৰতত খুব কম নতুন গাড়ী মডেল মুক্তিলাভ কৰিছে। বিপৰীতে এই বছৰ কোম্পানীবোৰে উচ্চ মাইলেজৰ সংস্কৰণ মুকলি কৰাৰ ওপৰতহে গুৰুত্ব দিয়া দেখা গৈছে। ভাৰতত টাটা মটৰ্চ, মাৰুতি চুজুকি আৰু ৰেন' কোম্পানীয়ে চমৎকাৰ ইন্ধন দক্ষ গাড়ী প্ৰৱৰ্তন কৰিছে। এই বছৰ বজাৰত বিক্ৰীৰ বাবে উপলব্ধ কৰা সৰ্বশ্ৰেষ্ঠ ইন্ধন দক্ষ গাড়ীসমূহ হৈছে...

### নতুন চেলেৰিঅ'

মাৰুতি ছুজুকীৰ নতুন চেলেৰিঅক্স গাড়ীখন এই বছৰৰ সৰ্বাধিক চৰ্চিত উচ্চ মাইলেজৰ সস্তীয়া মডেল হিচাপে পৰিগনিত হৈছেশ্ৰ নতুন চেলেৰিঅ'ৰ মাইলেজ হৈছে প্ৰতি লিটাৰ পেট্ৰোলত ২৬.৬৮ কিলোমিটাৰ পৰ্যন্ত। এই বাহনখন হৈছে ভাৰতৰ সৰ্বাধিক মাইলেজ প্ৰদানকাৰী পেট্ৰ'ল কাৰ। ইয়াৰ মূল্য ৪.৯৯ লাখ টকাৰ পৰা ৬.৯৪ লাখ টকাৰ ভিতৰত।

### টাটা অল্ট'ৰোজ ডিজেল

টাটা মটৰ্ছৰ প্ৰিমিয়াম হেচবেক টাটা অল্টৰোজ ডিজেলে ২৫.১১ কিলোমিটাৰ মাইলেজ দিয়ে। ইয়াৰ প্ৰাৰম্ভিক হৈছে ৫.৯০ লাখ টকা। এই গাড়ীখনে উচ্চ মাইলেজৰ স'তে গ্ৰাহকৰ ইন্ধন ৰাহিৰ প্ৰত্যাশা পূৰণ কৰে।

### মাৰুতি ছুইফ্ট

মাৰুতি ছুজুকীয়ে এই বছৰ ইয়াৰ সৰ্বাধিক বিক্ৰী হোৱা হেচবেক মাৰুতি ছুইফ্টৰো এক নতুন সংস্কৰণ মুকলি কৰিছে, যাৰ মাইলেজ প্ৰতি লিটাৰত ২৩.৭৬ কিলোমিটাৰলৈকে। গাড়ীখনৰ প্ৰাৰম্ভিক ভেৰিয়েন্টখনৰ মূল্য ৫.৮৫ লাখ টকা। আনহাতে ইয়াৰ শীৰ্ষ ভেৰিয়েন্টৰ মূল্য ৮.৬৭ লাখ টকা।

### টাটা পাঞ্চ

টাটা মটৰ্ছেও এই বছৰ যথেষ্ট মাইলেজ থকা টাটা পাঞ্চ নামৰ এক মাইক্ৰক্স এছইউভি মুকলি কৰিছে। টাটা পাঞ্চৰ মাইলেজ ১৮.৯৭ কিলোমিটাৰ! প্ৰতি লিটাৰ। ইয়াৰ দাম ৫.৪৮ লাখ টকাৰ পৰা ৯.০৮ লাখ টকাৰ ভিতৰত।




### ৰেন' কুইড

ৰেনক্স ই এই বছৰ ভাৰতত সস্তীয়া হেচবেক ৰেনক্স কুইডৰ এক নতুন সংস্কৰণ মুকলি কৰিছে। গাড়ীখনত মেনুৱেল ট্ৰেন্সমিচনৰ সৈতে এটা ৭৯৯ চিচিৰ ইঞ্জিন আছে। ৰেন' কুইড আৰএক্সএল শীৰ্ষক এই সংস্কৰণখনে ২০.৭১ কিলোমিটাৰ! প্ৰতি লিটাৰ ৰ মাইলেজ দিয়ে ইয়াৰ মূল্য ছ্ৰ.ছ্ৰৰ লাখ টকা।

### হুণ্ডাই গ্ৰেণ্ড আই১০ নিওচ

হুণ্ডাইৰ হেচবেক গাড়ী হুণ্ডাই গ্ৰেণ্ড আই১০ নিওচেও এইবছৰ মাইলেজৰ দিশৰ পৰা চমৎকাৰ গাড়ী হিচাপে যথেষ্ট প্ৰতিদ্বন্দিতা আগবঢ়াইছে। এই গাড়ীখনৰ পেট্ৰ'ল (১১৯৭চিচি) এএমটি ভেৰিয়েণ্টে প্ৰতি লিটাৰত ২১ কিলোমিটাৰৰ মাইলেজ দিয়ে। গাড়ীখনৰ প্ৰাৰম্ভিক মূল্য হৈছে ৫,২৮,৫৯০ টকা।

### তিনি সৰ্বশ্ৰেষ্ঠ বৈদ্যুতিক স্কুটাৰ...

ভাৰতীয় বজাৰত চাৰিচকীয়া বাহনৰ দৰে কেতবোৰ শিল্পখণ্ডৰ বাবে ২০২১ বৰ্ষটো বিশেষ শুভ নাছিল যদিও বৈদ্যুতিক স্কুটাৰৰ বজাৰৰ বাবে এটা প্ৰকৃতাৰ্থত এক লাভজনক বছৰ আছিল। বহু ভাৰতীয় গ্ৰাহকে ইন্ধনৰ মূল্য বৃদ্ধিৰ বাবে এই বছৰ বৈদ্যুতিক স্কুটাৰকে বিকল্প হিচাপে বাছনি কৰিছিল। গাড়ী নিৰ্মাণকাৰী কোম্পানীবোৰেও চাৰিচকীয়াৰ পৰিবৰ্তে ইখনৰ পিছত সিখন সুলভ আৰু বিলাসী পৰিসৰৰ বৈদ্যুতিক স্কুটাৰ মুকলি কৰিছিল। তাৰ ভিতৰত সৰ্বাধিক চৰ্চিত মডেল কেইখন হৈছে ওলা এছ্ৰ,চিম্পল ৱান আৰু ইথাৰ ৪৫০ এক্স ।

### ওলা এছ্ৰ

ওলা এচ ১ত ৩.৯ কিলোৱাট লিথিয়াম-আয়ন বেটাৰী আছে, যি ৰৰ বিএইচপি বৈদ্যুতিক মটৰলৈ শক্তি উৎপন্ন কৰে। এচি চাৰ্জাৰ বেটাৰিৰে এই বাহনখনক মাত্ৰ ছঘণ্টাতে ফুল চাৰ্জ কৰিব পাৰি। ওলাৰ এই বৈদ্যুতিক বাহনখনত তিনিটা ৰাইডিং মোড স্বাভাৱিক, ক্ৰীড়া আৰু হাইপাৰ মোড আছে লগতে ৰিভাৰ্চ গিয়াৰ, এই চেগমেণ্টৰ সৰ্বশ্ৰেষ্ঠ আণ্ডাৰ-চিট ষ্টোৰেজ, আৰু ক্ৰুজ নিয়ন্ত্ৰণৰ সুবিধা আছে। বজাৰত ওলা এছ১ৰ প্ৰাৰম্ভিক মূল্য ১ লাখ টকাতকৈও কম। স্কুটাৰখন এবাৰ চাৰ্জ দিলে ১৮১ কিলোমিটাৰ পৰ্যন্ত একেৰাহে চলে।

### চিম্পল ৱান

চিম্পল ৱান স্কুটাৰত ৪.৮ কিলোৱাটৰ বেটাৰী আছে, যি ওলা স্কুটাৰৰ বেটাৰীতকৈও অধিক শক্তিশালী। যদি এই স্কুটাৰখন ইকো মোডত ব্যৱহাৰ কৰা হয়, তেন্তে ই একক চাৰ্জত ২৩৬ কিলোমিটাৰৰ পৰিসৰ প্ৰদান কৰে। চিম্পল ৱানৰ মূল্য ১.০৯ লাখ টকা ।

### ইথাৰ ৪৫০ এক্স

ইথাৰ এনাৰ্জীয়ে বিদায়ী বছৰটোত মুকলি কৰা ইথাৰ ৪৫০ এক্স শীৰ্ষক মডেলখনো যথেষ্ট চৰ্চিত হৈছে। একক চাৰ্জত ১১৬ কিলোমিটাৰৰ এক উৎকৃষ্ট পৰিসৰ প্ৰদান কৰা এই বাহনখনৰ মূল্য ১.৩২ লাখ টকা। এই বাহনখনত ব্যৱহাৰ কৰা হৈছে ২.৬১ কেডব্লিউএইচ বেটাৰী যি ৩ ঘণ্টা ৩৫ মিনিটতে বাহনখনক ৮০ শতাংশলৈকে চাৰ্জ কৰে। এই স্কুটাৰৰ শীৰ্ষ গতি বেগ প্ৰতি ঘণ্টাত ৮০ কিলোমিটাৰ ।



**কৰ'নাৰ সন্দৰ্ভত নতুন তথ্য সদৰী কৰিলে গৱেষকে**

# শৰীৰত কে'বা মাহলৈ থাকিব পাৰে ভাইৰাছ

**নিউজ ব্যুৰ'**
**ৱাশ্বিংটন, ২৮ ডিচেম্বৰ ঃ** দুবছৰৰ পূৰ্বে ডিচেম্বৰৰে কোনোবা এটা দিনত চীনৰ ওহান চহৰত শুনা গৈছিল এবিধ ৰহস্যময় জ্বৰৰ কথা। পৰৱৰ্তী সময়ছোৱাত কৰ'না ভাইৰাছৰ কবলত পৰি সমগ্ৰ বিশ্বত কমেও ৫০ লক্ষ মানুহে প্ৰাণ হেৰুৱাইছে। এটা সময়ত সকলোৰে অপৰিচিত এই কৰ'না ভাইৰাছ এতিয়া প্ৰতিজন মানুহৰ মুখে মুখে থকা নাম। নিত্য-নতুন তথ্য এই ভাইৰাছক কেন্দ্ৰ কৰি ওলাই আছে। ভাইৰাছেও ন ন ৰূপ ধাৰণ কৰি মানুহৰ মাজত হাহাকাৰ লগাই আছে। যাৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তত এই ভাইৰাছক কেন্দ্ৰ কৰি গৱেষণা চলিয়েই আছে। তেনে এক গৱেষণাতে এইবাৰ পোৱা গ'ল কৰ'না ভাইৰাছৰ সন্দৰ্ভত আন এক চিন্তনীয় তথ্য। সাম্প্ৰতিক এক গৱেষণাত দাবী কৰা হৈছে যে ক'ভিড সংক্ৰমণৰ কে'বা মাহৰ পাছলৈকো এই ভাইৰাছ মানুহৰ শৰীৰত থাকি যাব পাৰে। সম্প্ৰতি পৰ্যালোচনা কৰি চোৱাৰ বাবে এই গৱেষণা পত্ৰখনৰ খচৰা অনলাইনত প্ৰকাশ কৰা হৈছে। তাৰ পৰাই ওলাই আহিছে এই তথ্য।




গৱেষণাত কোৱা হৈছে যে সংক্ৰমণৰ কেইদিন মানৰ ভিতৰতে ভাইৰাছ শ্বাসনলীৰ পৰা ক্ৰমান্বয়ে মস্তিষ্ক, হৃদযন্ত্ৰৰ দৰে বিভিন্ন অংগলৈ বিয়পি পৰিব পাৰে। তাৰ পাছত সেইবোৰ অংগতে কে'বা মাহলৈকে জীয়াই থাকিব পাৰে এই ভাইৰাছ। সেই বাবেই বহুতে 'লং ক'ভিড'ত আক্ৰান্ত হৈছে। অৰ্থাৎ দীৰ্ঘ সময়লৈ ক'ভিডত আক্ৰান্ত হৈ আছে বা ক'ভিডৰ পৰৱৰ্তী অসুস্থতাত ভুগি আছে। এই গৱেষণাত যুক্ত হৈ আছে আমেৰিকাৰ 'নেছনেল ইনষ্টিটিউট অৱ হেল্থ'ৰ বিজ্ঞানীসকল। তেওঁলোকে দাবী কৰিছে যে এই প্ৰথমবাৰলৈ 'ছাৰ্চ-ক'ভ-২'ৰ গতিপ্ৰকৃতি আৰু চৰিত্ৰ ইমান বিশদভাৱে বিশ্লেষণ কৰি চোৱা হৈছে। ইমানদিনে ধাৰণা কৰা হৈছিল যে সংক্ৰমণৰ পাছত ভাইৰাছটোৱে শ্বাসনলীত প্ৰৱেশ কৰি প্ৰতিলিপি তৈয়াৰ কৰে। অৱশ্যে এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে শ্বাসনলীক পাৰ হৈ গৈ শৰীৰৰ আন কোনো স্থানৰো মানৱ কোষত প্ৰতিলিপি গঠন কৰিব পাৰে এই অণুজীৱই। এই সন্দৰ্ভত মিছৌৰীৰ ছেইণ্ট লুই হেল্থ কেয়াৰ ছিষ্টেমৰ ক্লিনিকেল এপিডিমিয়'লজি বিভাগৰ মুৰব্বী জিয়াদ আল-আলীয়ে কয়, 'এয়া উল্লেখযোগ্য গুৰুত্বপূৰ্ণ কাম।' বহু দিন হ'ল আমি বুজিয়ে উঠিব পৰা নাছিলো ক'ভিড হোৱাৰ ইমান দিনৰ পাছতো কিয় ৰোগীৰ অসুস্থতা ভাল হেহোৱা নাই। কিয় বিভিন্ন অংগ ক্ষতিগ্ৰস্ত হৈছে। এই প্ৰতিবেদনে অন্ধকাৰত পোহৰ দেখুৱালে।' উল্লেখ্য যে আল-আলীয়ে 'লং ক'ভিড'ক লৈ কাম কৰি আছে। তেওঁ এই বিষয়ৰ এক গৱেষণাতো যুক্ত। তেওঁ পুনৰ কয়, 'বহু ক্ষেত্ৰত এনেকুৱাও দেখিছো যে কোনো ক'ভিড ৰোগীৰ হয়তো বিশেষ উপসৰ্গ নাছিল, হয়তো ক'ভিডত সিমান অসুস্থ হোৱা নাছিল। অথচ ক'ভিডৰ পাছত নানা অসুস্থতাত দীৰ্ঘদিন ধৰি ভুগি আছে। ইমান দিনে ইয়াৰ উত্তৰ ওলোৱা নাছিল।'

'ছাৰ্চ-ক'ভ-২'ৰ চৰিত্ৰ জটিলৰ পৰা ক্ৰমাৎ জটিলতৰ হৈ পৰিছে। ভাইৰাছৰ ডেল্টা প্ৰজাতিক আঁতৰাই ক্ৰমাৎ অ'মিক্ৰন মূল সংক্ৰামক প্ৰজাতিত পৰিণত হৈছে বা আধিপত্য বিস্তাৰকাৰী হৈ পৰিছে। অতি সংক্ৰামক প্ৰজাতি ডেল্টাৰ তুলনাত ৭০ শতাংশ বেছি বিয়পি পৰাৰ ক্ষমতা আছে অ'মিক্ৰনৰ। যদিও বিজ্ঞানীসকলে জনাইছে যে এতিয়াই কোনো সিদ্ধান্তত উপনীত হোৱাটো ঠিক নহ'ব।












অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com